
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

# দৈনিক অগ্ৰদূত

RNI-Regd No. ASSASS/2004/13832 ■ সপ্তদশ বছৰ ● ১৯১তম সংখ্যা ● যোৰহাট ● বুধবাৰ ২০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ৪ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Jorhat ● Wednesday 4 May 2022 মূল্য ঃ ৯.০০ টকা

অসম চৰকাৰ

Azadi Ka Amrit Mahotsav



## আন্তৰিক স্বাগতম

শ্ৰীযুত ৰাম নাথ কোৱিন্দ
ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি

### অনুষ্ঠান সূচী
৪ মে', ২০২২


মুখ্য অতিথি

**৬১সংখ্যক বাৰ্ষিক অধিৱেশন**
**বড়ো সাহিত্য সভা**

স্থান ঃ গীজীন ফীথাৰ, কচুবাৰী, তামুলপুৰ
সময় ঃ পুৱা ১০.৩০ বজা

**সামৰণী অনুষ্ঠান**
**উত্তৰ-পূব মহোৎসৱ**
'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশস্বৰূপে আয়োজিত

স্থান ঃ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী
সময় ঃ সন্ধিয়া ৫ বজা



জনতাৰ চৰকাৰ | my GOV मेरी सरकार

জনসংযোগ/ডি/১৫১৫/২২

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam dipr.assam.gov.in

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

মই এগৰাকী নাস্তিক। মই বিশ্বাস কৰো যে ধৰ্ম সম্পূৰ্ণৰূপে মানৱাধিকাৰ আৰু নাৰীৰ অধিকাৰৰ বিৰোধী।

তছলিমা নাছৰিন
*বাংলা সাহিত্যিক*



www.dainikagradoot.in

৭ নৈশক্লাৱত ৰাহুল ঃ কংগ্ৰেছে ক'লে 'বিয়া খাবলৈহে'
১৫ বেনজেমাৰ চমকৰ আশাত ৰিয়ালৰ সমৰ্থক
৪ আধাৰশিলাৰ ৰাজনীতি আৰু সপোনৰ বেহা



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ৪ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 4 May 2022 মূল্য ঃ ৯.০০ টকা


■ ৰাজনীতিক-আৰক্ষী বিষয়াসহ বিভিন্ন প্ৰভাৱশালী লোকৰ নাম সন্নিবিষ্ট ■ অবৈধ ব্যৱসায়ৰ ধনৰ ভাগ পাইছিল কোনে কোনে ■ আৰক্ষীৰ 'সংঘৰ্ষ'ত আব্দুল আহাদ চৌধুৰীৰ মৃত্যুৰ ৰহস্য

# কয়লা মাফিয়াৰ ডায়েৰীত কি আছিল ?



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ যোৱা পহিলা মে'ৰ পুৱতি নিশা হাইলাকান্দিৰ লক্ষ্মীনগৰত আৰক্ষীৰে হোৱা 'সংঘৰ্ষ'ত বহু গোচৰত অভিযুক্ত তথা কয়লাৰ অবৈধ ব্যৱসায়ী আব্দুল আহাদ চৌধুৰী নিহত হোৱাৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। এই ঘটনাত এখন বিশেষ ডায়েৰীৰ প্ৰসংগ চৰ্চিত হৈছে। জীৱিত অৱস্থাতে কয়লা মাফিয়াৰূপে পৰিচিত চৌধুৰীৰ পৰা এখন বিশেষ ডায়েৰী আৰক্ষীয়ে উদ্ধাৰ কৰিছিল। উক্ত ডায়েৰীত বহু গুৰুত্বপূৰ্ণ তথ্য সন্নিবিষ্ট থকাৰ উল্লেখ কৰি এক উচ্চস্তৰীয় সূত্ৰই সদৰী কৰে যে বৰাক উপত্যকাত কয়লাৰ অবৈধ সৰবৰাহৰ অন্যতম কাণ্ডাৰী আছিল নিহত আব্দুল আহাদ চৌধুৰী। দীৰ্ঘকাল চৌধুৰীয়ে নিৰ্বিঘ্নে সেই ব্যৱসায় চলাই বৃহৎ পৰিমাণৰ ধন আহৰণ কৰিছে। অসমৰ পৰা বাংলাদেশলৈও চোৰাংকৈ কয়লা প্ৰেৰণত নেতৃত্ব লোৱা বুলি চৌধুৰীৰ বিৰুদ্ধে অভিযোগ আছিল; কিন্তু এই অবৈধ কাৰ্য চলাই নিয়াত চৌধুৰীয়ে আৰক্ষী আৰু প্ৰশাসনৰ পৰা সহযোগ লাভ কৰি আহিছে। ইয়াৰ মূলতে আছিল চৌধুৰীয়ে উপাৰ্জন কৰা অবৈধ ধনৰ ভাগ নিয়মীয়াকৈ প্ৰভাৱশালী ৰাজনীতিকৰ লগতে আৰক্ষী আৰু ১০ পৃষ্ঠাত চাওক

## বাংলাদেশৰ পৰা অসম হৈ জম্মু-কাশ্মীৰলৈ ৰহিংগীয়া



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ অসমত ৰহিংগীয়া মুছলমানৰ অবৈধ প্ৰৱেশ ১০ পৃষ্ঠাত চাওক

## কাৰ্বি পৰিষদৰ নিৰ্বাচনৰ বাবে বিজেপিৰ ১২ জনীয়া সমিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ কাৰ্বি স্বায়ত্ত শাসিত পৰিষদ পুনৰ দখলৰ লক্ষ্যৰে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে ৰাজ্যিক বিজেপিয়ে। পৰিষদৰ আগন্তুক নিৰ্বাচনৰ বাবে কে'বাজনো মন্ত্ৰী, ১০ পৃষ্ঠাত চাওক



*ঈদ-উল-ফিটৰৰ ৰাজহুৱা নামাজত দুগৰাকী কন্যা, মহানগৰীত।*

■ কাগজ কলৰ কৰ্মচাৰীৰ বাবে ৩০৮.৭৫ কোটি মোকলাই দিয়াৰ সিদ্ধান্ত ■ শুৱালকুছি-পলাশবাৰী সংযোগী দলঙলৈ ৩,১৯৭ কোটি

## পুনৰ চাৰি মেডিকেল কলেজৰ বাবে দুহেজাৰ কোটি টকাৰ অনুমোদন

কেন্সাৰ কেন্দ্ৰৰ পাছত এইবাৰ টাটাৰ সহযোগত ৭৭ খন কাৰিকৰী শিক্ষানুষ্ঠান ■ প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ ঘৰলৈ অতিৰিক্ত ১০ হেজাৰ টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ ৰাজ্যৰ চাৰিখন জিলাত স্থাপন হ'বলগীয়া চিকিৎসা মহাবিদ্যালয়ৰ বাবে আজি অসম চৰকাৰৰ কেবিনেট বৈঠকে নিৰ্মাণ ব্যয় হিচাপে দুহেজাৰ কোটি টকাত প্ৰশাসনিক অনুমোদন দিয়ে। জনতা ভৱনত অনুষ্ঠিত এই কেবিনেট বৈঠকতে কেন্সাৰ হাস্পতালৰ পাছত টাটা গোটৰ সহযোগত অসমত ৭৭ খন কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান স্থাপনতো অনুমোদন দিয়া হয়। বৈঠকৰ পাছত মন্ত্ৰী কেশৱ মহন্তই কয় যে ৰাজ্য চৰকাৰে পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ঘোষণা কৰিছিল যোৱা বাজেটত। তাৰে তামুলপুৰত স্থাপন হ'বলগীয়াখনৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় অনুমোদন ১০ পৃষ্ঠাত চাওক

■ লোকে লোকাৰণ্য বড়ো সাহিত্য সভাৰ অধিবেশনথলী ■ আজি মুকলি সভাত অংশগ্ৰহণ কৰিব ৰাষ্ট্ৰপতিয়ে ■ বড়ো জাতিয়ে বিশ্বৰ দৰবাৰত মানুহৰূপে বাচি থাকিব লাগিব ঃ বড়ো

## বিটিআৰত অধিক অঞ্চল অন্তৰ্ভুক্তিৰ আলোচনা

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৩ মে'** ঃ 'বড়ো সাহিত্য সভা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো ৰাইজৰ সহযোগত আমি বড়ো ভাষা-সাহিত্যক আগবঢ়াই লৈ যোৱাৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছো। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত কেনেকৈ বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলক ই-লাৰ্ণিং, ই-টিচিং আৰু ই-এডুকেছনত সাঙুৰি কেনেদৰে ল'ব পাৰি, কেনেদৰে আধুনিক তথ্য-প্ৰযুক্তিৰ কাৰিকৰী শিক্ষা গ্ৰহণ কৰি আগুৱাই যাব পাৰি সেই সম্পৰ্কে বিস্তাৰিতভাৱে ১০ পৃষ্ঠাত চাওক





## একাধিক কাৰ্যসূচী লৈ গুৱাহাটীত ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ একাধিক কাৰ্যসূচী লৈ আজি বিয়লি গুৱাহাটীত উপস্থিত হয় ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত ১০ পৃষ্ঠাত চাওক

■ গুৱাহাটীৰ নতুন মেয়ৰ হ'ব মৃগেন শৰণীয়া-উপ-মেয়ৰ স্মিতা ৰয়

## ধন-ক্ষমতালোভীৰ ভিৰ বিজেপিত! ক্ষোভ উজাৰি দল ত্যাগ শশাংকৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ ব্যাপক জল্পনা-কল্পনাৰ অৱসান ঘটাই ফলাফলৰ ১০ দিনৰ মূৰত আজি বিজেপিয়ে ঘোষণা কৰে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ, উপ-মেয়ৰৰ নাম। দ্বিতীয়বাৰলৈ মেয়ৰৰূপে বিজেপি মহানগৰ সমিতিৰ সভাপতি মৃগেন শৰণীয়া আৰু উপ-মেয়ৰৰূপে স্মিতা ৰয়ৰ ১০ পৃষ্ঠাত চাওক




## বৰপেটাত ঈদৰ নামাজক লৈ আহমদীয়-মহম্মদীয়ৰ মাজত সংঘৰ্ষ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ৩ মে'** ঃ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপৰ যতিগাঁৱত আজি ঈদৰ নামাজক লৈ দুটা পক্ষৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। কিছুসংখ্যক আহমদীয়পন্থী লোকে সমূহীয়া নামাজৰ পৰিৱৰ্তে কোঠাৰ ভিতৰত নামাজত অংশ লোৱাক লৈ সৃষ্টি হয় এই সংঘৰ্ষৰ। ১০ পৃষ্ঠাত চাওক

■ মুখ্য ন্যায়াধীশৰ ভাষ্যৰ পাছতো 'লক্ষ্মণৰেখা' অতিক্ৰম ■ প্ৰতিক্ৰিয়া জ্যেষ্ঠ অধিবক্তাৰ


## ন্যায়পালিকাত হস্তক্ষেপৰ অপচেষ্টাত উদ্বেগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ দেশৰ ন্যায় ব্যৱস্থাটোত ৰাজনৈতিক হস্তক্ষেপৰ চেষ্টা অহৰহ চলি আহিছে। তাৰেই ইংগিত দি যোৱা ৩০ এপ্ৰিলত নতুন দিল্লীত প্ৰধানমন্ত্ৰী, বিভিন্ন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসকলৰ এখন সভাত দেশৰ মুখ্য ন্যায়াধীশ এম ভি ৰামানাই সকলো পক্ষকে লক্ষ্মণৰেখা মানি চলিবলৈ আহ্বান জনায়। কিন্তু তেনে আহ্বানকো বহু সময়ত নস্যাৎ কৰাৰ চেষ্টা চলিছে বুলি উদ্বেগৰ সৃষ্টি হৈছে। গুজৰাটৰ নিৰ্দলীয় বিধায়ক জিগনেশ মেৱানীক বৰপেটাৰোড আৰক্ষী থানাত ৰুজু হৈ থকা এটা গোচৰত জামিন প্ৰদান কৰি বৰপেটাৰ সত্ৰ ন্যায়াধীশ অপৰেশ চক্ৰৱৰ্তীয়ে ৰাজ্যখনত অপৰাধ দমনৰ নামত চলি থকা আৰক্ষীৰ সংঘৰ্ষকে ধৰি বিভিন্ন বিতৰ্কিত কাৰ্যপ্ৰণালীৰ ওপৰত নিজৰ পৰ্যবেক্ষণ আৰু মতামত দাঙি ধৰে। ১০ পৃষ্ঠাত চাওক





জনসংযোগ/ডি/১৫০৩/২২





## ভয়ানক জালিয়াতিৰে কোটি কোটি টকা আত্মসাৎ ঃ বেংক কৰ্মচাৰীক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ মে'** ঃ বেংকৰ নীতি-নিয়ম উলংঘা কৰি সম্পূৰ্ণ পৰিকল্পিতভাৱে চাৰিটাকৈ বেংকত একাউণ্ট খুলি জালিয়াতিৰে বেংকৰ ধন আত্মসাতৰ গোচৰত এজন বেংক কৰ্মচাৰীক আজি গ্ৰেপ্তাৰ কৰে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ তদন্ত সংস্থাই। ১০ পৃষ্ঠাত চাওক



## যোৰহাটত গছৰ ডাল ভাঙি পৰি মহিলাৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৩ মে'** ঃ অতি অস্বাভাৱিক পৰিস্থিতিত আজি বিয়লি যোৰহাট নগৰৰ মাজমজিয়াৰ বৰুৱা চাৰিআলিত এজোপা প্ৰকাণ্ড ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*হেৰা, কি ৰঙৰ মাস্ক আনিলা? মোৰ শাৰীৰ লগত নিমিলে দেখোন, কেনেকৈ ফেচবুকত ফটো দিম!*

■ নতুনকৈ সৃষ্টিৰ সময়েই দিয়া নাই খননকাৰীয়ে ■ অবৈজ্ঞানিক-অবৈধ পদ্ধতিৰে খননৰ ফলত নিশ্চিহ্ন হৈ পৰিছে নদীৰ বহু দীপ

## অবাধ খননৰ ফলত শীঘ্ৰে বিশ্বত দেখা দিব বালিৰ সংকটে ঃ ৰাষ্ট্ৰসংঘ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ মে'** ঃ আন এক গভীৰ সংকটৰ দিশে অগ্ৰসৰ হৈছে বিশ্ব। সেয়া হৈছে বালিৰ সংকট। সেই দিনটো বেছি দূৰত নাই বুলিয়ে সতৰ্ক কৰি দিলে ৰাষ্ট্ৰসংঘই। আমাৰ দৈনন্দিন জীৱনত বালিৰ চাহিদা বিশাল। বালি অবিহনে কোনো নিৰ্মাণকাৰ্যৰ কথা ভাবিবই নোৱাৰি। অথচ সেই বালিকেই পৃথিৱীৰ ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ৪ মে' ২০২২

# প্ৰেছ স্বাধীনতা সূচক


বিশ্ব সংবাদ মাধ্যমৰ স্বাধীনতা দিৱস উপলক্ষে ৰিপ'ৰ্টাছ উইদাউট বৰ্ডাৰছ বা সংক্ষেপে আৰ এছ এফ নামৰ পেৰিছত মুখ্য কাৰ্যালয় থকা আন্তৰ্জাতিক বেচৰকাৰী সংস্থাটোৱে তিনি মে'ৰ দিনা প্ৰকাশ কৰা বিশ্ব সংবাদ স্বাধীনতা সূচকত ভাৰতৰ স্থান যোৱা ২০২০ৰ ১৪২ৰ পৰা অৱনমিত হৈ ২০২১ত ১৫০ হৈছেগৈ। উক্ত সূচক প্ৰকাশ কৰা প্ৰতিবেদনত সংস্থাটোৱে কৈছে যে সাংবাদিকৰ বিৰুদ্ধে হিংসাত্মক আক্ৰমণ, ৰাজনৈতিকভাৱে পক্ষপাতিত্ব লোৱা সংবাদ মাধ্যম আৰু সংবাদ মাধ্যমৰ মালিকানা ঘনীভূত হোৱা আটাইবোৰ ঘটনাই ইয়াকেই সূচাইছে যে বিশ্বৰ বৃহৎ গণতান্ত্ৰিক দেশখনত সংবাদ মাধ্যমৰ স্বাধীনতা সন্তোষজনক নহয়।

উল্লেখ্য যে যোৱা ২০১৬ত এই প্ৰেছ স্বাধীনতা সূচকত ভাৰতৰ স্থান আছিল ১৩৩। ১৮০ খন দেশৰ ভিতৰত সেই বছৰ ভাৰতৰ স্থান আছিল ১৩৩ত। পাঁচ বছৰ পাছত প্ৰেছ স্বাধীনতা সূচক ১৭ ঢাপ অৱনমিত হোৱাটো উদ্বেগজনক। উল্লেখ কৰিব পাৰি যে ৰাষ্ট্ৰসংঘ আৰু ইউনেস্ক'ৰ পৰামৰ্শদাতা সংগঠনৰ মান্যতা পোৱা এই আন্তৰ্জাতিক বেচৰকাৰী তথ্য জনাৰ স্বাধীনতা তথা প্ৰেছ স্বাধীনতা নিৰীক্ষণকাৰী সংস্থাটোৱে সাংবাদিকসকলৰ স্বাধীনতাৰ মাপ তথা ডিজিটেল মাধ্যম ব্যৱহাৰকাৰী নাগৰিক তথা সংবাদ সংস্থাসমূহে ভোগ কৰা স্বাধীনতাৰ মান আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক চৰকাৰে কিমানদূৰ সন্মান জনায় তাক নিৰ্ধাৰণৰ বাবেই এই প্ৰেছ স্বাধীনতা সূচক প্ৰতিবছৰে প্ৰস্তুত কৰি উলিয়ায় দেশ ভিত্তিত।

ভাৰতবৰ্ষৰ সংবাদ মাধ্যম ঔপনিৱেশিকতাবাদ বিৰোধী আন্দোলনৰ এক অংশীদাৰ আছিল যদিও নৰেন্দ্ৰ মোদী চৰকাৰ ক্ষমতালৈ অহাৰ পাছত বৃহৎ সংবাদ মাধ্যমবোৰ ধনী গোষ্ঠী অথবা ৰাজনৈতিক নেতাৰ মালিকানাধীন হ'ল আৰু তেতিয়াৰ পৰাই পৰিস্থিতি সলনি হ'বলৈ ধৰে বুলি আৰ এছ এফে প্ৰতিবেদনত উল্লেখ কৰিছে। ৰিলায়েন্স ইণ্ডাষ্টিছে ভাৰতৰ ৭০টা মিডিয়া কোম্পানীৰ মালিক আৰু কোম্পানীটোৰ মালিক মুকেশ আম্বানি প্ৰধানমন্ত্ৰী মোদীৰ ব্যক্তিগত বন্ধু বুলি প্ৰতিবেদনত কোৱা হৈছে। ক'ভিড-১৯ সংক্ৰমণৰ সময়ত চৰকাৰী ভাষ্য অনুসৰণ নকৰা সংবাদ মাধ্যমসমূহৰ বিৰুদ্ধে চৰকাৰে আইনী যুঁজ চলাইছে বুলিও কোৱা হৈছে। প্ৰতিবেদন অনুসৰি এই মুহূৰ্তত ভাৰতৰ ১৩ গৰাকী সাংবাদিকে কাৰাগাৰত দিন নিয়াইছে আৰু যোৱা জানুৱাৰীৰ পৰা এতিয়ালৈকে এজন সাংবাদিক নিহত হৈছে। উৰিষ্যাৰ সাংবাদিক ৰোহিত কুমাৰ বিচৱাল যোৱা পাঁচ ফেব্ৰুৱাৰীৰ বোমা বিস্ফোৰণত নিহত হয়। দেশত আন্দোলন মষিমূৰ কৰাৰ বাবে তথা আইন-শৃংখলা নিয়ন্ত্ৰণৰ নামত সঘনাই ইন্টাৰনেট সেৱা বন্ধ কৰা ঘটনায়ো দেশৰ প্ৰেছ স্বাধীনতা সূচক নিম্নগামী হোৱাত সহায় কৰিছে। আৰ এছ এফৰ প্ৰতিবেদনত মহিলা সাংবাদিকৰ ওপৰত হোৱা ক্ৰমবৰ্দ্ধমান আক্ৰমণৰ কথা কোৱা হৈছে। এনে মহিলা সাংবাদিকসকলৰ ব্যক্তিগত তথ্য বা বিষয় ইন্টাৰনেটত প্ৰকাশ কৰি তেওঁলোকক হাৰাশাস্তি কৰা হৈছে। ২০২২ৰ পহিলা জানুৱাৰীত ইন্টাৰনেটত বুল্লিবাই এপ প্ৰকাশ কৰি কে'বাগৰাকী মহিলা সাংবাদিককে ধৰি মুছলমান কেতবোৰ মহিলাক ছবিসহ নিলাম কৰাৰ কথা কোৱা হৈছিল। টেক ফগ নামেৰে আন এটা এপৰ জৰিয়তে শাসক দলক সমালোচনা কৰা সাংবাদিকৰ তথ্য সংগ্ৰহ আৰু নিৰীক্ষণ কৰাৰ কথাও পোহৰলৈ আহিছে। ব্যৱসায় আৰু সম্পাদকীয় নীতিৰ মাজত কটকটীয়া বেৰ নথকাৰ ফলত সংবাদ বিষয়াসকল ব্যৱসায়ৰ এক হাতিয়াৰত পৰিণত হৈছে বুলি প্ৰতিবেদনত কোৱা হৈছে। ছপা আৰু অনলাইন সংবাদ মাধ্যমত প্ৰতি বছৰে ১৩০ বিলিয়ন টকাতকৈও অধিক ধন কেন্দ্ৰীয় চৰকাৰে ব্যয় কৰে। এই পৰিস্থিতিত চৰকাৰী ভাষ্য সংবাদ মাধ্যমত চৰকাৰে আৰোপ কৰিব পৰা অৱস্থাৰ সৃষ্টি হৈছে বুলি আৰ এছ এফৰ অভিযোগ। চৰকাৰে আৰ এছ এফৰ এই সূচক নমনাটো স্বাভাৱিক; কিন্তু আন্তৰ্জাতিক পৰ্যায়ত এই সূচকক সকলোৱে মান্যতা দি আহিছে।

## খো লা ম ঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**যোৱা** কেইবছৰমান সন্মানীয় সংসদ আৰু বিধানসভাৰ মজিয়াত সাংসদ আৰু বিধায়ক কিছুৰ আচৰণ আৰু ব্যৱহাৰৰ লগতে কথা কোৱাৰ শৈলী দেখিলে নিজৰ ওপৰতে বিশ্বাস হেৰাই যাব খোজে। অমাৰ্জিত শব্দৰ প্ৰয়োগ, বাক-বিতণ্ডা, প্ৰতিবাদৰ ধাৰা সাম্প্ৰতিক সময়ত গণতন্ত্ৰৰ শাসন ব্যৱস্থাৰ প্ৰতি ভাবুকি হৈ পৰিছে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত যি আদৰ্শ আৰু নীতিৰে গণতন্ত্ৰ স্থাপন কৰা হৈছিল, সেই একেই নীতি-আদৰ্শ আক্ষৰিক অৰ্থত আজিও আছে; কিন্তু বাস্তৱত সেয়া বহুক্ষেত্ৰত কাকতে-পত্ৰে দেখা পাইছো; পঢ়িবলৈ পাইছো যে ৰাজনীতি অপৰাধীৰ ভূস্বৰ্গ! বহুক্ষেত্ৰত কথাষাৰৰ সত্যতাও আছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ৰে পৰা বহু বছৰলৈ বহু ৰাজনৈতিক নেতাই প্ৰকৃত দেশসেৱাৰ মনোভাৱেৰে ৰাজনীতি কৰিছিল। দেশৰ বাবে, জাতিৰ বাবে তেওঁলোকে নিজৰ দেহ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

**পংকজ পল্লৱ শৰ্মা,** *লেখক*

সেই সময়ত সীমিত পৰিসৰৰ মাজত আৱদ্ধ থাকি দেশৰ বাবে, জাতিৰ বাবে ৰাজনৈতিক কৰ্মীয়ে নিঃস্বাৰ্থভাৱে কাম কৰিছিল; কিন্তু সময় বাগৰাৰ লগে লগে আমাৰ চৌদিশে তীব্ৰগতিত সলনি হৈছে। লগে লগেই সলনি হৈ গৈছে আমাৰ মানসিকতাও। এতিয়া ৰাজনীতি সেৱা নে চাকৰি? অতি সম্প্ৰতি এই কথাই আমাক চিন্তান্বিত কৰি তুলিছে। সাম্প্ৰতিক কালত ৰাজনৈতিক ক্ষেত্ৰলৈ আগমন ঘটিছে বহু অপৰাধজনিত ঘটনাত জড়িত ব্যক্তিৰ; যিবোৰ কাকতে-পত্ৰে আমি পঢ়িবলৈ পাইছো। বহু নেতা-পালিনেতাৰ গাত আমি আশা কৰা ধৰণৰ স্বচ্ছতা নেদেখো। আজিৰ বহু ৰাজনৈতিক নেতাই যেন ক্ষমতা আৰু অৰ্থৰ পাছত দৌৰিছে।

জনসাধাৰণক পণবন্দী কৰি এনে বহু ৰাজনৈতিক নেতাই কলুষিত কৰিছে ৰাজনৈতিক ক্ষেত্ৰখন। সাংবিধানিক ক্ষেত্ৰখন কলুষিত কৰি এনে বহু ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতাই নিজৰ মুনাফা লাভ কৰাটো দুৰ্ভাগ্যজনক। এনে কৰাৰ বাবে তেওঁলোকে পাইছে বহু সুযোগ, বহু সুৰুঙা।


এনে ভ্ৰষ্টাচাৰী, দুৰ্নীতিগ্ৰস্ত ৰাজনৈতিক নেতাক আমি প্ৰশ্ৰয় দিয়াটো কিমান সমীচীন।

আমাৰ গণতন্ত্ৰত এনে দুৰ্নীতিগ্ৰস্ত-ভ্ৰষ্টাচাৰী ৰাজনৈতিক নেতাক পুলিয়ে পোখাই ধ্বংস কৰিবলৈ সকলো ভোটদাতা একেলগ হ'ব লাগিব। আমি দৃঢ় সংকল্পবদ্ধ হ'ব লাগিব। যি আশাৰ সপোন দেখুৱাই আমাৰ ভোট খুজিবলৈ আহিছিল, তেনে আশাৰেই সেই প্ৰতিনিধিক বহুদূৰলৈ খেদি পঠিয়াব লাগিব। *ফোন ঃ ৮৮৭৬৩৪৮০৬২*

## ২০২৪ৰ বাজিল নিৰ্বাচনী দামামা

# আধাৰশিলাৰ ৰাজনীতি আৰু সপোনৰ বেহা

**নিউজ স্কেন**



**গীতাৰ্থ পাঠক**

আমাৰ দেশখনত নিৰ্বাচন আহিলেই আৰম্ভ হয় আধাৰশিলাৰ ৰাজনীতি। এই আধাৰশিলাবোৰ ফলগছৰ ফুলৰ দৰে। এশটা ফুল ফুলিলে সৰ্বাধিক ১০টা মানহে ফল অৱশেষত হয়গৈ। আধাৰশিলাৰ অপমৃত্যুৰ হিচাপ চৰকাৰে নাৰাখে। মানুহেও পাহৰি যায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একে দিনাই মহাপয়োভৰেৰে এহেজাৰ কোটি টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰি চমক দেখুৱালে। টাটা ট্ৰাষ্টৰ ধনেৰে অসমত সাতখনকৈ কেন্সাৰ হাস্পতাল অৱশ্যে উদ্বোধন কৰিও তেওঁ চমক দেখুৱাইছে। অসমত আৰু সাতখন কেন্সাৰ হাস্পতাল হ'ব। স্বাস্থ্যসেৱাৰ মান উন্নয়ন হওক বা নহওক, হাস্পতালৰ সংখ্যা হ'লে আমাৰ দেশত বৃদ্ধি পাইছে। অক্সিজেনৰ অভাৱত মহামাৰীৰ আগেয়েও গোৰখপুৰৰ বাবা ৰাঘৱ দাস হাস্পতালত ৬৩টি শিশু আৰু ১৮ জন প্ৰাপ্তবয়স্ক লোকৰ মৃত্যু হৈছিল। মহামাৰীৰ সময়ত অক্সিজেনৰ নাটনিৰ কথা ক'বলৈ নাযাওঁৱেই।

২০২৪ত লোকসভাৰ নিৰ্বাচন আহি আছে। গতিকে আৰম্ভ হৈছে নিৰ্বাচনী প্ৰচাৰ অভিযান। মোদীৰ কাৰ্বি আংলং আৰু ডিব্ৰুগড় ভ্ৰমণ কালত গুৱাহাটী মহানগৰীত চাৰিদিন ধৰি বাছ, গাড়ী, মটৰ পাবলৈ নোহোৱা হ'ল। লাখ লাখ লোকক সমবেত কৰাৰ বাবে এই বিশাল যো-জা। সংবাদ মাধ্যমত প্ৰকাশ পাইছে যে ভাড়া কৰি সভালৈ মানুহ লৈ যোৱা হৈছে। ইমানবোৰ গাড়ী মটৰৰ ভাড়া কোনে দিছে সেয়া বিচাৰ্য। নিৰ্বাচনৰ আগে আগে কেনেদৰে আধাৰশিলাৰ ৰাজনীতি হয়, সেই কথা আনে কোৱা নাই। বিজেপি দলৰ কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৈছে। তেওঁ সংসদত কৈছে যে ভূতপূৰ্ব অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁক আৱেগিকভাৱে বাধ্য কৰিছিল মাজুলীলৈ যোৱা দলঙৰ আধাৰশিলা স্থাপন কৰিবলৈ। ২০১৬ৰ বিধানসভাৰ নিৰ্বাচনৰ আগে আগে কৰা ঘোষণাই সোণোৱালক নিৰ্বাচনত জয়ী হোৱাত সহায় কৰিছিল নীতিন গাডকাৰীৰ এই ঘোষণাই। এই কথা স্বয়ং গাডকাৰীয়ে কৈছে, সিও সংসদৰ মজিয়াত। দিল্লীলৈ উভতি অহাৰ পাছত যেতিয়া বিশেষজ্ঞসকলে ক'লে যে এনে এখন দলং নিৰ্মাণৰ বাবে ছহেজাৰ কোটি টকা লাগিব, তেতিয়া তেওঁ মূৰে-কপালে হাত দিলে। গতিকে প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ আৰু আধাৰশিলা স্থাপন তথা কোটিটকীয়া মহা পয়োভৰৰ ৰাজনীতি যে নিৰ্বাচনী ৰাজনীতি সেয়া স্পষ্ট।

অসমলৈ শান্তি উভতি আহিছে বুলি প্ৰতিখন চৰকাৰেই দাবী কৰি আহিছে। প্ৰয়াত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ২০০২ৰ অসম বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰাৰ পাছত গুৱাহাটীৰ ওচৰৰ সোণাপুৰৰ ধাবালৈ সাংবাদিকসকলক লৈ গৈছিল দেখুৱাবলৈ যে এই ধাবাবোৰত দুপৰ নিশালৈকে মানুহে খাবলৈ আহে। অসমলৈ শান্তি উভতি অহাৰ এয়াই প্ৰমাণ। পিছে ইয়াৰ আগৰ অগপৰ শাসন কালৰ তুলনাত গগৈ চৰকাৰৰ দিনত যে আইন-শৃংখলা উন্নত হোৱা নাছিল সেয়া নহয়। তথাপি সেয়া দাবী কৰিব পৰা বিধৰ নাছিল। এতিয়া প্ৰধানমন্ত্ৰীয়ে কৈছে যে পূৰ্বতে উত্তৰ-পূবত গুলিৰ শব্দ শুনা গৈছিল। এতিয়া হাত চাপৰিৰ শব্দ শুনা যায়। পিছে এনকাউন্টাৰৰ নামত বন্দুকৰ গুলিবোৰ ফুটি থকা নাই জানো এতিয়া। আনে নালাগে মহামান্য আদালতে কৈছে গুজৰাটৰ বিধায়ক জিগনেশ মেৱানীক জামিন মঞ্জুৰ কৰি যে অসম পুলিচ ৰাজ্যত পৰিণত হোৱাৰ পিনে আগবাঢ়িছে। আদালতেই প্ৰকাৰান্তৰে কৈছে যে এই এনকাউন্টাৰবোৰ সজোৱা। শান্তি যদি উভতি আহিছে, তেনেহ'লে ডেকা ডেকা ল'ৰাজাক উগ্ৰপন্থাত যোগদান কৰাৰ বাবে শাৰী পাতিছে কিয়? শান্তি যদি উভতি আহিছে, তেনেহ'লে ৰাজ্যখনত ঋণৰ বোজা সহিব নোৱাৰি মে' দিৱসৰ দিনা কেব চালক এজনে আত্মহত্যা কৰাৰ বাট বাছি ল'লে কিয়? অৰ্থনৈতিক হেঁচাত থাকিলে মানুহ শান্তিত থাকিব পাৰেনে? মূল্যবৃদ্ধিয়ে আমাৰ দেশত তথা ৰাজ্যত অভিলেখ গতিবেগৰ সৃষ্টি কৰিছে। এতিয়া মূল্যবৃদ্ধিৰ বিৰুদ্ধে আন্দোলন, প্ৰতিবাদ কৰিলেও আন্দোলনকাৰীৰ ওপৰত জঁপিয়াই পৰে পুলিচ। যোৱা ২৮ এপ্ৰিলৰ দিনা আপ দলৰ বিক্ষোভকাৰীৰ ওপৰত পুলিচ জঁপিয়াই পৰা আমি দেখিছো।

ৰাজ্যখনত খোৱাপানীৰ হাহাকাৰ। গুৱাহাটী মহানগৰীতো খোৱাপানীৰ হাহাকাৰ। ৰাজ্যখনত যথেষ্ট পানী যোগান আঁচনি হৈছে; কিন্তু নলত পানী পোৱা টান। গুৱাহাটী মহানগৰীত থকা পানী যোগান আঁচনিবোৰৰ অৱস্থা তথৈবচ। ২০১৩ত ৬৬ লাখ টকাৰে নিৰ্মিত নাৰেংগীৰ সাতগাঁও পানী যোগান প্ৰকল্পটো যোৱা তিনি বছৰে বন্ধ হৈ আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অকৰ্মণ্যতাৰ বাবে লাখ লাখ টকা ব্যয়েৰে ক্ৰয় কৰা যন্ত্ৰপাতি নষ্ট হ'বলৈ ধৰিছে। গুৱাহাটী পৌৰ নিগমৰ সাতপুখুৰী পানী যোগান প্ৰকল্পটোও বন্ধ



হও হও অৱস্থা। ১৯৮৭ত নিৰ্মাণ কৰা এই প্ৰকল্পটো সময়ে সময়ে মেৰামতি নকৰাৰ ফলত দিনে ১৫-২০ হেজাৰ লিটাৰ পানী অপচয় হয়। আনহাতে, বিদেশী বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ আৰম্ভ কৰা গুৱাহাটীৰ প্ৰায়কেইটা পানী যোগান আঁচনি ৰূপায়ণ আজিলৈকে সম্পূৰ্ণ হোৱা নাই। নৰকাসুৰ পাহাৰত জাইকাৰ ধনেৰে নিৰ্মিত হৈ থকা প্ৰকল্পটো ১০ বছৰৰ ওপৰ কাল হ'ল, এতিয়াও সেয়া সম্পূৰ্ণ হোৱা নাই। মাজতে সুদীৰ্ঘ কাল কাম বন্ধ হৈ থকাৰ ফলত মামৰে ধৰি বহুতো লো তথা যন্ত্ৰপাতি ধ্বংস হৈ গৈছে। এতিয়া দেশখনৰ পানীৰ সমস্যা সমাধানৰ বাবে তথা জল সংৰক্ষণ, মৎস্য উৎপাদন, নিযুক্তিৰ সৃষ্টি আদি কৰাৰ মানসেৰে কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰিছে অমৃত সৰোবৰ যোজনা। অসমত এনে ২৯৮৫টা অমৃত সৰোবৰ আঁচনিৰ অধীনত বৃহৎ পুখুৰী খন্দা হ'ব। পুখুৰীৰ পাৰে পাৰে বাণিজ্যিক গছ পুলি ৰোৱা হ'ব আৰু এনেদৰে সামূহিক উন্নয়নৰ এক আশা আমালৈ কঢ়িয়াই আনিছে। দেখাত প্ৰকল্পবোৰ ভালেই। গুৱাহাটী পানী যোগান আঁচনিবোৰ দেখাত ভালেই আছিল। পিছে তাত পানী ওলোৱাৰ সলনি কেলেংকাৰিহে ওলাল।

চুক্তিৰ ওপৰত চুক্তি কৰি শান্তি আনিবলৈ মোদী চৰকাৰে প্ৰচেষ্টা প্ৰদৰ্শন কৰিছে। কাৰ্বি আংলঙত কেইটামান সংগঠনক শান্তি চুক্তিৰে মূলসুঁতিলৈ আনি তথা ২০২০ত আৰু এক বড়ো চুক্তি সম্পাদন কৰি অসমত চিৰস্থায়ী শান্তি অনাৰ কথা কোৱা হৈছে। পিছে বড়োলেণ্ডত এই চুক্তিৰ বিৰুদ্ধে এতিয়া বড়োসকলৰ একাংশ গৰজি উঠিছে। এন এছ চি এনৰ স'তে ফ্ৰেমৱৰ্ক চুক্তি কৰাৰ পাছত আজিলৈকে গোপনে ৰখা এই চুক্তিখনে শান্তিৰ সলনি বিতৰ্কহে চপাই অনা দেখা গৈছে। এচাম যুৱক জংঘলৰ পৰা ওলাই আহি চুক্তি কৰিছে, আন এচাম যুৱকে আকৌ পিছ দুৱাৰেদি জংঘললৈ ঢাপলি মেলিছে। ফুটা চৰিয়াত পানী ধৰাৰ এক অন্তহীন কাৰবাৰ কংগ্ৰেছৰ দিনৰ পৰা আজিলৈকে চলি আহিছে। আচলতে 'শান্তি স্থাপন' বোলা বিষয়টো আমাৰ ৰাজনৈতিক শ্ৰেণীটোৰ এক ৰাজনৈতিক হাতিয়াৰহে।

**আঁচনি ঘোষণা কৰিলেই নহয়, তাৰ সফল ৰূপায়ণহে আচল কথা। ডবল ইঞ্জিনৰ চৰকাৰ বুলি গৰ্ব কৰি সবকা সাথ সবকা বিকাশ সবকা বিশ্বাস সবকা প্ৰয়াসৰ কথা ক'লেও এই চৰকাৰে বিকাশৰ বাছখনত মুছলমানসকলক সাথ লৈ যোৱা নাই,**

যি সময়ত চৰকাৰে নতুন নতুন আঁচনি ঘোষণা কৰিছে, সেই সময়ত বাতৰি প্ৰকাশ পাইছে কেন্দ্ৰীয় আঁচনিৰ ধন ব্যৱহাৰৰ প্ৰমাণপত্ৰ দিব নোৱাৰাৰ বাবে নতুনকৈ পুঁজি অহাটো বন্ধ হৈছে। অসম পুলিচৰ আধুনিকীকৰণৰ বাবে অহা ধন ব্যৱহাৰৰ প্ৰমাণ পত্ৰ দিব নোৱাৰাৰ বাবে এই বিত্তীয় বছৰটোত অসমে এটকাও নাপায় হেনো। উত্তৰ-পূৰ্বাঞ্চলত ধন ব্যৱহাৰৰ প্ৰমাণ প্ৰত্ৰ দিব নোৱাৰাৰ বাবে ড'নাৰ মন্ত্ৰণালয়ৰ অধীনত ৰূপায়িত ৬৩৯টা প্ৰকল্প অসম্পূৰ্ণ হৈ আছে। এই মন্ত্ৰণালয়ৰ পৰা অহা ৪৫৬ কোটি পুঁজি ব্যয়ৰ হিচাপ অসম চৰকাৰে দিয়া নাই। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ ধন ব্যৱহাৰৰ প্ৰমাণ পত্ৰ দিব নোৱাৰাৰ আঁৰত আছে দুৰ্নীতি। দেশৰ অন্যান্য অঞ্চলতকৈ বহু পিছ পৰি থকা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে কেন্দ্ৰই যথেষ্ট ধন দিয়া নাই। আনহাতে, যিখিনি ধন দিছে, সেইখিনিও সদ্ব্যৱহাৰ কৰাত ব্যৰ্থ হৈছে অসমকে ধৰি উত্তৰ-পূবৰ কে'বাখনো ৰাজ্য চৰকাৰ। অৱশ্যে পুলিচ আধুনিকীকৰণৰ বাবে অহা ধন ব্যৱহাৰৰ হিচাপ দি ২০১৯-২০ বিত্তীয় বছৰটোত মিজোৰাম, হিমাচল প্ৰদেশ আৰু কেৰালাই সৰ্বাধিক ধন লাভ কৰিবলৈ সক্ষম হৈছে।

গতিকে আঁচনি ঘোষণা কৰিলেই নহয়, তাৰ সফল ৰূপায়ণহে আচল কথা। ডবল ইঞ্জিনৰ চৰকাৰ বুলি গৰ্ব কৰি সবকা সাথ সবকা বিকাশ সবকা বিশ্বাস সবকা প্ৰয়াসৰ কথা ক'লেও এই চৰকাৰে বিকাশৰ বাছখনত মুছলমানসকলক সাথ লৈ যোৱা নাই, সেয়া আমি দেখিয়েই আহিছো। মুছলমানসকলক খিলঞ্জীয়া আৰু অখিলঞ্জীয়াত ভাগ কৰি খিলঞ্জীয়া মুছলমানসকলৰ স'তে আমাৰ কোনো সংঘাত নাই বুলি বিজেপি নেতা এগৰাকীয়ে কোৱা কথাই ইয়াকে প্ৰমাণ কৰিছে যে মুছলমানসকলৰ এভাগক সবকা সাথৰ গাড়ীখনত আহিবলৈ দিয়া নাই। বৰ্তমান খিলঞ্জীয়া শব্দটো মুছলমানক একাষৰীয়া কৰাৰ বাবেহে ব্যৱহাৰ হ'ব ধৰিছে।

গুজৰাটৰ বিধায়ক তথা দলিত নেতা জিগনেশ মেৱানীক প্ৰধানমন্ত্ৰীক টুইটাৰযোগে সমালোচনা কৰাৰ বাবে সুদূৰ গুজৰাটৰ পৰা অসমলৈ গ্ৰেপ্তাৰ কৰি আনি আদালতে জামিন দিয়াৰ পাছতো মহিলা পুলিচক অশালীন ব্যৱহাৰ কৰাৰ অভিযোগ তুলি পুলিচে পুনৰ গ্ৰেপ্তাৰ কৰি চৰকাৰৰ বাক্ স্বাধীনতা হৰণৰ প্ৰৱণতাকহে প্ৰতিপন্ন কৰিলে। বৰপেটা জিলা আদালতৰ ন্যায়াধীশজনে চৰকাৰক কৰা সমালোচনা এতিয়া সৰ্বত্ৰ অনুৰণিত হ'বলৈ ধৰিছে। শেহতীয়াভাৱে অসম চৰকাৰে বৰপেটা আদালতৰ মন্তব্যত বিব্ৰত হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাৰ পাছত বৰপেটা জিলা আদালতৰ মন্তব্য স্থগিত ৰাখিছে উচ্চ ন্যায়ালয়ে। সি যি কি নহওক, বৰ্তমান ন্যায়ালয়ে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ পৰিপ্ৰেক্ষিতত মেৱানী গোচৰত চৰকাৰে সকাহ পাব বুলি ক'ব নোৱাৰি। ভাৰতৰ মুখ্য ন্যায়াধীশ ৰামানাই প্ৰধানমন্ত্ৰীৰ সন্মুখতে চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি কৈছে যে এই চৰকাৰে আদালতৰ নিৰ্দেশক বুঢ়া আঙুলি দেখুৱাবলৈ লৈছে। ফলত আদালত অৱমাননাৰ গোচৰত আদালতসমূহ ভাৰাক্ৰান্ত হ'বলগীয়া হৈছে।


অহা ২০২৪ৰ নিৰ্বাচনী দামামা কোটিটকীয়া পয়োভৰেৰে বজালেও ওপৰত উল্লেখ কৰা প্ৰশ্নবোৰ উত্থাপিত হ'বই। মিছা সপোন দেখুৱাই আধাৰশিলাৰ ৰাজনীতিৰে মানুহক আমাৰ ৰাজনৈতিক নেতাসকলে কিমান দিনলৈ সন্মোহিত কৰি ৰাখিবলৈ সক্ষম হ'ব আমি নাজানো, কিন্তু য'ত নিম্ন চাপৰ সৃষ্টি হয়, তালৈ ধুমুহা এদিন আহিবই। সময়েহে মাথোঁ দিব ন্যায়। *ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

# পৰিয়ালতন্ত্ৰ পৰিহাৰ নকৰিলে কংগ্ৰেছৰ পুনৰুত্থান অসম্ভৱ

**গান্ধী পৰিয়ালক আগুৰি থকা ক্ষমতালোভী, চাটুকাৰ নেতাসকলৰ বেছিভাগৰেই কোনো গণভিত্তি নাই। ফলত লোকসভাৰ নিৰ্বাচন খেলিবলৈ তেওঁলোকৰ সাহ নাই, নাইবা খেলিলেও শোচনীয়ভাৱে পৰাজয়বৰণ কৰি পিছদুৱাৰেদি অৰ্থাৎ ৰাজ্যসভাৰ যোগেদি সংসদত পদাৰ্পণ কৰিছে**



**পৰ্যালোচনা**



**আশীষ মজুমদাৰ**

**শতিকা** পুৰণি কংগ্ৰেছ দলটোৰ এতিয়া ৰাহুৰ দশা চলি আছে। প্ৰতিটো ৰাজনৈতিক দলৰে উত্থান আৰু পতন থাকে। কিন্তু ২০১৪ৰ লোকসভাৰ নিৰ্বাচনৰ পাছৰে পৰা নিৰৱচ্ছিন্নভাৱে কংগ্ৰেছৰ যি পতন আৰম্ভ হৈছে সি এতিয়াও অব্যাহত আছে। বিগত আঠ বছৰত কেৱল ৰাজস্থান, পাঞ্জাৱ, মধ্য প্ৰদেশ আৰু ছত্তিশগড়ৰ বিধানসভাৰ নিৰ্বাচনত দলটোৱে সফলতাৰ মুখ দেখিছিল যদিও মধ্য প্ৰদেশত বেছিদিন ক্ষমতা ধৰি ৰাখিব নোৱাৰিলে। যুৱ আৰু প্ৰতিভাৱান যুৱনেতা জ্যোতিৰাদিত্য সিন্ধিয়াক গান্ধী পৰিয়ালে অৱহেলা কৰা প্ৰতিফল পাবলৈ বেছিপৰ নালাগিল। নিজৰ একাংশ অনুগামীসহ জ্যোতিৰাদিত্যই বিজেপিত যোগদান কৰাৰ লগে লগে কমলনাথ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ পতন ঘটিল। ৰাজস্থানতো বৰ্ষীয়ান অশোক গেহলটৰ চৰকাৰখন যাওঁ যাওঁ হৈছিলেই, পাছত যেনিবা ৰাহুল-প্ৰিয়াংকাই বহু বুজনি দি বিদ্ৰোহী যুৱ নেতা শচীন পাইলটক কোনোমতে উপ-মুখ্যমন্ত্ৰিত্বৰ টোপ দি সৈমান কৰাবলৈ সক্ষম হ'ল; কিন্তু গেহলট চৰকাৰ এতিয়াও নিষ্কণ্টক বুলি ক'ব নোৱাৰি। অহা বছৰ হ'বলগীয়া বিধানসভাৰ নিৰ্বাচনত বিসম্বাদেৰে ভাৰাক্ৰান্ত কংগ্ৰেছ চৰকাৰ পুনৰ ক্ষমতালৈ অহাৰ আশা ক্ষীণ।

২০১৭ত পাঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে কেপ্তেইন অমৰিন্দৰ সিঙৰ নেতৃত্বত প্ৰত্যয়পূৰ্ণ বিজয় সাব্যস্ত কৰিছিল। অমৰিন্দৰ সিঙে একক প্ৰচেষ্টাৰে অকালি-বিজেপিৰ চৰকাৰ ওফৰাই কংগ্ৰেছক বিপুল সংখ্যাগৰিষ্ঠতাৰে ক্ষমতাসীন কৰিছিল। অমৰিন্দৰ সিঙৰ এটাই দোষ আছিল যে তেওঁ আন কংগ্ৰেছী নেতাৰ দৰে গান্ধী পৰিয়ালৰ বশম্বদ নাছিল। হয় হুজুৰ মাৰ্কা চৰিত্ৰৰ নোহোৱা বাবেই অমৰিন্দৰ কেতিয়াও গান্ধী পৰিয়ালৰ প্ৰিয়পাত্ৰ নাছিল। বহুবল্কী তথা চেলেপু চৰিত্ৰৰ নৱজোৎ সিদ্ধুক পাঞ্জাৱ কংগ্ৰেছৰ সভাপতি পাতি গান্ধী পৰিয়ালে প্ৰথম ডাঙৰ ভুলটো কৰিছিল। নৱজোতৰ প্ৰৰোচনাত পৰি গান্ধী পৰিয়ালে প্ৰৱল গণভিত্তি থকা অমৰিন্দৰ সিঙক অপসাৰণ কৰি কংগ্ৰেছৰ কবৰ খান্দিছিল। তাৰ পিছত চৰণজিৎ সিঙৰ দৰে গণভিত্তিহীন নেতাক পুতলা মুখ্যমন্ত্ৰী পাতি কংগ্ৰেছৰ কফিনত শেষ গজালটো মাৰিলে। গান্ধী পৰিয়ালৰ এই বহুৱালি পাঞ্জাৱী জনতাই সহ্য নকৰিলে আৰু ফলত শেহতীয়া বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ ভেটি উছন হ'ল। মুখ্যমন্ত্ৰী হ'ম বুলি আশা পালি থকা নৱজোৎ সিং নিজেতো গেহাৰণ হাৰিলেই, পুতলা মুখ্যমন্ত্ৰী চৰণজিৎ সিঙেও দুটাকৈ সমষ্টিত মুখথেকেচা খালে। শক্তিশালী নেতাক আওকাণ কৰি গান্ধী পৰিয়ালৰ বশম্বদ নেতাক প্ৰাধান্য দিয়াৰ ফলতেই দেশ জুৰি কংগ্ৰেছৰ ভেটি উছন হ'ব ধৰিছে।

উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে সৰ্বশক্তিৰে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। মহিলা ভোটাৰক আকৰ্ষিত কৰিবলৈ 'লড়কী হুঁ লড় ছকতি হুঁ' শ্ল'গানেৰে ৰাইজক চমক দিবলৈ চেষ্টা কৰিছিল। প্ৰিয়ংকাই নিজে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথতকৈ বেছি জনসভা আৰু ৰেলীত ভাগ লৈছিল; কিন্তু নিৰ্বাচনত কংগ্ৰেছ দলে ইতিহাসৰ নিকৃষ্টতম ফলাফল প্ৰদৰ্শন কৰিলে। ৩৯৯ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি দলটোৱে ৩৮৭ খন আসনতেই আমানতৰ ধন হেৰুৱালে। ৪০৩ জনীয়া বিধানসভাত মাথোঁ আঢ়ৈ শতাংশ ভোট লাভ কৰি দুখন আসনহে লাভ কৰিবলৈ সক্ষম হ'ল।

এটা সময় আছিল যেতিয়া গান্ধী পৰিয়ালেই কংগ্ৰেছক একগোট কৰি ৰাখিছিল। গান্ধী পৰিয়ালৰ প্ৰভাৱ নিষ্কণ্টক কৰি ৰাখিবলৈ কোনো শক্তিশালী নেতাক বেছি ওপৰলৈ উঠিবলৈ দিয়া নহৈছিল। ফলত আত্মসন্মানবোধ তথা গণভিত্তি থকা শাৰদ পাৱাৰ, মমতা বেনাৰ্জী, পূৰ্ণ চাংমা (প্ৰয়াত), জগমোহন ৰেড্ডী আদি নেতাসকলে কংগ্ৰেছ ত্যাগ কৰি সুকীয়া দল খুলি প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। সাম্প্ৰতিক অতীতত অসমৰ হিমন্ত বিশ্ব শৰ্মা, জ্যোতিৰাদিত্য সিন্ধিয়া, জগমোহনৰ দৰে প্ৰতিভাবান যুৱনেতা সকলৰ জনপ্ৰিয়তাত শংকিত হৈ ৰাহুল গান্ধীয়ে তেওঁলোকক দলত একাষৰীয়া কৰিবলৈ চেষ্টা কৰা বাবে তেওঁলোকে কংগ্ৰেছ বৰ্জন কৰি এতিয়া ৰাজনৈতিকভাৱে সুপ্ৰতিষ্ঠিত। গান্ধী পৰিয়ালক আগুৰি থকা ক্ষমতালোভী, চাটুকাৰ নেতাসকলৰ বেছিভাগৰেই কোনো গণভিত্তি নাই। ফলত লোকসভাৰ নিৰ্বাচন খেলিবলৈ তেওঁলোকৰ সাহ নাই, নাইবা খেলিলেও শোচনীয়ভাৱে পৰাজয়বৰণ কৰি পিছদুৱাৰেদি অৰ্থাৎ ৰাজ্যসভাৰ যোগেদি সংসদত পদাৰ্পণ কৰিছে। গান্ধী পৰিয়ালৰ পৰামৰ্শদাতাৰূপে জনাজাত এই চাটুকাৰবৃন্দৰ অন্যতম হ'ল কপিল ছিবাল, অম্বিকা ছোনী, আহমদ পেটেল (প্ৰয়াত), গুলাম নবী আজাদ, মনীষ তিৱাৰী, মনিশংকৰ আয়াৰ, আনন্দ শৰ্মা আদি। বিজেপিৰ আগ্ৰাসী ৰাজনীতিত কংগ্ৰেছৰ অস্তিত্ব বিপন্ন হোৱা দেখি এতিয়া এই বয়োজ্যেষ্ঠ নেতাসকলেও নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ কংগ্ৰেছৰ নেতৃত্বৰ পৰিৱৰ্তন বিচাৰিছে। ৰাজনৈতিক মহলত এই বয়োবৃদ্ধ নেতাসকলক জি-২৩ বুলি অভিহিত কৰা হয়। একেলগে ২৩ গৰাকীকৈ নেতাৰ বিসম্বাদ দেখি গান্ধী পৰিয়ালেও তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ সাহ গোটাব পৰা নাই। ক্ষেপে ক্ষেপে দুই-তিনিজনকৈ নেতাক সাক্ষাৎ কৰি ক্ষোভ প্ৰশমনৰ চেষ্টা চলোৱা দেখা গৈছে। অলপতে কংগ্ৰেছক পুনৰ উজ্জীৱিত কৰিবলৈ বিখ্যাত ৰাজনৈতিক পৰ্যবেক্ষক প্ৰশান্ত কিশোৰক দায়িত্ব দিয়া হৈছিল। প্ৰশান্ত কিশোৰে তেওঁৰ পৰামৰ্শাৱলীত গান্ধী পৰিয়ালক নেতৃত্ব ত্যাগ কৰি নতুন তেজক নেতৃত্ব দিয়াৰ কথা উল্লেখ কৰিছিল। গান্ধী পৰিয়ালে সেই পৰামৰ্শাৱলী পোনচাটে নাকচ কৰে। অৰ্থাৎ কংগ্ৰেছ দলটো লাগিলে নি:শেষ হৈ যাওক, গান্ধী পৰিয়ালে নেতৃত্ব ত্যাগ কৰিবলৈ মান্তি নহয়।

অসমত হিমন্তই বিসম্বাদ আৰম্ভ কৰাৰে পৰাই কংগ্ৰেছৰ দুৰ্দিন আৰম্ভ হৈছিল। বাংলাদেশীৰ ৰক্ষক বুলি পৰিচিত দলটোৱে যোৱা বিধানসভাৰ নিৰ্বাচনত এআইইউডিএফৰে মিত্ৰতা কৰাৰ লগে লগে খিলঞ্জীয়া ৰাইজে কংগ্ৰেছক সম্পূৰ্ণৰূপে বৰ্জন কৰিলে। কংগ্ৰেছ কেৱল মুছলমান আৰু বাংলাদেশীৰ দল বুলি বিজেপিয়ে কৰি থকা প্ৰচাৰ সাৰ্থক প্ৰতিপন্ন হ'ল। বিভিন্ন লবী বা উপদলত বিভক্ত অসম কংগ্ৰেছৰ অস্তিত্ব এতিয়া সচাঁকৈ বিপন্ন। যি কেইজন হিন্দু বিধায়ক বা নেতা এতিয়াও কংগ্ৰেছত আছে তেওঁলোকে নিজৰ সমষ্টিৰ জনগাঁথনি অনুকূল নোহোৱা বাবেহে বিজেপিলৈ আহিবলৈ সাহ গোটাব পৰা নাই। অকল হিন্দু বিধায়কেই নহয়, কিছুমান সংখ্যালঘু নেতা-বিধায়কেও ডুৱন্ত নাৱত থাকিব খোজা নাই। তেওঁলোকৰ কেতবোৰে পোনপটীয়াকৈ বিজেপিলৈ আহিব নোৱাৰিলেও অগপৰ যোগেদি শাসকীয় গোটত চামিল হ'ব পাৰি নেকি এই বিষয়ে গুণা-গঁথা চলাই থকা বুলি বাতৰি ওলাইছে। কংগ্ৰেছ অদূৰ ভৱিষ্যতে পুনৰ ঠন ধৰি উঠিব পাৰিব বুলি ঘোৰ কংগ্ৰেছী সমৰ্থকেও বিশ্বাস কৰিবলৈ এৰি দিছে।

ইমানৰ পাছতো গান্ধী পৰিয়ালে নেতৃত্ব খামোচ মাৰি থকাটো আশ্চৰ্যজনক। দেশৰ ৰাজনীতিত পৰিয়ালতন্ত্ৰ অচল টকাত পৰিণত হৈছে, এই কথাটো তেওঁলোকে বুজিব পাৰিছেনে বুজিও নুবুজাৰ ভাও জুৰিছে সেইটোহে জনা নাযায়। ছোনিয়া গান্ধীক কংগ্ৰেছৰ সভানেত্ৰী পাতিবলৈ ১৯৯৮ত দলৰ তদানীন্তন সভাপতি বৰ্ষীয়ান সীতাৰাম কেশৰীক কিদৰে দাংকোলা কৰি সভাগৃহৰ বাহিৰলৈ উলিয়াই দিয়া হৈছিল সেই দৃশ্য এতিয়াও বহুতে পাহৰা নাই। ইতিহাসৰ পুনৰাবৃত্তি হয়— এই আপ্ত বাক্যষাৰি গান্ধী পৰিয়ালে মনত ৰখা উচিত। দলৰ স্বাৰ্থত, দেশৰ স্বাৰ্থত সসন্মানে নেতৃত্ব ত্যাগ কৰি দলৰ বাঘজৰী যোগ্যজনৰ হাতত তুলি দিয়াটো সময়ৰ আহ্বান। কংগ্ৰেছৰ ধ্বংসমুখী যাত্ৰা অব্যাহত থাকিলেও এতিয়াও বিজেপিৰ বিকল্প হৈ উঠাৰ ক্ষমতা কংগ্ৰেছৰ বাহিৰে আন কোনো সৰ্বভাৰতীয় দলৰ নাই। প্ৰকৃতাৰ্থত বিজেপি আৰু কংগ্ৰেছৰ বাহিৰে দেশত সৰ্বভাৰতীয় দল নাই বুলিব পাৰি। নামত সৰ্বভাৰতীয় হ'লেও সেইবোৰ দৰাচলতে আঞ্চলিক দলহে। এতিয়া গান্ধী পৰিয়ালেই থিৰাং কৰিব লাগিব দেশৰ ৰাজনৈতিক ক্ষমতা বিজেপিৰ হাতত অনিৰ্দিষ্ট কালৰ বাবে অৰ্পণ কৰিব নে দেশৰ স্বাৰ্থত শতিকা পুৰণি দলটোক পৰিয়ালমুক্ত কৰি পুনৰ উজ্জীৱিত কৰিবলৈ প্ৰয়াস কৰিব। সুস্থ সবল গণতন্ত্ৰৰ বাবে শক্তিশালী বিৰোধী দল থকাতো অতি প্ৰয়োজনীয়। বল এতিয়া গান্ধী পৰিয়ালৰ কোৰ্টত। *ফোন ঃ ৭০০২২৫১১৬৬*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ মে' বুধবাৰ, ২০২২ পৃষ্ঠা ৫



পদব্ৰজে ভ্ৰমণ কৰিয়েই গান্ধীজীয়ে দেশবাসীৰ বুজ লৈছিল

# গান্ধীজীৰ ভাৰত-দৰ্শন আৰু আমাৰ চিন্তন

আমাৰ দেশৰ সৰুবৰ সকলো স্বাধীনতা সংগ্ৰামীয়ে নেতাসকলৰ নিৰ্দেশৰ বাব সদায় অপেক্ষা কৰিছিল। কেতিয়াবা ভুল বুজাবুজিৰ বাবে কোনো কোনো লোক পথৰ পৰা পিছলি পৰিছিল, কিন্তু পাছত পুনৰ সংগ্ৰামলৈ ঘূৰি আহিছিল। ইমান এটা ডাঙৰ সংগ্ৰামত সেয়া হোৱাটো তেনেই স্বাভাৱিক আছিল।



অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

**স্বাধীনতা** লাভৰ আগতে এই বিশাল দেশখনক জানিবৰ বাবে মহাত্মা গান্ধীয়ে এটা সময়ত সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল। তেওঁৰ সময়ৰ ভাৰতবৰ্ষ আজিৰ দৰে নানান সা-সুবিধাৰে 'আধুনিক' নাছিল, শিক্ষা-দীক্ষা, যাতায়াত ব্যৱস্থা, চিকিৎসালয়, আনকি কৃষি ব্যৱস্থাও আজিৰ দৰে উন্নতমানৰ নাছিল। খোৱাপানী টুপি নাগৰিকে কেনেকৈ খাইছিল, সেই কথা ভাবিলে বিস্ময়ত হতবাক হ'ব লাগে। অসম, বংগৰ মানুহে নৈ, নলা, ১০-১২ ফুট দকৈ খান্দি লোৱা কেঁচা নাদ-বাঁহেৰে সাজি লোৱা ঘেৰা দিয়া-য'ত সাপ-বেং, বিধ বিধ প্ৰজাতিৰ গেলা কেঁচু মৰি পৰি থাকে, বাৰিষাৰ বানৰ ঘোলা পানী, আনকি বৰষুণৰ পানী খোৱাৰ বাদে জনসাধাৰণৰ অন্য উপায় নাছিল। আজিৰ দৰে তেতিয়া পকী শৌচাগাৰ নাছিল, মানুহে তেতিয়াৰ দিনত পুৱা-গধূলি 'মুকলি ফুৰিব'লৈহে গৈছিল। দিল্লীৰ ফালে শৌচাগাৰৰ সলনি, যেনে লক্ষ্মীনগৰত এতিয়াও, একবিংশ শতিকাতো খোলা 'ময়দান' আছে, তাতে পুৰুষ-তিৰোতাই ঘটি লৈ প্ৰাতঃকৰ্ম সমাপন কৰাৰ সময়ত বহি থকাটো কিমান দৃষ্টিকটু সেই কথা ভাবিবই নোৱাৰি। সমগ্ৰ দেশত এতিয়াও অজস্ৰ এনে ঠাই আছে, য'ত পুৰুষ-মহিলাই প্ৰাতঃকৰ্ম পুৱা-গধূলি একেখন ঠাইতে কৰে। এবাৰ কলকাতাৰ সালকিয়াৰ এজন বন্ধুৰ ঘৰত শৌচাগাৰ দেখি হতবাক হৈছিলো, বাথৰুমৰ পৰা পানী যোৱা নলাৰে ৰাজহুৱা খোলা-নৰ্দমাত গৈ মল-মূত্ৰ পৰাৰ ব্যৱস্থা দেখি। সেইদৰে আন এবাৰ উত্তৰ প্ৰদেশৰ একালৰ শস্যৰ ভড়ালৰূপে খ্যাত ডনকৌৰ এজন সহকৰ্মীৰ ঘৰত নিশাটো কটাই পুৱা বাহিৰলৈ গৈ তাৰ ব্যৱস্থাটো দেখি আমাৰ দেশখনৰ সভ্যতাৰ আন এক নিদৰ্শন পালো। তাত ঘৰৰ ওপৰ মহলাৰ পৰা তলৰ খোলা ঠাইত মল-মূত্ৰ পৰাৰ ব্যৱস্থা কৰা আছিল। চাৰিওফালে অসংখ্য ঘৰ, মাজতে থকা খোলা স্থানত সকলোৰে সেই একেই ব্যৱস্থা কৰি লৈছে। অৰুণাচলত যে চাংঘৰৰ পাছফালৰ বিশেষ এডোখৰ ঠাইৰ পৰা মল-মূত্ৰ ত্যাগ কৰে, তাতোতকৈ বেয়া ব্যৱস্থা। কিয়নো অৰুণাচলত চাংঘৰৰ তলত অনবৰতে গাহৰিয়ে সেইবোৰৰ চাফা কৰিবলৈ সাজু হৈ থাকে। এনে কথা কৈ থাকিলে আৰু বহুত ওলাব। কেঁচু খান্দোতে সাপো ওলাবগৈ পাৰে। গতিকে সেই কথা ইমানতে থাকক।

গান্ধীজীয়ে সেইখন দেশৰ জনসাধাৰণক জানিবৰ বাবে দেশৰ এমূৰৰ পৰা আনটো মূৰলৈ ঘূৰি ফুৰিছিল। যিখন দেশক কালিলৈকে অভাৱ-অনাটন- দৰিদ্ৰতাই উশাহ ল'ব নোৱাৰাকৈ গ্ৰাস কৰি ৰাখিছিল, সেই ভয়ানক ৰূপে গান্ধীজীৰ হৃদয় জোকাৰি গৈছিল। ৰোগ-মহামাৰীয়ে হেজাৰৰ লেখত নহয়, লাখৰ হিচাপত ইয়াত মানুহ মাৰিছিল। ৰজা-মহাৰজা বা দেশবাসীয়ে অসহায়ভাৱে সেইবোৰ চকুৰ আগতে চাই আছিল। তেতিয়া কিয়, ৱিগত দুটা বছৰে ক'ভিড-১৯এ আমাৰ দেশৰ ডাক্তৰ-নাৰ্ছ বা স্বাস্থ্যকৰ্মীৰ নিৰন্তৰ চিকিৎসা ব্যৱস্থাৰ পাছতো বীৰদৰ্পে লাখ লাখ মানুহৰ জীৱন ল'লে। এইবোৰ কোনো গল্পৰ কাহিনী নহয়, একোখন জীৱন্ত বাস্তৱ ছৱি। গতিকে গান্ধীজীৰ দিনৰ অৱস্থাটো সহজেই অনুমেয়। গাত মাত্ৰ এডোখৰ বস্ত্ৰ থকা, কেতিয়াবা তাকো নথকা, লক্ষ লক্ষ মানুহৰ ছৱিখন আমিও পাহৰা নাই। আগতে অসমলৈ অহা নুনীয়াসকলে যেতিয়া গা ধুই ধুতিখনৰ এটা আগ চেপি তাকে পিন্ধি, আনটো আগ ৰ'দত শুকাবলৈ এখন হাতেৰে মেলি থকাটো কিমান হৃদয় বিদাৰক আছিল, সেই কথা নেদেখা মানুহে কল্পনা কৰি বুজিব নোৱাৰে। সেই ধৰণৰ শ্ৰমিকক ঠগি কামৰ অন্তত 'দেচ'লৈ যেতিয়া চৰ্দাৰ পলাই যায়, তেওঁলোকৰ কি অৱস্থা হয়, এবাৰ ভাবকচোন। চাৰিবৰ্ণৰ মানুহৰ ভেদাভেদ, উচ্চ-নীচৰ জঘন্যতম ছৱিখন আগতে কিয় এতিয়াও ঠায়ে ঠায়ে বিৰাজমান । আমাৰ উত্তৰ- পূবৰ মানুহবোৰ অনগ্ৰসৰ যদিও সেই নিকৃষ্টতম ব্যৱস্থা এতিয়া প্ৰায় নোহোৱাৰ দৰে হৈছে। সামান্য এমুঠি মানুহেহে তেনে নিয়মৰ পৃষ্ঠপোষকতা কৰে। জাত-পাতৰ নিয়মৰ কথা কৈ সঘনাই মানুহৰ অন্তৰত ঘৃণা জাগ্ৰত কৰা একবিংশ শতিকাৰ যিবোৰ মানুহ আছে, সেইবোৰৰ অন্তৰ কলুষ-কালিমাৰে পৰিপূৰ্ণ হৈ আছে। তেওঁলোকে পাহৰি থাকিব খোজে, আনকো ভুল কথা শিকাব খোজে, আমাৰ অতীতৰ সমাজ ব্যৱস্থা, কোটি কোটি আৰ্য-অনাৰ্যৰ মিলন ক্ষেত্ৰ ভাৰতবৰ্ষৰ কথা। সকলো জাতৰ মানুহৰ মিলনে সেই শ্ৰেণী মানুহৰ নিদ্ৰা হৰণ কৰে, কাৰণ তেনে কামে তেওঁলোকৰ সান্দহ খোৱা বালি তল নিয়াব খোজে। মহাত্মাই সেইবোৰ নোহোৱা কৰি বিশাল তথা উন্নত ভাৰতৰ সপোন দেখিছিল। সমাজৰ আটাইতকৈ দৰিদ্ৰ তথা অৱহেলিত শ্ৰেণীটোক তেওঁ হৰিজন- ঈশ্বৰৰ সন্তান বুলি অভিহিত কৰিছিল। সমাজৰ সকলো শ্ৰেণীৰ মানুহক লগত লৈ মহাত্মা গান্ধীয়ে যি সংগ্ৰাম কৰিছিল তাত দেশবাসীৰ পূৰ্ণ সমৰ্থন আছিল। মতানৈক্য হোৱাৰ বেলা তেওঁ নিজকে সংযত কৰিছিল। আজি তেওঁৰ ঘোৰ বিৰুদ্ধাচাৰণ কৰাসকলে গান্ধীজী বা দেশৰ সংগ্ৰামত নিজকে জড়িত কৰা নাছিল। তেওঁলোকে কিয় তেনে কৰিছিল, নিজকে সোধক। ভুলে-শুদ্ধইহে মানুহ! কেৱল ভুলকে কৰা হ'লে ব্ৰিটিছ সাম্ৰাজ্যই তেওঁৰ লগত বাৰে বাৰে আলোচনাত নবহি নিজস্ব নিয়মত গান্ধীক পোতাশালত ভৰাই থ'ব পাৰিলেহেঁতেন। সেই কামটো তেওঁলোকে ইচ্ছা থকা সত্ত্বেও কৰিব নোৱাৰিছিল। ইতিহাসত সেইবোৰ কথা লিপিবদ্ধ হৈ আছে। সমগ্ৰ জীৱনটো সংগ্ৰামতে নিৰিষ্ট থকাৰ পাছতো আজিৰ তথাকথিত দেশপ্ৰেমিক, দেশৰ বাবে সামান্যতমো অৰিহণা নথকা মানুহে মহাত্মাৰ অকণিকে গুণ দেখা নাপায়। যি সময়ত বিশ্ব তেওঁৰ গুণৰ বন্দনাৰে ধন্য হৈছে, সেই সময়ত নিজৰ দেশতে তেওঁক অপদস্থ কৰিবলৈ ওলোৱাটো কেতিয়াও সুখকৰ কথা হ'ব নোৱাৰে। মহাত্মা গান্ধী কিয় দেশৰ তেনেই তৃণমূল পৰ্যায়ৰ স্বাধীনতা সংগ্ৰামীকো আমি শ্ৰদ্ধা প্ৰদৰ্শন কৰা উচিত। অজস্ৰ দেশবাসীয়ে স্বাধীনতা সংগ্ৰামত ননমা হ'লে, দেশ স্বাধীন হোৱাটো আৰু অধিক কঠিন হ'লহেঁতেন। গান্ধীজীয়ে সেই কথা বুজিছিল, সেয়েহে দেশখনক তেওঁ বুজিবলৈ নিৰন্তৰ চেষ্টা কৰিছিল। গান্ধীজীক এপইচাও মূল্য দিব নোখোজাবোৰৰ নিজৰ নিজৰ চৰিত্ৰ একোবাৰ বিশ্লেষণ কৰি চোৱাৰ প্ৰয়াস কৰক। 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম' বুলি শিকালেইতো নহ'ব, তাক বাস্তৱ জীৱনত নিজেও মানিব লাগিব।

স্বাধীনতাৰ সংগ্ৰাম কোনো সুখকৰ হ্ৰস্ব-কালৰ সংগ্ৰাম নাছিল। এই সংগ্ৰামত দেশৰ প্ৰায় সকলো মানুহ জড়িত হৈ পৰিছিল। সেই সংগ্ৰামৰ মৰ্মবেদনা জানিবলৈ কেৱল অসমৰ মানুহৰ কথাকে ধৰকচোন। ইয়াত কোন সংগ্ৰামত জড়িত নাছিল? ইয়াত সকলো জাতি-জনজাতিকে স্বাধীনতাৰ সংগ্ৰামে সমানে আকৃষ্ট কৰিছিল, সেয়েহে সকলো গোষ্ঠীৰে সন্তান ছহিদ হৈছিল। অসমৰ ইতিহাস পঢ়কচোন, সত্যটো উদঘাটন কৰা হৈ উঠিব। নৰমপন্থী, চৰমপন্থী দুয়োটা পন্থাৰে মানুহ এই সংগ্ৰামত জড়িত হৈ আছিল। উভয় পন্থীয়েই স্বদেশপ্ৰেমৰ বাবে জীৱনক তুচ্ছ জ্ঞান কৰি কৰ্মক্ষেত্ৰত জঁপিয়াই পৰিছিল। পথ সুকীয়া হ'লেও লক্ষ্যস্থান কিন্তু একেই আছিল। স্বাধীনতাৰ সংগ্ৰাম সেই একে ধাৰাৰে আছিল, গান্ধীও আছিল, বসুও আছিল। আদৰ্শগত পাৰ্থক্য থাকিলেও কোনো কাৰো পথৰ হেঙাৰ নাছিল। প্ৰত্যেকে নিজ পথেৰে লক্ষ্যস্থানলৈ ধাৱমান হৈছিল।

আমাৰ দেশৰ সৰু-বৰ সকলো স্বাধীনতা সংগ্ৰামীয়ে নেতাসকলৰ নিৰ্দেশৰ বাব সদায় অপেক্ষা কৰিছিল। কেতিয়াবা ভুল বুজাবুজিৰ বাবে কোনো কোনো লোক পথৰ পৰা পিছলি পৰিছিল, কিন্তু পাছত পুনৰ সংগ্ৰামলৈ ঘূৰি আহিছিল। ইমান এটা ডাঙৰ সংগ্ৰামত সেয়া হোৱাটো তেনেই স্বাভাৱিক। আমাৰ নেতা কেৱল মহাত্মা গান্ধী নাছিল আৰু অজস্ৰজন আছিল। তেওঁলোক সকলোৰে মিলিজুলি সংগ্ৰাম আগুৱাই নিছিল। তেওঁলোক কোনো অৱিবেচক বা মূৰ্খ নাছিল।

স্বাধীনতা সংগ্ৰামৰ সময়ত ক্ষমতাই দুই-চাৰিজনৰ বাদে আন সকলোকে লালায়িত কৰা নাছিল। ইতিহাস সেইবোৰ কথাৰ সাক্ষী হৈ আছে। সূৰ্য অস্ত-নোযোৱা ব্ৰিটিছ সাম্ৰাজ্যক দেশৰ পৰা উৎখাত কৰাটো ভাতৰ লগত পানী খোৱাৰ দৰে সহজ ঘটনা নাছিল, সেই কথাটো প্ৰতিজন ভাৰতীয় হৈ বুজা উচিত। স্বাধীনতাৰ পূৰ্বে আমাৰ দেশত থকা ৫৫৫খন ৰাজ্য স্বাধীনতাৰ পাছত এক হৈ আমি সকলোৰে আজি এখন বিশাল তথা শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণ কৰি লৈছো, ইয়াৰ সুৰক্ষাৰ ভাৰ আমাৰ সকলোৰে। ইমান বিশাল দেশখন অকলে কোনেও ৰক্ষা কৰিব নোৱাৰে, গতিকে সকলোকে পৰম বিশ্বাসত লৈ আমি নিজৰ কৰ্তব্য সম্পাদন কৰিব লাগিব।

তাকে নকৰি দেশৰ কোনো এশ্ৰেণী মানুহক অবিশ্বাসত লৈ দেশ ৰক্ষা কৰাটো সম্ভৱ নহয়। তাতোকৈ ডাঙৰ কথা হ'ল, দেশৰ কোনো একশ্ৰেণী মানুহকে অনাদৰ-অৱহেলা কৰা উচিত নহয়, তেনে কৰিলে অজস্ৰ ঘৰ বিভীষণৰ জন্ম হ'ব পাৰে। বিভীষণ লংকাৰে হওক বা ভাৰতৰে হওক, সি দেশৰ সৰ্বনাশ মাতি আনিব পাৰে, গতিকে

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*



# এখন বেনাৰ-প'ষ্টাৰবিহীন মহানগৰী বিচাৰো

**স্মাৰ্ট** চিটিৰ দিশে আগবাঢ়িছে গুৱাহাটী মহানগৰী। উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক সিংহদ্বাৰৰূপে পৰিচিত গুৱাহাটী মহানগৰীৰ পৰিসৰ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। সমান্তৰালভাৱে বাঢ়িছে জনসংখ্যাও। ব্যৱসায়-বাণিজ্যৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, সভা-সমিতি আদিৰ সংখ্যাও বৃদ্ধি পাইছে। পিছে মানুহৰ মনবোৰ সলনি হোৱা নাই। ৰাজহুৱা স্থান যে পৰিষ্কাৰ কৰি ৰখাটো সকলোৰে কৰ্তব্য সেই বিষয়ে বহুতেই ভাবি নাচায়। কেৱল নিজৰ ঘৰৰ চৌহদ আৰু ঘৰটো পৰিষ্কাৰ কৰি ৰখাটোতে কৰ্তব্য সীমিত বুলি ভাবে। ৰাজহুৱা সম্পত্তি যে সকলোৰে আৰু সেয়া নষ্ট, ধ্বংস অথবা লেতেৰা হ'লে যে নিজৰো ক্ষতি সাধন হয় সেই বিষয়ে ভাবিব পৰা লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। আমি সকলোৰে শিক্ষিত আৰু সু-সভ্য বুলি দাবী কৰিলেও প্ৰকৃততে কিমান ব্যৱহাৰিক শিক্ষা লাভ কৰিছোঁ সেয়া ৰাজহুৱা সম্পত্তিৰ ক্ষেত্ৰত ফুটি উঠা ছবিয়ে দাঙি ধৰিছে। মহানগৰীৰ বাসিন্দাসকলে বিভিন্ন ধৰণৰ সমস্যাক লৈ প্ৰতিবাদমুখৰ হৈছে। সকলোৱে মহানগৰখনক পৰিষ্কাৰ আৰু সুন্দৰ কৰি ৰাখিবলৈ শ্ল'গান দিয়ে। এইক্ষেত্ৰত সজাগতা সভা, বাটৰ নাট আদিও সঘনাই অনুষ্ঠিত হৈ আহিছে। পিছে এনেধৰণৰ সজাগতাৰ বাবে যিবোৰ প'ষ্টাৰ, বেনাৰ আদি আঁৰি দিয়া হয় সেইবোৰ পথৰ দাঁতিত পেলোৱাৰ লগতে বিভিন্ন স্থানত বহু দিনলৈকে ওলমি থাকে। ৰ'দ-বতাহ, বৰষুণত এইবোৰত দাগ বান্ধি ফাটি-ছিটি যায়। এইবোৰৰ বাবে কাৰোৱেই ভ্ৰূক্ষেপ নাই। এনেধৰণৰ বেনাৰ, প'ষ্টাৰৰ তলেৰেই আয়োজকসকলেও অহা-যোৱা কৰে। কিছুমানে আকৌ এইবোৰ দীৰ্ঘদিন ধৰি ওলমি থকা দেখি আনৰ আগত উল্লেখ কৰি গৌৰৱবোধহে কৰে। লাজ পাব লগা কাৰ্যত আকৌ গৌৰৱ কৰাটোৰ মানসিকতা কেনেকুৱা হ'ব পাৰে সেয়া সহজেই অনুমেয়।

অনুষ্ঠান-প্ৰতিষ্ঠানৰ সভা-সমিতি তথা বিভিন্ন কাৰ্যৰ বাবে বেনাৰ-প'ষ্টাৰ আদি আঁৰিব লাগিবই। পিছে তাৰ অৰ্থ এইটো নহয় যে অনুষ্ঠানটো শেষ হোৱাৰ পাছতো সেয়া দীৰ্ঘদিন ধৰি দৃষ্টিকটুভাৱে ওলমি থাকিবই। আঁতৰাই পেলাবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষই জাননী জাৰি কৰিব লাগে। তদুপৰি যিসকলে এনেধৰণৰ নিৰ্দেশ অমান্য কৰে তেওঁলোকৰ বিৰুদ্ধে প্ৰশাসন কঠোৰ হ'লেও এনে মানসিকতাৰ পৰিৱৰ্তন কৰাটো সম্ভৱ হ'ব। তদুপৰি মহানগৰখনো পৰিষ্কাৰ আৰু আকৰ্ষণীয় হৈ থাকিব।



গোপাল জালান

চৰকাৰ বা প্ৰশাসন তথা জি এম চিয়ে এইক্ষেত্ৰত যদি ইতিবাচক পদক্ষেপ গ্ৰহণ কৰে, তেনেহ'লে নিশ্চয় সুফল লাভ কৰিব। এই সমস্যা সমাধানৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই বিভিন্ন স্থানত ডিজিটেল ডিচপ্লে বা ছাইনব'ৰ্ডৰ ব্যৱস্থা কৰিব পাৰে। যেতিয়া পথ বিভাজকেই হওক বা আন সুবিধাজনক স্থানতেই হওক যদি ডিজিটেল প্ৰদৰ্শনীৰ ব্যৱস্থা কৰে তেতিয়া যিকোনো আয়োজকে এইবোৰত অনুষ্ঠান আয়োজনৰ বিষয়ে প্ৰদৰ্শন কৰিব পাৰিব। ইয়াৰ জৰিয়তে কিছু পৰিমাণে হ'লেও অৰ্থ সংগ্ৰহ কৰাটো সম্ভৱ হ'ব। এতিয়া যিহেতু ডিজিটেলৰ যুগ, সেয়েহে সকলোৰে এনেধৰণৰ প্ৰদৰ্শনীৰ জৰিয়তে লাভান্বিত হ'ব পাৰিব। বিদেশত এনেধৰণৰ ব্যৱস্থাৰ জৰিয়তে বৃহৎ বৃহৎ চহৰসমূহ পৰিষ্কাৰ তথা আকৰ্ষণীয় কৰি ৰখাত সফলো হৈছে।

আজিৰ মানুহৰ প্ৰায়ভাগেই স্বাৰ্থপৰ। নিজক লৈ ব্যস্ত থাকে বাবে সমাজৰ আন লোকৰ বিষয়ে ভাবিবলৈ আহৰি নাই। কোনে কি কৰিছে সেইবোৰলৈ কৰ্ণপাত নকৰাৰ বাবে সমাজত বহুতো সমস্যাৰ সৃষ্টি হৈছে। অৱশ্যে গ্ৰামাঞ্চলত যিহেতু ঠাইৰ অভাৱ নাই, সেয়েহে এইবোৰ অঞ্চলত এনেধৰণৰ সমস্যাই সহজে গা কৰি উঠিব নোৱাৰে। চহৰাঞ্চলতহে ঘাইকৈ ঠাইৰ অভাৱ। তদুপৰি অনুষ্ঠান-প্ৰতিষ্ঠান, ঘৰৰ চৌহদ, বিদ্যালয়, মন্দিৰ, মছজিদ আদিৰ চৌহদৰ বেৰত, দুটা পথৰ মাজত, তিনিআলি-চাৰিআলিত ৰছীৰে প'ষ্টাৰ, বেনাৰ আদি আঁৰি দিয়াৰ ফলত কেতিয়াবা দুৰ্ঘটনা আদিও সংঘটিত হোৱা দেখা যায়। তদুপৰি এইবোৰ ৰ'দ-বতাহ, বৰষুণত নষ্ট হোৱাৰ ফলত দৃষ্টিকটু হয়। যেতিয়া দেশ-বিদেশৰ পৰা পৰ্যটকে সেই পথেদি আগুৱাই যায় তেতিয়া গুৱাহাটীৰ বিষয়ে মনত এটি ভাল ধাৰণা লৈ যাব বুলি আশা কৰিব নোৱাৰি। তদুপৰি ইমান এখন বৃহৎ চহৰত থকা লোকসকলৰ মানসিকতাৰ বিষয়েও তেওঁলোকে কি ধাৰণা কৰিব সেয়া সহজেই অনুমেয়। সেইবাবে এখন প'ষ্টাৰ, বেনাৰবিহীন মহানগৰী সচেতন লোকসকলে বিচাৰে। সকলোৱে এইক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াওক। সকলোৱে বুজি পাওক এখন মহানগৰৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্ব।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*

## ইতিহাসৰ আঁত ধৰি

# উৰ্বশীৰ আঁচলেৰে বৈ যায় সূৰ্যাস্ত

অনন্জন ডেকা

**গুৱাহাটী** মহানগৰীৰ লগতে লাগি থকা উমানন্দ বা ভস্মাচল পাহাৰৰ কিছু দক্ষিণ আৰু কাছাৰীঘাটৰ পৰা কিছু উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজভাগত ঐতিহাসিক উৰ্বশী শিলাখণ্ড অৱস্থিত। বছৰৰ প্ৰতিটো দিনেই বিশাল ব্ৰহ্মপুত্ৰৰ পৱিত্ৰ জলধাৰাই ইয়াক চৌৰাই থাকে।

একমাত্ৰ জলপথেৰে সংযোগী এই ঐতিহাসিক ঠাইকণলৈ কামৰূপ জিলাৰ বৰ্তমানৰ উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰায় তিনিশ মিটাৰ দূৰ আৰু ইতিহাস প্ৰসিদ্ধ উমানন্দৰ পৰা দুশ মিটাৰতকৈও কম। যদিও এই বিশেষ ঠাইখন মহানগৰীৰ সোঁমাজতে, তথাপি এই স্থানলৈ মানুহৰ অহা যোৱা তেনেই নগণ্য। অৰ্থাৎ বিশেষ কোনো কাম নাথাকিলে এই ঠাইলৈ কোনো মানুহ নাযায়। আনহাতে বছৰৰ অধিকাংশ সময় ই পানীৰ তলত থাকে।

এই জনসমাগম বৰ্জিত ঠাইকণৰ আছে এক অতি চহকী ইতিহাস।

বছৰৰ অধিকাংশ সময় পানীৰ তলত থকা এই শিলাখণ্ড বা সৰু শিলাময় নদীদ্বীপটোত বহু আগতেই কম সময়ৰ বাবে হ'লেও কোনো নিপুণ শিলাকুটিয়ে খোজ পেলাইছিল। আৰু তাৰ পাছতেই তেওঁলোকৰ নিপুণ হাতেৰে সৃষ্টি কৰিছিল বহু আকৰ্ষণীয় আৰু সুন্দৰ শিল্পকৰ্ম। এতিয়াও খৰালি কালত ব্ৰহ্মপুত্ৰ নদীৰ পানী কমি গ'লে এই শিল্পকৰ্মসমূহ জনসাধাৰণৰ দৃষ্টিগোচৰ হয়। সাধাৰণতে বছৰৰ অধিকাংশ সময় বতাহ বৰষুণ, ধূলি-মাকতি আদিৰ পৰা নিলগত থাকে বাবেই হয়তো এই শিলাময় দ্বীপৰ সেই ঐতিহাসিক ভাস্কৰ্য বা শিল্পকৰ্মসমূহ এতিয়াও প্ৰায় অক্ষত অৱস্থাত আছে। এই ঠাইত দেখিবলৈ পোৱা ঐতিহাসিক শিল্পকৰ্মসমূহৰ ভিতৰত কেইটাও বিষ্ণু, বিষ্ণুপদ, গণেশ, সূৰ্য, মহামৃত্যুঞ্জয়, ধ্যানৰত উৰ্বশী, সখীৰ স'তে উৰ্বশীৰ ভাস্কৰ্য, আৰু শিলাখণ্ডৰ শীৰ্ষত তিনিটা শিৱলিংগ, বিষ্ণুৰ দশাৱতাৰ, কিছু খটখটী, আৰু অলেখ শিলত কটা ৰেখা চিত্ৰ, নাৰী চিত্ৰ ইত্যাদি। আন আন ভাস্কৰ্যসমূহৰ লগতে এটা যোগাসনৰ ভূমিস্পৰ্শ মুদ্ৰাযুক্ত ভাকস্কৰ্যও দেখা যায়। ইতিহাসবিদ কনকলাল বৰুৱাই এইটো বুদ্ধ মূৰ্তি হব পাৰে বুলি নিজৰ মত প্ৰকাশ কৰিছে। ইয়াৰ লগতে আন এক উপাসকৰ ভাস্কৰ্যও দেখা যায়। এইটো আকৃতিত কিছু সৰু। ইয়াৰ বাহিৰেও বহু পূৰ্ণ-অপূৰ্ণ শিল্পকৰ্ম পোৱা যায়। এই উৰ্বশী শিলাখণ্ডত থকা খটখটীসমূহৰ গোৱালপাৰা জিলাৰ পঞ্চৰত্নৰ নিকটবৰ্তী ডেকধোৱা পাহাৰত দেখিবলৈ পোৱা শিলৰ খটখটীসমূহৰ স'তে সাদৃশ্য আছে। সম্প্ৰতি এইসমূহ শিল্পকৰ্মক বিশেষভাৱেও সংৰক্ষিত কৰি ৰখা হৈছে।

আন আন ঐতিহাসিক স্থানৰ দৰে উৰ্বশী নামৰ এই শিলাময় দ্বীপটোৰ বুকুত দৃষ্টিগোচৰ হোৱা শিল্পকৰ্ম বা ভাস্কৰ্যসমূহ কোনে কেতিয়া আৰু কিয় সৃষ্টি কৰিছিল সেই সম্পৰ্কে কোনো লিখিত তথ্য পোৱা নাযায়। অৱশ্যে এই স্থানত থকা শিলাখণ্ডত উদ্ধাৰ হোৱা ঐতিহাসিক শিলালিপিসমূহৰ পাঠোদ্ধাৰ কৰিব পাৰিলে হয়তো এই শিলাখণ্ডৰ শিল্পকৰ্মসমূহৰ বিষয়ে বহু কথাই জানিব পৰা গ'লহেঁতেন। এইখিনিতে উল্লেখ কৰিব পাৰি যে সৰহ সংখ্যক লিপিবিদৰ মতে, অসমীয়া ভাষাত ব্যৱহাৰ হোৱা লিপিসমূহৰ লগতে সমগ্ৰ উত্তৰ ভাৰতীয় ভাষাত ব্যৱহৃত লিপিসমূহৰ উৎপত্তিৰ উৎস এই ব্ৰাহ্মী লিপি। খ্ৰীষ্টীয় তৃতীয় শতিকাৰ মৌৰ্য বংশৰ ৰজা অশোকৰ দিনত বহু ঠাইত উদ্ধাৰ হোৱা শিলালিপিসমূহ এই ব্ৰাহ্মী লিপিত লিখা আছিল।

খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰা আৰম্ভ হোৱা গুপ্তযুগ বা গুপ্তবংশৰ ৰজাসকলৰ ৰাজত্ব কালৰ আগলৈকে এই ব্ৰাহ্মী লিপি ব্যৱহাৰ কৰা হৈছিল বুলি বিভিন্ন পুথি-পাঁজিত উল্লেখ আছে। যদি সেয়েই হয়, তেন্তে, উৰ্বশী শিলাখণ্ড বা এই নদীদ্বীপটোত উদ্ধাৰ হোৱা ভাস্কৰ্যসমূহ বা শিল্পকৰ্মসমূহৰ নিৰ্মাণ কাল খ্ৰীষ্টীয় চতুৰ্থ শতিকা বা তাৰ আগৰ বুলি ভাবিব পৰাৰ থল আছে। এই সম্পৰ্কে কিছু গভীৰ অধ্যয়নৰ প্ৰয়োজন নিশ্চয় আছে।

ঐতিহাসিকৰ গুৰুত্বৰ লগতে এই উৰ্বশী শিলাখণ্ডৰ যথেষ্ট আধ্যাত্মিক গুৰুত্বও আছে।

কালিকা পুৰাণত উল্লেখ থকা অনুসৰি উৰ্বশীকুণ্ডত বিধিমতে স্নান কৰি উমানন্দ দৰ্শন কৰাৰ পাছত পাণ্ডুত থকা পাণ্ডুশিলা স্পৰ্শ কৰি নীলকূট পৰ্বত বা নীলাচলত থকা কামাখ্যা দৰ্শন কৰিলে সেই ব্যক্তিয়ে পুনৰ্জন্মৰ পৰা মুক্তি লাভ কৰে। ইয়াৰ উপৰি সমুদ্ৰ মন্থনত উদ্ভৱ হোৱা অমৃত এই উৰ্বশীয়ে শিলাৰূপী শিৱৰ তত্ত্বাৱধানত দেৱী কামাখ্যাৰ বাবে সঞ্চয় কৰি ৰাখিছে।

প্ৰতিবছৰে বসন্ত কালত সৰস্বতী পূজা আৰু ফল্গু উৎসৱৰ মাজৰ সময়ছোৱাত এই উৰ্বশী শিলাখণ্ডত ৰতিকা মহোৎসৱৰ আয়োজন কৰা হয়। এই মহোৎসৱত উমানন্দৰ দেৱালয়ৰ দলৈ পৰিয়ালৰ তত্ত্বাবধানৰ বিশেষ পূজা-পাতলৰ ব্যৱস্থা কৰা হয়। প্ৰবাদ বা জনশ্ৰুতি মতে শিৱৰ ক্ৰোধাগ্নিত ভস্ম হোৱা কামদেৱে তপস্যাৰ বলত এই সময়ছোৱাতে নিজৰ ৰূপ পুনৰ ঘূৰাই পাইছিল আৰু সেই আনন্দ উদ্‌যাপন কৰাৰ বাবেই এই পূজাৰ গুৰুত্ব। (ইণ্টাৰনেটৰ তথ্য) কিন্তু, কিহৰ বাবে এই উৰ্বশী নামধাৰী শিলাখণ্ডৰ ইমান গুৰুত্ব আছিল? নে এই ঠাইতো সেই প্ৰাচীন কালৰ কোনো বিশেষ ইতিহাস লুকাই আছে। পণ্ডিত, গৱেষক ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গ্ৰন্থ 'শিৱ'ত উল্লেখ থকা অনুসৰি এই শিলাখণ্ডত জল্পেশ্বৰ শিৱ খোদিত কৰা আছে। আৰু আছে উৰ্বশী কুণ্ড নামেৰে এটি কুণ্ড।

ইতিহাস আৰু আধ্যাত্মিকতাৰ উপৰি ব্ৰহ্মপুত্ৰৰ জলপথৰ বাবেও এই উৰ্বশী শিলাখণ্ডৰ গুৰুত্ব আছিল অনেক বেছি। তাহানিৰ ব্ৰিটিছৰ আমোলত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰত উত্তৰকূলৰ পৰা দক্ষিণকূললৈ যাব পৰাকৈ উজান বজাৰ, কাছাৰী আৰু ফাঁচীবজাৰত তিনিটা ঘাট আছিল। ফাঁচীবজাৰৰ অতীতৰ সেই ঐতিহ্যমণ্ডিত ঘাটটো ইতিমধ্যে ব্ৰহ্মপুত্ৰত জাহ গৈছে। আনহাতে, কাছমাৰী ঘাটৰ অৱস্থিতি এতিয়াও অনুমান কৰিব পাৰি। শেহতীয়াকৈ এই ঘাটত শাৰদীয় দুৰ্গাপূজাত বিজয়া দশমীৰ দিনাখন দেৱীক বিসৰ্জন দিয়া হয়। আনফালে উজানবজাৰৰ ঘাটত সেই সময়ত এখন তোৰণ আছিল। ১৮৯৭ খ্ৰীষ্টাব্দৰ বৰভূঁইকঁপত এই তোৰণখন সম্পূৰ্ণৰূপে বিধ্বস্ত হয়। অসমৰ জল পৰিবহণত গুৱাহাটীস্থ এই ঘাটৰ গুৰুত্ব আছিল সৰ্বাধিক। ১৮৪৮ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথমবাৰলৈ গুৱাহাটী আৰু কলকাতাৰ মাজত জাহাজ চলোৱাৰ ব্যৱস্থা কৰিছিল। ১৮৬০ খ্ৰীষ্টাব্দত চৰকাৰৰ স'তে কৰা চুক্তি অনুসৰি ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানীয়ে ছয় সপ্তাহ বা ডেৰ মাহৰ বিৰতিত কলকাতা আৰু গুৱাহাটীৰ মাজত জাহাজ চলাইছিল। সৌ সিদিনা অৰ্থাৎ ১৯৬৫ খ্ৰীষ্টাব্দৰ ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়লৈকে এই জলপৰিবহণৰ ধাৰাবাহিকতা চলি আছিল। পাছলৈ কলকাতাৰ পৰা অহা কোম্পানীৰ মালবাহী জাহাজসমূহ আহি এই ঘাটত লাগিছিল। ইয়াৰ পৰাই সা-সামগ্ৰী ৰেলত উঠিছিল। জাহাজঘাটৰ পৰা ঐতিহাসিক মংগলচণ্ডী দেৱালয়ৰ ওচৰেৰে বাৰোৱাৰী হৈ গুৱাহাটী ষ্টেচনলৈ মালবাহী ৰেলৰ লগতে সেই অঞ্চলত বাস কৰা ৰেল বিভাগৰ কৰ্মচাৰী সকলক অনা নিয়া কৰাৰ বাবে পুৱা আৰু গধূলি ছাটল ৰেল চলিছিল। এতিয়াও এই ৰেলৰ আলিৰ চিহ্ন স্পষ্টকৈ দেখা যায়।

এই উজানবজাৰ পকীঘাট বা মথুৰামোহন বৰুৱা ঘাটলৈ অহাযোৱা কৰা জাহাজসমূহ উৰ্বশী শিলাখণ্ডৰ আৰু ভস্মাচল পাহাৰৰ মাজৰ এক ঠেক অংশৰে পাৰ হৈছিল। সেই জাহাজসমূহক সঠিকভাৱে সংকেত প্ৰেৰণ কৰাৰ বাবে উৰ্বশী শিলাখণ্ডৰ মাজভাগত এক লাইটহাউছ বা পোহৰ স্তম্ভ নিৰ্মাণ কৰা হৈছিল। সম্ভৱতঃ কুৰি শতিকাৰ প্ৰথম দশকৰ শেহৰফালে ইয়াৰ নিৰ্মাণ কৰা হৈছিল। শতায়ু গৰকা এই স্তম্ভটোৱে এতিয়াও গৌৰৱেৰে ইয়াৰ ইতিহাস বহন কৰি আছে। (ইতিহাসৰ ছাঁ-পোহৰত পুৰণি গুৱাহাটী)

গুৱাহাটীৰ বহু খ্যাত অখ্যাত ভৱনৰ নিৰ্মাণৰ লগতে এই ঐতিহাসিক স্তম্ভটো নিৰ্মাণ কৰিছিল সুদূৰ



উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ পৰা কুৰি শতিকাৰ আৰম্ভণিতে ভাগ্যৰ অন্বেষণত গুৱাহাটীলৈ অহা খান বাহাদুৰ ইদা খান নামৰ এজন ব্যক্তিয়ে। নিজৰ দক্ষতাৰ বলত তেওঁ অসমৰ এজন আগশাৰীৰ ভৱন নিৰ্মাতা হিচাপে পৰিগণিত হৈছিল। আজি ২১ শতিকাৰ তৃতীয় দশকতো এই স্তম্ভটোৱে নিজৰ অস্তিত্ব বজাই ৰাখিছে। অৱশ্যে এই স্তম্ভটোত সময়ৰ আঁচোৰ নপৰা নহয়। আশা কৰিম, বৰ্তমানৰ চৰকাৰে এই আপুৰুগীয়া ঐতিহ্যমণ্ডিত স্তম্ভটোৰ প্ৰয়োজনীয় মেৰামতিৰ ব্যৱস্থা হাতত লৈ ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব। শেহতীয়াকৈ এই উৰ্বশী শিলাখণ্ডৰ ওপৰেৰে নিৰ্মাণ হৈছে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ সংযোগী ৰ'প ৱে বা ৰজ্জু পথ। ৰজ্জু পথেৰে পাৰ হৈ যোৱা যাত্ৰী-পৰ্যটকৰ সকলৰ চকুত এই উৰ্বশী শিলাখণ্ডই প্ৰতি মুহূৰ্ততে এক আকৰ্ষণীয় ৰূপত ধৰা দিয়ে। আনফালে, গুৱাহাটীৰ বিখ্যাত কাছাৰীবজাৰৰ চৌহদৰ পৰা উৰ্বশীৰ শিলাখণ্ডক সামৰি হোৱা সূৰ্যাস্তৰ এক দৃষ্টিনন্দন দৃশ্য উপভোগ কৰিব পৰা যায়। বিশেষকৈ সূৰ্যাস্তৰ ছবি তুলি ভাল পোৱা শিল্পীসকলৰ বাবে এই দৃশ্য বৰ অনুপম।

ব্যস্ত মহানগৰীৰ একেবাৰে সোঁমাজতে থকা উৰ্বশী শিলাখণ্ডলৈ মানুহৰ কৌতূহলৰ অন্ত নাই। এক অতি চহকী ইতিহাস বহন কৰা উৰ্বশী বহুতৰে বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এক চহকী অতীতৰ ভঁৰাল।

*ফোন ঃ ৯৪৩৫১৯০৫৪৫*

## চুটি জীৱনকালত সাফল্যৰ অভিলেখ



# পুশকিন

## জীৱনকাল ৩৮ বছৰ মাত্ৰ

## (১৭৯৯-১৮৩৭)

**আধুনিক** ৰুছ সাহিত্যৰ স্থপতি হ'ল আলেকজেণ্ডাৰ পুশকিন। ভাষাৰ ওপৰত তেওঁৰ আছিল অসাধাৰণ দখল আৰু দক্ষতা। সাৱলীলতা আৰু গভীৰতা আছিল তেওঁৰ সাহিত্যৰ মূল বৈশিষ্ট্য। ৰাছিয়াৰ বিখ্যাত কথাশিল্পী আইভান টুৰ্গেনিভ আৰু টলষ্টয়ৰ ভাষাৰ ওপৰত পুশকিনে প্ৰতিষ্ঠিত কৰিছিল তেওঁৰ নিজস্ব শৈলী। তেওঁৰ সেই অনন্য শৈলীয়ে ৰুচ ভাষাক দান কৰিছিল আধুনিকতা আৰু গতিময়তা। ইয়াৰ ফলত স্পষ্ট হৈ উঠিছিল ৰুচ ভাষাৰ এক নতুন ৰূপ।

**পুশকিন মূলত ঃ** কবি হ'লেও তেওঁ গদ্য সাহিত্যও ৰচনা কৰিছিল। তেওঁৰ বিখ্যাত উপন্যাসৰ নাম 'ইয়েভেজেনি ওমেজিন।' উপন্যাসখন ৰুচ সাহিত্যৰ এখন মাইষ্টোন হিচাপে চিহ্নিত। এইখন উপন্যাসত তেওঁ সৰ্বপ্ৰথম বাস্তৱ কাহিনীভিত্তিক উপন্যাস ৰচনাৰ দিশ নিৰ্দেশনা প্ৰদৰ্শন কৰে। সেইবাবে পুশকিনক আধুনিক ৰুছ সাহিত্যৰ স্থপতি তথা প্ৰতিষ্ঠাতা বুলি গণ্য কৰা হয়।

আলেকজেণ্ডাৰ পুশকিন ১৭৯৯ খ্ৰীষ্টাব্দৰ ছয় জুনত ৰাছিয়াৰ ৰাজধানী মস্কো মহানগৰীত জন্মগ্ৰহণ কৰে। মাকৰ ফালৰ পৰা তেওঁ আছিল ৰুছ সম্ৰাট পিটাৰ দি গ্ৰেটৰ বংশধৰ। বাল্যকালত পুশকিনে মোমায়েকৰ ঘৰত আইতাকৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়। তেওঁ আইতাকৰ ওচৰত প্ৰতিদিনেই তেওঁলোকৰ ৰাজবংশৰ পূৰ্বপুৰুষৰ গল্প শুনিছিল। ৰূপকথাৰ গল্পৰ দৰেই আইতাকে কৈ গৈছিল সেইবোৰ কাহিনী।

পুশকিনৰ দেউতাকৰ এখন ডাঙৰ পুথিভঁৰাল আছিল। পুথিভঁৰালখনত আছিল বিশ্ব-সাহিত্যৰ বহুতো মূল্যবান গ্ৰন্থ। পুশকিনে তাৰ পৰা দেশ-বিদেশৰ প্ৰথিতযশা লেখকসকলৰ গ্ৰন্থবোৰ পাঠ কৰিছিল। তদুপৰি পুশকিনৰ দেউতাক ভেছিলি পুশকিন এজন কবি হিচাপেও জনাজাত আছিল। দেউতাকৰ ওচৰলৈ অহা বন্ধু-বান্ধৱৰ মাজতো বহুতেই আছিল কবি-সাহিত্যিক। তেওঁলোকৰ মুখতো পুশকিনে শুনিছিল সাহিত্যৰ নানা কথা। আৰু এনেদৰেই এক সাহিত্যিক পৰিমণ্ডলৰ মাজত

ড° নীলমোহন ৰায়

*ফোন ঃ ৯৮৬৪০৬৪২৭৪*

ডাঙৰ হোৱা পুশকিনে নিজেও কবিতা লিখিবলৈ আৰম্ভ কৰিলে। ১৮১৪ খ্ৰীষ্টাব্দত প্ৰকাশিত হয় পুশকিনৰ Messenger of Europe নামৰ এখন কবিতাৰ পুথি। ইয়াৰ পাছত তেওঁৰ আন এখন উল্লেখযোগ্য কাব্যগ্ৰন্থ Rustan and Lyndmila প্ৰকাশিত হয়।

১৮১৭ খ্ৰীষ্টাব্দত পুশকিন ছেণ্ট পিটাৰ্ছবাৰ্গৰ বৈদেশিক অফিচত চাকৰিত যোগদান কৰে। আৰম্ভ হয় তেওঁৰ কৰ্মজীৱন। ৰাছিয়াত তেতিয়া পাজতন্ত্ৰ (জাৰতন্ত্ৰ) প্ৰচলিত আছিল। পুশকিন আছিল ৰাজতন্ত্ৰবিৰোধী। সেই সময়ত তেওঁৰ কিছুমান কবিতা প্ৰচাৰপত্ৰ হিচাপে বিতৰণ কৰা হয়। পুশকিনৰ নেতৃত্বত প্ৰতিষ্ঠিত এটা সাহিত্য সংগঠন Green Lamp Association পাছলৈ এক গোপন ৰাজনৈতিক সংগঠনলৈ ৰূপান্তৰিত হয়। এনেদৰে পুশকিন নিজকে দেশৰ গণতান্ত্ৰিক আন্দোলনৰ মুখপাত্ৰ হিচাপে থিয় কৰাবলৈ সক্ষম হয়।

ৰাজনৈতিক আন্দোলনৰ ওচৰা-ওচৰিকৈ পুশকিনৰ কাব্যচৰ্চাও দ্ৰুতগতিত আগবাঢ়ি থাকে। ক্ৰমাগতভাৱে তেওঁৰ বহুকেইখন কাব্যগ্ৰন্থ প্ৰকাশিত হয়। ইয়াৰ ফলত তেওঁৰ খ্যাতি সমগ্ৰ ৰাছিয়াতে বিয়পি পৰে। সেই সময়ত তেওঁ ৰাছিয়াত ৰোমাণ্টিক কাব্যধাৰাৰ স্থপতিৰূপে স্বীকৃত হয়। লগতে ৰাছিয়াৰ অন্যতম শ্ৰেষ্ঠ কবিৰূপেও পুশকিন বন্দিত হয়।

ৰাজতন্ত্ৰৰ বিৰুদ্ধে লেখালেখিৰ বাবে পুশকিনক ছেণ্ট পিটাৰ্ছবাৰ্গৰ পৰা বন্দী কৰি দক্ষিণ ৰাছিয়াৰ এক দুৰ্গম অঞ্চললৈ নিৰ্বাসিত কৰা হয়। ১৮২৫ খ্ৰীষ্টাব্দত ৰাছিয়াত নতুন জাৰ প্ৰথম নিকোলাচ সিংহাসনত আৰোহণ কৰে। তেওঁৰ কৃপাত ১৮২৬ত পুশকিনৰ বন্দী জীৱনৰ পৰিসমাপ্তি ঘটে। দৰাচলতে এইগৰাকী জাৰ আছিল পুশকিনৰ কবিতাৰ একনিষ্ঠ পাঠক আৰু ভক্ত।

১৮২৯ খ্ৰীষ্টাব্দৰ পৰা ১৮৩৬ খ্ৰীষ্টাব্দৰ ভিতৰত ৰুছ সাহিত্যত তেওঁৰ কে'বাখনো গ্ৰন্থৰ কাৰণে নৱদিগন্তৰ উন্মেষ ঘটে। এই সময়ত তেওঁৰ উল্লেখযোগ্য কে'বাখনো গ্ৰন্থ প্ৰকাশিত হয়। ১৮৩১ খ্ৰীষ্টাব্দত পশকিনে মাক আৰু আত্মীয়স্বজনক উপেক্ষা কৰি নাতালা নিকোলামোৰনা গণকৰোভা নামৰ এগৰাকী ৰমণীক বিয়া কৰায় আৰু নৱপৰিণীতাক লৈ তেওঁ ছেণ্ট পিটাৰ্ছবাৰ্গত ঘৰ বান্ধে। এই সময়ত তেওঁ এটা চৰকাৰী চাকৰিও গ্ৰহণ কৰে। কিন্তু সাহিত্য-চৰ্চাত মনোনিৱেশৰ ক্ষেত্ৰত অসুবিধা হোৱাৰ আশংকাত তেওঁ সেই চাকৰিটো এৰি দি গাঁৱৰ ঘৰলৈ যায়। তাত তেওঁ একান্ত নিৰ্জন অৱস্থাত একাগ্ৰচিত্তে সাহিত্য সাধনাৰ কাম আৰম্ভ কৰে। ১৮৩৭ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰীত কিছু ব্যক্তিগত শত্ৰুৰ স'তে মুখামুখি সংঘৰ্ষত পুশকিন গুৰুতৰভাৱে আহত হয়। আহত অৱস্থাত তেওঁ সেই বছৰৰে ১০ ফেব্ৰুৱাৰীত মাত্ৰ ৩৮ বছৰ বয়সত মৃত্যুমুখত পতিত হয়।

আলেকজেণ্ডাৰ পুশকিনৰ এটা ডাঙৰ বৈশিষ্ট আছিল যে বিশ্ব-সাহিত্যৰ ওপৰত তেওঁৰ আছিস প্ৰচণ্ড দখল। তেওঁ অকালতে মৃত্যুক সাবটি ল'বলগীয়া হ'লেও আজিও তেওঁ ৰুছ সাহিত্যৰ জনক বুলি স্বীকৃত আৰু বিশ্ববিশ্ৰুত সাহিত্যিকৰূপে বন্দিত হৈ আছে।

** লেখকৰ 'অকাল প্ৰয়াত মানুহৰ স্মৰণীয় কথা' পুথিৰ পৰা লোৱা হৈছে। পুথিখনিৰ প্ৰকাশক এন এল পাব্লিকেছনছ, পাণবজাৰ, গুৱাহাটী*

# অনগ্ৰসৰ দিশত দৰঙৰ অধিক গুৰুত্ব দিবলৈ আহ্বান

**আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা কেন্দ্ৰীয় মন্ত্ৰীৰ**

**বিশেষ সংবাদদাতা**

**মঙলদৈ ৩ মে' ঃ** দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি অনুষ্ঠিত এক সভাত ড'নাৰ আৰু সমবায় বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী বি এল ভাৰ্মাই দৰং আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা কৰে। আকাংক্ষিত জিলা প্ৰকল্পৰ অধীনত চলি থকা উন্নয়নমূলক কাৰ্যসমূহৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰি আঁচনি ৰূপায়ণৰ গতি অধিক ক্ষিপ্ৰ কৰাৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীজনে গুৰুত্ব আৰোপ কৰে। আকাংক্ষিত জিলা প্ৰকল্পৰ সময় সাপেক্ষ ৰূপায়ণৰ

আঠ পৃষ্ঠাত চাওক

# ডিগবৈ শোধনাগাৰৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে চলিছে কাম

## ডিগবৈত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী

**ডিগবৈ, ৩ মে' ঃ** তিনিচুকীয়া জিলাৰ তৈলনগৰী ডিগবৈ চহৰৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ ভ্ৰমণসূচীৰে ৰাজ্যিক পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, শ্ৰম নিয়োগ মন্ত্ৰালয় ভাৰত চৰকাৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী ডিগবৈত উপস্থিত হয়। আজি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গ্ৰেছ মন্ত্ৰণালয়ে অসম চৰকাৰৰ সক্ৰিয় সহযোগত দেশৰ ভিন্ন প্ৰান্তৰ মুঠ ৬০ টা স্থানত আগন্তুক আন্তৰ্জাতিক যোগ দিৱসৰ উপলক্ষে আয়োজিত ৫০ দিনীয়া গণনা কাৰ্যসূচীৰে ডিগবৈ ভাৰতীয় তেল নিগম অসম অইল সংমণ্ডলৰ সহযোগত সাৰ্বজনীন প্ৰতিম বিসৰ্জন পুখুৰীৰ সমীপৰ কেম্পাচ গ্ৰাউণ্ডত আয়োজিত যোগ উৎসৱত অংশ লয়। পুৱা সাত বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত প্ৰতিকূল বতৰকো নেওচি প্ৰায় এক শতাধিক লোকে অংশগ্ৰহণ কৰে। যোগ উৎসৱৰ কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তেলীৰ স'তে ডিগবৈৰ বিধায়ক সুৰেন ফুকন, ডিগবৈ শোধনাগাৰৰ মুখ্য মহাপ্ৰবন্ধক কিশোৰ কুমাৰ শৰ্মা, আই অ' চিৰ বিষয়া-কৰ্মচাৰী, সুৰক্ষা বাহিনীৰ জোৱান, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ জোৱানসহ এ অ' ডি নাৰ্ছিং স্কুলৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে। যোগ উৎসৱৰ কাৰ্যসূচীত

আঠ পৃষ্ঠাত চাওক

# শিঙিমাৰীৰ পৰা হৰলুকি হোৱা ৩২৪ কাৰ্টন খিচমিচ নগাঁৱত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩ মে' ঃ** কামৰূপৰ শিঙিমাৰীৰ শীতল ভৰনৰ পৰা ২৭ এপ্ৰিলত হৰলুকি হোৱা ৩২৪ কাৰ্টন খিচমিচ কালি নগাঁৱৰ কামপুৰ আৰু মৰিগাঁৱত উদ্ধাৰ কৰে। দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শংকৰজ্যোতি নাথৰ নেতৃত্বত যোৱা এটি দলে নগাঁও আৰক্ষীৰ সহযোগত ট্ৰাকখন উদ্ধাৰ কৰে। আৰক্ষীয়ে গোবিন্দ মল্লিক আৰু বাহাৰুল হক নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা ২৭ এপ্ৰিলত শিঙিমাৰী শীতল ভৰনৰ পৰা ৩২৪ কাৰ্টন খিচমিচ গুৱাহাটীলৈ নি থকা অৱস্থাত খিচমিচসহ গাড়ীখন সন্ধানহীন হৈছিল। খিচমিচৰ গৰাকী ফাঁচী বজাৰৰ ব্যৱসায়ীয়ে এই সম্পৰ্কত দদৰা থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি কালি ট্ৰাকসহ খিচমিচখিনি উদ্ধাৰ কৰে।

# গোৱালপাৰাৰ নেপালী খুঁটিত নিহত দুই, আহত পাঁচ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া ৩ মে' ঃ** ঈদৰ আনন্দ উল্লাসৰ মাজতে আজি আবেলি গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত নেপালী খুঁটিত সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজনকৈ যুৱক নিহত হোৱাৰ লগতে পাঁচজন যুৱক গুৰুতৰভাৱে আহত হয়। তীব্ৰ বেগেৰে তিনিখন মটৰ চাইকেলৰে নেপালী খুঁটি অভিমুখে গৈ থকা অৱস্থাত মৰনৈ এভাৰেডি কোম্পানীৰ নাতি দূৰৈত দুখন মটৰ চাইকেলৰ সংঘৰ্ষ লাগে। উক্ত দূৰ্ঘটনাৰ ফলত সহিদুল ইছলাম 'বাবু' (২২) আৰু শ্বাহ মামুদ ইছলাম (১৮) নামৰ যুৱক দুজন নিহত হয়। ইয়াৰে সহিদুল মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডুবাপাৰা লুপ্তচৰ গাঁওৰ ছফিয়ৰ ৰহমানৰ পুত্ৰ আৰু শ্বাহ মামুদ ইছলামৰ ঘৰ বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত কদমতলা চৰত। ইপিনে, দুৰ্ঘটনাটোত আনোৱাৰ হুছেইন, আজম আলী আৰু ফাৰুক আব্দুল্লাহ, মেছেৰ আলী আৰু ছানিদুল ইছলাম গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ আহত সকলক ততাতৈয়াকৈ গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও আনোৱাৰ হুছেইন আৰু আজম আলীৰ অৱস্থা সংকট জনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা পহিলা মে'তো মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডেকধোৱাত তীব্ৰ বেগী মটৰ চাইকেলে গছত খুন্দিওৱাৰ ফলত গোৱালপাৰা জিলাৰ সীমান্তবৰ্তী তথা বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত উজিৰৰ চৰৰ ইনচান আলীৰ দুই পুত্ৰ ক্ৰমে ৰহিম বাদশা (১৮) আৰু সাহিদুল ইছলামৰ (১৯) নিহত হোৱাৰ লগতে জুৱান আলীৰ পুত্ৰ মিজানুৰ ৰহমানে (১৮) গুৰুতৰভাৱে আহত হৈ সম্প্ৰতি গোৱালপাৰা অসামৰিক চিকিৎসালয়ত মৃত্যুৰ স'তে যুঁজি আছে।

**এসময়ত ৰ'দৰ পোহৰ নপৰা ডাঠ পাহাৰো টকলা হ'ল নগাঁও-কাৰ্বি আংলং জিলাত**

# বাঁহ গছ ৰোপণৰ নামত কোটি টকাৰ লুণ্ঠন

**বিশেষ সংবাদদাতা**

**নগাঁও,৩ মে' ঃ** অবাধ বন ধ্বংসৰ বাবেই অবিভক্ত নগাঁও জিলাৰ লগতে দাঁতিকাষৰীয়া কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ তাহানিৰ সেউজ অৰণ্যাবৃত, ৰ'দৰ পোহৰ পৰ্যন্ত নপৰা একাধিক পাহাৰমালা টকলা হৈছে। বন বিভাগৰ দায়িত্বহীনতা, পাহাৰৰ দাঁতিকাষৰীয়া গাঁৱৰ ৰাইজৰ সচেতনতা হীনতা, একাংশ চোৰাং ব্যৱসায়ীৰ অবাধ বন ধ্বংসৰ বাবেই পাহাৰসমূহ টকলা হৈছে। এই বন ধ্বংসৰ বাবেই নগাঁও জিলাৰ কন্দলি প্ৰস্তাৱিত বনাঞ্চলৰ পৰা আৰম্ভ কৰি ডৱকা পাহাৰ মালাৰ নিছান পাহাৰ পৰ্যন্ত বন্যহস্তীৰ আৱাসস্থলী আৰু খাদ্যৰ সংকটে দেখা দিয়ে। ফলত খাদ্যৰ সন্ধানতে পাহাৰৰ পৰা জাকে জাকে বনৰীয়া হাতী ভৈয়ামলৈ নামি আহি তাণ্ডৱ আৰম্ভ কৰে। সেয়েহে সৃষ্টি হয় হাতী-মানুহৰ প্ৰচণ্ড সংঘাত। এই সংঘাতৰ পৰিপ্ৰেক্ষিতত বহু বন্যহস্তীৰ লগতে মানুহৰো মৃত্যু হৈছে। নগাঁও, হোজাই আৰু কাৰ্বি আংলং জিলাৰ কন্দলি প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল, বামুণীথান পাহাৰচূড়া, হায়েংথল পাহাৰমালা, ডেৰাগাঁও পাহাৰমালা, পুলিবাগান পাহাৰমালা, চাপানলা বনাঞ্চল, জীয়াজুৰি, হাতীখুলি, হায়েংথল, নৱজ্যোতি (শিলভেটা), কাফিতলী আহুতলী পাহাৰমালা, নতুন বস্তি পাহাৰমালাৰ পৰা ডৱকা পাহাৰমালাৰ ক্ৰমে-ডৱকা, লংকাইজুৰি, শ্যামযাদু, ডলচূড়া, আকাশী গংগা, উৰ্ধ গংগা, জকতা দুমুখ সৰিয়হতলী পাহাৰমালা, ৰং বিং বে,

আঠ পৃষ্ঠাত চাওক



# শোণিতপুৰত বনৰীয়া হাতীৰ উপদ্ৰৱৰ মাজতে চোৰাং ব্যৱসায়ীৰ কূটকৌশল

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ মে' ঃ** শোণিতপুৰৰ মিছামাৰী আৰু কাষৰীয়া অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত থকাৰ বিপৰীতে একাংশই নানা চল-চাতুৰীৰে মূল্যৱান গছ কাটিবলৈ অপচেষ্টা চলোৱাৰ এক ঘটনা সম্প্ৰতি পোহৰলৈ আহিছে। উল্লেখ্য যে মিছামাৰীস্থিত দেশৰ অন্যতম বৃহৎ সামৰিক চৌহদত বৰ্তমান চাৰিটা বনৰীয়া হাতীয়ে ধাৰাবাহিক উপদ্ৰৱ অব্যাহত ৰাখিছে। বনকৰ্মীসকলক জ্বলা-কলা খুৱাই সামৰিক চৌহদৰ বিভিন্ন দিশে পকী দেৱাল ভাঙি হাতী চাৰিটাই উপদ্ৰৱ অব্যাহত ৰখাৰ লগতে ৰিকামাৰী, মিছামাৰী বজাৰগাঁও, নাহৰণী, কলামাটি আৰু দুইনম্বৰ ভেলুৱাতাৰ আদিতো উপদ্ৰৱ অব্যাহত ৰাখিছে। গাভৰু বিট কাৰ্যালয়ৰ সীমিত সংখ্যক বনকৰ্মীয়ে এফালে খেদি নিলে আন এফালে প্ৰৱেশ কৰা এই চাৰিটা মখনাৰ ভিতৰত এটা প্ৰকাণ্ড মখনাই বৃহত্তৰ অঞ্চলত শংকাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ সমীপৰ এই সেনা চৌহদ তথা অঞ্চলসমূহত বন্যহস্তীৰ প্ৰৱেশ এক স্বাভাৱিক ঘটনা যদিও স্থানীয় বনকৰ্মীয়ে এনে হাতীক অৰণ্যলৈ উভতাই পঠোৱাৰ বাবে প্ৰয়োজন হোৱা বন্দুকৰ এটা আকৌ তিনিবাৰতহে ফুটে। সংখ্যাত কম আৰু অৱসৰলৈ অধিক দিন নথকা তথা অনাঅসমীয়া বনকৰ্মীসকলৰ বাবেও এতিয়া বৰষুণৰ নিশা বনৰীয়া হাতীৰ স'তে মুখামুখি হোৱাটোৱেই এক সমস্যাত পৰিণত হৈছে। তাতে ইয়াত থকা জীপখনো সহজে চলাব পৰা নাযায়। উল্লেখ্য যে ইয়াত জয়মালা নামৰ ঘৰচীয়া হস্তিনী এজনী আছে যদিও শীতকালত এই হাতীজনীৰ সহায়ত তেজপুৰৰ নিকটৱৰ্তী অঞ্চলত বনৰীয়া হাতী খেদিবলৈ যোৱাৰ সময়ত এটা প্ৰকাণ্ড দঁতাল হাতীয়ে আক্ৰমণ কৰিছিল।

আঠ পৃষ্ঠাত চাওক

# দলগাঁৱত ঈদৰ আনন্দৰ মাজতে দুৰ্ঘটনাত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৩ মে' ঃ** দলগাঁৱৰ শ্যামপুৰ থানাৰ অন্তৰ্গত তিনি নম্বৰ শ্যামপুৰ গাঁৱৰ বাদশ্বাহ আলীৰ পুত্ৰ জেহেৰুল ইছলামৰ আজি দুৰ্ঘটনাত মৃত্যু হয়। দলগাঁৱৰ ইণ্ডাষ্ট্ৰী কমপ্লেক্সৰ ওচৰতে ৰাষ্ট্ৰীয় পথতে দিনৰ দুই বজাত দুখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ হোৱাত ইছলামৰ লগতে আজিজুৰ ৰহমান আৰু শ্বেখ ফৰিদ গুৰুতৰভাৱে আহত হয়। পাছত জেহেৰুলৰ মৃত্যু হয় শ্বেখ ফৰিদ আৰু আজিজুৰক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

# নগাঁৱত কণীযুক্ত মাছৰ ৰমৰমীয়া ব্যৱসায়

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ২ মে' ঃ** নগাঁও জিলাৰ বৃহত্তৰ চামগুৰি অঞ্চলত ৰাজ্যৰ মীন বিভাগৰ অকৰ্মণ্যতাৰ সুযোগ গ্ৰহণ কৰি মাছৰ প্ৰজননৰ এই সময়ছোৱাত এচাম অসাধু মাছ ব্যৱসায়ীয়ে ব্যাপক হাৰত কণীযুক্ত মাছৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। নগাঁও চহৰৰ বজাৰৰ লগতে জিলাখনৰ চামগুৰি, পুৰণিগুডাম, চলচলি, শালনা, চাপানালা, উদমাৰী, আমবাগান, লাইলুৰিৰ, শিৰস্থান, আমনি, মিছা, শালপাৰা, লাওখোৱা আদি অঞ্চলসমূহৰ বজাৰত এতিয়া নিৰ্বিঘ্নে অব্যাহত আছে পোনা আৰু কণীযুক্ত মাছৰ অবাধ বেহা। উল্লেখ্য যে মাছৰ এই প্ৰজননৰ ঋতুৰ সময়ত ৰাজ্যখনৰ নৈ, বিল আদি প্ৰাকৃতিক জলাশয়সমূহত ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত তথা অসম মীন নীতি, ১৯৫৩ আৰু অসম মীন সংশোধিত নীতি ২০০৫ অনুসৰি পহিলা এপ্ৰিল পৰা ১৫ জুলাই লৈকে মাছৰ প্ৰজনন ঋতুৰ সময়ত প্ৰাকৃতিক জলাশয়সমূহত মাছ ধৰা আৰু মাছৰ জালৰ ব্যৱহাৰৰ ওপৰত কেতবোৰ নিষেধাজ্ঞা আছে। এই নিষেধাজ্ঞা অনুসৰি পহিলা এপ্ৰিলৰ পৰা ১৫ জুলাই লৈকে সাত ছেণ্টিমিটাৰ, ১৪ ছেণ্টিমিটাৰতকৈ কম পাহিৰ বৰজাল, মহাজাল, ফাঁচিজাল বা অন্য যিকোনো জাল মাছৰ প্ৰজনন ঋতুৰ সময়ত ঘোষিত মীন মহল বা জলাশয়ত ব্যৱহাৰ কৰা নিষেধ। লগতে এই সময়ছোৱা মাছৰ প্ৰজনন ঋতু হোৱা হেতুকে ৰৌ, বাহু, মিৰিকা, মালি, চিতল, খৰিয়া, পিঠিয়া, ঘৰীয়া আৰু কুঢ়ি প্ৰজাতিৰ কণী বা শুক্ৰ থকা গাভিনী মাছ ঘোষিত মীন মহল বা জলাশয়ত ধৰিব বা মাৰিব নোৱাৰিব। দুৰ্ভাগ্যজনক বিষয় যে থলুৱা মাছৰ সংৰক্ষণৰ বাবে

আঠ পৃষ্ঠাত চাওক

# বাগ্‌সাৰ বাঁহবাৰীত কিশোৰীক ধৰ্ষণ ঃ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ মে' ঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে ধৰ্ষণকাণ্ডৰ ঘটনা। বাগ্‌সাৰ শালবাৰীৰ বাঁহবাৰীৰ ফাতেমাবাদ চাহ বাগিচাৰ বজাৰ লাইনত সংঘটিত হৈছে এই ঘটনা। এগৰাকী ১২ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰি আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হয় শালবাৰীৰ মায়ংপাৰা কলনীৰ ৰতন সূত্ৰধৰ (২৩) নামৰ এজন যুৱক। যুৱকজনে সপ্তম শ্ৰেণীৰ এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে মানাহৰ

আঠ পৃষ্ঠাত চাওক

# চিৰাজুলি সত্ৰ-ৰঙাগড়া সংযোগী পথ, পিৰাকাটা মাঝিবস্তি-বোন্দাইঝাৰণি পথৰ শোচনীয় অৱস্থা



**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ৩ মে' ঃ** বৰছলা সমষ্টিৰ ৰাইজে বিধ্বস্ত পথেৰে যাতায়াত কৰিবলগীয়া হৈছে। গ্ৰামাঞ্চলৰ আলি-বাট নিৰ্মাণৰ বাবে এনৰেগা আঁচনিৰ লগতে একাধিক আঁচনিৰ অধীনত গাঁও পঞ্চায়তসমূহে লাখ লাখ টকা খৰচ কৰি আহিছে যদিও গ্ৰামাঞ্চলৰ বাট-পথসমূহৰ বিশেষ উন্নয়ন হোৱা নাই। ফলত গ্ৰামাঞ্চলৰ ৰাইজে এতিয়াও বোকাপানী গচকি যাতায়াত কৰিব লগীয়া হৈছে । উল্লেখ্য যে শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ বিভিন্ন অঞ্চলৰ বাট-পথ নিৰ্মাণ হোৱা নাই। ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম জীয়াতু ভুগিবলগীয়া হৈছে। সমষ্টিটোৰ চিৰাজুলি সত্ৰ, ৰঙাগড়া, পিৰাকাটা, বোন্দাইঝাৰণি, মাঝিবস্তি, বগৰীবাৰী, বেঞ্চিমাৰী অঞ্চলৰ ৰাইজে বোকা-পানী গচকি যাতায়াত কৰিবলগীয়া হৈছে। বাট-পথ নিৰ্মাণ তথা বাট-পথৰ উন্নয়নৰ নামত সমষ্টিটোত ভেঁকোভাওনা চলিছে। বছৰ বছৰ ধৰি শোচনীয় অৱস্থাত থকা বাট-পথসমূহে এতিয়াও উন্নয়নৰ মুখ দেখা নাই। সমষ্টিটোৰ বিভিন্ন অঞ্চলৰ বাট-পথসমূহ বিধ্বস্ত অৱস্থাত থকাৰ পাছতো সংশ্লিষ্ট বিভাগে বাট-পথসমূহ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ

আঠ পৃষ্ঠাত চাওক

# শালবাৰীত গ্ৰেপ্তাৰ যুৱক

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ মে' ঃ** বিগত কিছুদিনৰ পৰা ৰাজ্যৰ উজনিৰ পৰা নামনিলৈ বহু যুৱক-যুৱতীয়ে আলফা স্বাধীনত যোগদানৰ বাবে উঠিপৰি লগাৰ সময়তে শেহতীয়াকৈ আলফাৰ সমৰ্থনত সামাজিক মাধ্যম ফেচবুকত পোষ্ট দি বাগ্‌সাৰ শালবাৰী আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হ'বলগীয়া হয় এজন যুৱক। গ্ৰেপ্তাৰ হোৱা যুৱকজন শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰৌমাৰী কালমাটি পথাৰ গাঁৱৰ বিতুকণ দাস (২৭)। ধৃত যুৱক বিতুকণে কে'বাদিনো ধৰি আলফাৰ সমৰ্থনত সামাজিক মাধ্যমত পোষ্ট দি আহিছিল। যোৱা নিশা শালবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপজ্যোতি দত্ত আৰু আনন্দ বজাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সমীৰণ ডেকাই অভিযান চলাই নিজ গৃহৰ পৰা গ্ৰেপ্তাৰ কৰে বিতুকণ দাসক। সম্প্ৰতি শালবাৰী আৰক্ষীয়ে ২৩/২২ নম্বৰত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰিছে বিতুকণ দাসক। আজি ধৃত যুৱকজনক অধিক সোধ-পোছৰ বাবে জিলা সদৰ মুছলপুৰলৈ প্ৰেৰণ কৰিছে শালবাৰী আৰক্ষীয়ে।

# তেজপুৰৰ বাণীকান্ত শৰ্মাৰ বিয়োগ ঃ মৰণোত্তৰ দেহদান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ মে' ঃ** মৃত্যুৰ পাছতো আনৰ উপকাৰ হোৱাকৈ ঋষি দধীচিৰ দৰেই শৰীৰ দানৰ ইচ্ছা পৰিয়ালৰ সহযোগ পূৰ্ণ হ'ল আজি শেষ নিশ্বাস ত্যাগ কৰা তেজপুৰৰ সৰ্বৱহী আৰু নিকা ভাৱমূৰ্তিৰ বাণীকান্ত শৰ্মা (৭৯)ৰ। উল্লেখ্য যে তেজপুৰ দাধৰা বামুণ চুবুৰি নিবাসী অসামৰিক প্ৰতিৰক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, অতিশয় নিকা ভাৱমূৰ্তিৰ সৰ্বৱহী শৰ্মাৰ নিজ বাসগৃহতে মৃত্যু হয়। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীজনে নিজৰ মৃত্যু হ'লে তেওঁৰ শৰীৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলৰ উপকাৰ হোৱাকৈ দান দিবলৈ পৰিয়ালৰ লোকক অৱগত কৰিছিল। সেই সূত্ৰেই আজি পুৱা ৬-১৫ বজাত পাছতেই প্ৰয়াত শৰ্মাৰ তেজপুৰ চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী কিৰণ শৰ্মা বৰুৱা, বাংগালুৰুত কৰ্মৰত পুত্ৰ আলোক দীপ্ত শৰ্মা বৰুৱা, বোৱাৰী প্ৰণামী শৰ্মা আৰু কৰ্মসূত্ৰে আমেৰিকাত থকা কন্যা মিলি শৰ্মা বৰুৱাই ততাতৈয়াকৈ পিতৃৰ ইচ্ছা পূৰণ কৰাৰ ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰে। এই তৎপৰতাৰ অংশৰূপে স্থানীয় শিক্ষয়িত্ৰী বিউতি শৰ্মা বেজবৰুৱাই ইলোৰা বিজ্ঞান মঞ্চৰ লগত যোগাযোগ কৰাৰ পাছত ইলোৰা বিজ্ঞান মঞ্চৰ মলয় নাথৰ জৰিয়তে স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে প্ৰয়াত শৰ্মাৰ ইচ্ছা পূৰ্ণ কৰে। শৰ্মাৰ নশ্বৰ দেহ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ পাছত চিকিৎসা মহাবিদ্যালয়খনৰ শৰীৰ তত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক চিকিৎসক ৰূপশেখৰ ডেকাৰ হৈ বিভাগটোৰ সহকাৰী অধ্যাপক চিকিৎসক মালৱিকা দেৱীয়ে অন্যান্য চিকিৎসা কৰ্মীৰ জৰিয়তে দেহটো চমজি লৈ ধূপ প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চিকিৎসালয় কৰ্তৃপক্ষই শৰ্মা পৰিয়ালৰ এনে বদান্যতাৰ শলাগ লোৱাৰ লগতে পিতৃৰ ইচ্ছা পূৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়।

# চৰকাৰী সুবিধাৰ পৰা বঞ্চিত প্ৰখ্যাত ভলুৱা ওজা-বায়ন



**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ৩ মে' ঃ** গোলাঘাট জিলাৰ কিছু বছৰৰ আগলৈকে সাংস্কৃতিক ক্ষেত্ৰৰ ঢোল আৰু খোলৰ বাজনাত অন্যতম স্থান দখল কৰা বৰ্তমান ৮০ উৰ্দ্ধৰ ভলুৱা ওজা-বায়ন আজিও অৱহেলিত হৈ আছে। ১৯৩৯তে পূব গোলাঘাটৰ কাকডোঙা নদীপৰীয়া কুমাৰ গাঁৱত জন্মগ্ৰহণ কৰা ভলুৱা ওজা (প্ৰকৃত নাম ৰেৱকান্ত বৰা) একবিংশ শতিকাৰ প্ৰথমটো দশক পৰ্যন্ত অসমীয়া জাতীয় জীৱন আৰু শংকৰী সংস্কৃতিৰ প্ৰতীক ক্ৰমে ঢোল আৰু খোলৰ একান্ত সাধক আৰু অদ্বিতীয় ওজা আৰু বায়ন আছিল গোলাঘাট জিলাৰ বাবে। বিহুতলীতে হওক বিয়া-বাৰুতে হওক এই ওজাই কান্ধত ঢোলটো লৈ ঢোলত ছেও দিয়াৰ লগে লগেই ৰভাতলিত বহি থকা ডেকা-গাভৰুৱে হওক সাতপৰ্দাৰ আঁৰত থকা ন-বোৱাৰীজনীয়েই হওক মুখত সোণত শুৱগা চ'ৰা হাঁহিটো লৈ কঁকালত দুহাত থৈ নাচি নাচি আপোন পাহৰা হোৱাৰ দৃশ্য আছিল অতি মনোৰম। ওজাই ঢোলৰ ছঅঁৰা বাদ্যৰ ২৪খন হাতৰ ভাগে ভাগে খোঁটসমূহ বিয়া-বাৰু তথা ঢোলবাদ্যৰ প্ৰতিযোগিতাসমূহত নিখুঁতভাৱে পৰিৱেশন কৰাই নহয় ঢোলৰ মালিতা আৰু বান্ধনীৰ তাৎপৰ্য ব্যাখ্যা কৰি গোলাঘাট, যোৰহাট আদি বিভিন্ন জিলাত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম

আঠ পৃষ্ঠাত চাওক

# ৰামপুৰৰ দৰাবিলত সৰৱ মৎস্যজীৱী

**ছয়গাঁও, ৩ মে' ঃ** মুখ্যমন্ত্ৰীৰ 'ড্ৰীম প্ৰজেক্ট' হিচাপে লোৱা 'অমৃত সাগৰ' অৰ্থাৎ মৎস্য পালনৰে জীৱিকা নিৰ্বাহ কৰা লোকৰ বিকাশ আৰু বিলসমূহৰ সংৰক্ষণৰ উদ্দেশ্যৰে এই আঁচনি গ্ৰহণ কৰি ৰূপায়ণৰ দিশত আগবাঢ়ে। দৰাবিল সংৰক্ষণ আৰু বিকাশৰ জৰিয়তে বিলখনক নতুনকৈ প্ৰাণ দিবলৈ লাগি থকা দৰাবিল মহোৎসৱ উদ্‌যাপন সমিতি আৰু সংশ্লিষ্ট কৈৱৰ্ত গাঁৱৰ ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰি মুখ্যমন্ত্ৰীৰ এই সপোনৰ আঁচনি অনুসৰি মাছৰ প্ৰতিপালন আৰু বৃদ্ধিৰ উদ্দেশ্যৰে ৰিয়াৰিং পুখুৰী, নাৰ্ছাৰী পুখুৰী অৰ্থাৎ ডাঙৰ, মজলীয়া তথা সৰু আকাৰৰ নটা পুখুৰী সংলগ্ন এক আঁচনি লাভ কৰি ইতিমধ্যে কাম আৰম্ভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ এমজি এনৰেগা আঁচনিৰ ২০২১-২২ৰ অধীনত ৰূপায়ণ হ'বলগীয়া এই আঁচনি ৰূপায়ণত জবকাৰ্ডৰ গৰাকীয়ে শ্ৰমদান কৰি দৈনিক মজুৰি লাভ কৰে। সেই মতে ১২২ গৰাকী জবকাৰ্ডৰ গৰাকীয়ে বিগত সপ্তাহলৈ কাম কৰে যদিও খিদিৰপুখুৰী ফিচাৰী কোঃঅপাৰেটিভ ছ'চাইটি লিঃৰ সভাপতি যতীন কৈৱৰ্ত আৰু সম্পাদক বাসুদেৱ কৈৱৰ্তই ৰামপুৰ খণ্ড উন্নয়ন বিষয়াক এক (সভাৰ মতে ভুৱা) অভিযোগ দাখিল কৰাত দৰাবিল মহোৎসৱৰ উদ্‌যাপন সমিতি তথা সংশ্লিষ্ট কৈৱৰ্ত গাঁৱৰ ৰাইজ জাঙুৰ খাই আজি দৰাবিলৰ বাকৰিত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। দৰাবিল মহোৎসৱৰ উদ্‌যাপন সমিতিৰ সভাপতি গিৰীন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সমিতিৰ কাৰ্যকৰী সভাপতি বাবুলি হাজৰিকা, সাধাৰণ সম্পাদক মিলন মজুমদাৰ, প্ৰাক্তন সাধাৰণ সম্পাদক উমেশ চন্দ্ৰ কলিতা, সচেতন

আঠ পৃষ্ঠাত চাওক

**অচিৰেই লোকনিৰ্মাণ বিভাগৰ এক্সকেভেটৰ চলিব শুৱালকুছিৰ শতাধিক পৰিয়ালৰ গৃহত**

# মথাউৰি নিৰ্মাণৰ বাবেই উচ্ছেদ হোৱাৰ আশংকাত কটাইছে বিনিদ্ৰ ৰজনী




**অগ্ৰদূতবাৰ্তা**

**শুৱালকুছি, ৩ মে' ঃ** বস্ত্ৰনগৰী শুৱালকুছিৰ বালিচৰত ক্ষিপ্ৰগতিত নিৰ্মাণ কৰা লোকনিৰ্মাণ বিভাগৰ নৱনিৰ্মিত মথাউৰিৰ বাবে উচ্ছেদিত হ'ব প্ৰায় শতাধিক পৰিয়াল। শুৱালকুছি গান্ধী মৈদামৰ পৰা ঘাটিয়াললৈ প্ৰায় দুই কিলোমিটাৰ অঞ্চলত নিৰ্মাণৰত মথাউৰিটোৰ নিৰ্ধাৰিত অঞ্চলত নৈপৰীয়া শতাধিক লোকৰ ঘৰ-বাৰী উচ্ছেদ হোৱাটো প্ৰায় নিশ্চিত হৈ পৰাত বিনিদ্ৰ ৰজনী কটাইছে সেই পৰিয়ালসমূহে। অৱশ্য বিভাগীয়ভাৱে এই পৰ্যন্ত কোনো ধৰণৰ জাননী জাৰি কৰা নাই যদিও নিৰ্মাণকাৰ্যৰ খৰতকীয়া গতি দেখি পৰিয়ালসমূহ শংকিত হৈ পৰিছে। ইতিমধ্যে মথাউৰি নিৰ্মাণৰ কাম অতি ক্ষিপ্ৰতাৰে দ মাটি পৰ্বতলৈ প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ঠায়ে ঠায়ে নিৰ্মাণৰ তাগিদাত বহু পুৰণি আপুৰুগীয়া বৃহৎ গছ কাটিও তহিলং কৰিছে। দ মাটি পৰ্বতৰ কিৰণ দাস, মইনা নাথ, ৰংমাই দাস, নকুল ঠাকুৰীয়া আৰু বৈকুণ্ঠ দাসৰ ঘৰ দুই-এদিনতে উচ্ছেদ কৰিব বুলি মথাউৰি নিমাণৰ দায়িত্বত থকা ঠিকাদাৰজনে মৌখিকভাৱে জনোৱা বুলি পৰিয়ালসমূহে জনাইছে। আনকি এই পৰিয়ালকেইটাৰ ঘৰৰ পাছফালৰ গছবোৰ কালি কাটি পেলোৱাত পৰিয়ালকেইটাই শীঘ্ৰে স্থান এৰিব লাগিব বুলি আশংকা কৰি বিবুধিত পৰিছে। ইয়াৰে বয়োজ্যেষ্ঠা শিপিনী কিৰণ দাসেৰ সংবাদ মাধ্যমৰ আগত কয়, 'দিন ভিক্ষা, প্ৰাণ ৰক্ষা কৰা আমাৰ

আঠ পৃষ্ঠাত চাওক

# ৰাজ্যজুৰি সমূহীয়া ঈদৰ নামাজ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ মে' ঃ** সমগ্ৰ দেশৰ লগতে তেজপুৰৰ বিভিন্ন স্থানত আজি ঈদৰ সমূহীয়া নামাজ সম্পন্ন হয়। চহৰখনৰ ঈদগাহ ময়দানত আজি পুৱা বৃহত্তৰ তেজপুৰৰ লগতে দাঁতিকাষৰীয়া আৰু কৰ্মসুত্ৰে তেজপুৰলৈ অহা ইছলাম ধৰ্মাৱলম্বী লোকে এই নামাজত অংশগ্ৰহণ কৰে। ঈদগাহ ময়দানত বিগত দুটা বছৰ ক'ভিডৰ বাবে সমূহীয়া নামাজ সীমিত সংখ্যক লোকৰ উপস্থিতিত সম্পন্ন কৰা বুলি সদৰী কৰা আয়োজক সমিতিয়ে এইবেলি পৰিস্থিতি স্বাভাৱিক হোৱাৰ বাবে যথেষ্ট সংখ্যক লোক নামাজলৈ ওলাই অহা বুলি সদৰী কৰে। তদুপৰি এই নামাজত কে'বাজনো অন্য ধৰণৰ সক্ষম লোককো নামাজৰ সুবিধা কৰি দিয়া হয়। মাহজোৰা ৰোজাৰ অন্তত এই বিশেষ দিনটোলৈ অপেক্ষা কৰি থকা ইছলাম ধৰ্মাৱলম্বী বহুসংখ্যক লোকে পাঁচমাইল অঞ্চলতো ঈদ উপলক্ষে সমূহীয়া নামাজত অংশ লয় পুৱা ৮-৩০ বজাত। ইফালে, ঈদৰ বাবে তেজপুৰৰ নিকটৱৰ্তী শইকীয়া চুবুৰি মুছলমান গাঁওস্থিত জামে মছজিদ আলোকসজ্জাৰে সজাই-পৰাই তোলাৰ লগতে

আঠ পৃষ্ঠাত চাওক

## আৰ এছ এছৰ আৰ্হিত উত্তৰ প্ৰদেশত মহল্লা শাখা খুলিব আপে



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ৩ মে’ ঃ** এইবাৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ আৰ্হিত উত্তৰ প্ৰদেশৰ অলিয়ে গলিয়ে মহল্লা শাখা গঠন কৰিব আম আদমী পাৰ্টি (আপ) য়ে। অহা জুলাইৰ পৰা অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে উত্তৰ প্ৰদেশত মহল্লা শাখা গঠন কৰিব। আপৰ এই শাখাৰ নাম ৰখা হৈছে ত্ৰিৰংগা শাখা। এনে মহল্লা শাখাত অঞ্চলটোৰ পুৰুষ আৰু মহিলাসকল সমবেত হ’ব আৰু সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰাৰ লগতে স্বাধীনতা আন্দোলনৰ সংগ্ৰামীসকলৰ জীৱন কাহিনীৰ চৰ্চা কৰিব। মহল্লা শাখাত মুদ্ৰাস্ফীতিৰ পৰা আৰম্ভ কৰি নিবনুৱা সমস্যাৰ দৰে বিষয়সমূহো আপৰ সমৰ্থকসকলে আলোচনা কৰিব।

## এইবাৰ মহিলাক গাড়ীচালকৰ অনুজ্ঞাপত্ৰ প্ৰদানত আপত্তি তালিবানৰ



**নিউজ ব্যুৰ’, কাবুল, ৩ মে’ ঃ** লাহে লাহে আফগানিস্তানৰ তালিবান চৰকাৰৰ পূৰ্বৰ স্বৰূপ উন্মোচিত হ’বলৈ ধৰিছে। প্ৰকাশিত বাতৰি অনুসৰি এইবাৰ তালিবানে দেশখনৰ মহিলাক গাড়ীচালকৰ অনুজ্ঞাপত্ৰ দিবলৈ অস্বীকাৰ কৰিলে। আফগানিস্তানত পূৰ্বৰে পৰা পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰচলিত হৈ আহিছে যদিও পূৰ্বে বৃহৎ চহৰসমূহত সাধাৰণতে মহিলাই যান-বাহন চলাইছিল। কিন্তু হেৰাটৰ ট্ৰেফিক মেনেজমেণ্ট ইনষ্টিটিউটৰ মুৰব্বী আগা অচাকজায়ে প্ৰকাশ কৰা অনুসৰি মহিলাক গাড়ীচালকৰ অনুজ্ঞাপত্ৰ প্ৰদান নকৰিবলৈ তালিবান চৰকাৰে নিৰ্দেশ দিয়াৰ পাছত তেওঁলোকে গাড়ীচালকৰ অনুজ্ঞাপত্ৰ মহিলাৰ নামত জাৰি কৰাৰ পৰা বিৰত আছে। ‘আমাক নিৰ্দেশ দিয়া হৈছে যাতে আমি মহিলাক গাড়ীচালনাৰ প্ৰশিক্ষণ নিদিও আৰু অনুজ্ঞাপত্ৰ জাৰি নকৰো।’ অচাকজায়ে এইদৰে কয়।

## নেপালৰ নৈশক্লাৱত ৰাহুল ঃ কংগ্ৰেছে ক’লে ‘বিয়া খাবলৈহে গৈছিল’

**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ মে’ ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ এটা ভিডিঅ’ ক্লিপ্ হঠাতে ভাইৰেল হ’ল। এই ভিডিঅ’ত আবদ্ধ হোৱা দৃশ্য অনুসৰি কংগ্ৰেছ সাংসদজনে এটা নৈশক্লাৱৰ পাৰ্টিত অংশ লৈছিল। এই ভিডিঅ’ক লৈ বিজেপিয়ে সামাজিক মাধ্যমত বিশেষ প্ৰচাৰ চলাইছে। প্ৰকাশিত বাতৰি অনুসৰি নেপাল ভ্ৰমণলৈ যোৱা ৰাহুলে কাঠমাণ্ডুৰ এটা বিলাসী নৈশক্লাৱত সুন্দৰীৰ স’তে পাৰ্টিত অংশ লৈছিল। ছুটি ভিডিঅ’টোত ৰাহুলে এগৰাকী যুৱতীৰ স’তে পাৱত উপস্থিত থকাৰ দৃশ্য আবদ্ধ হৈছিল। ৰাহুলে এইদৰে নেপালৰ নৈশক্লাৱত পাৰ্টিত ব্যস্ত থকাক লৈ বিজেপিয়ে প্ৰশ্ন উত্থাপন কৰিলে। বিজেপি নেতা অমিত মালব্যই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি টুইটাৰত কয়, ‘সমগ্ৰ মুম্বাই যেতিয়া অৱৰুদ্ধ তেতিয়া ৰাহুল গান্ধী আছিল নাইটক্লাৱত। যেতিয়া তেওঁৰ দলত এটাৰ পাছত আন এটা বিস্ফোৰণ সংঘটিত হৈছে, সেই সময়ত তেওঁক দেখা গ’ল নাইটক্লাৱত। এই বিষয়ত তেওঁ অবিৰত।’ অৱশ্যে ৰাহুলৰ এই ভিডিঅ’ৰ সন্দৰ্ভত কংগ্ৰেছে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ৰাহুলে তেওঁৰ নেপালী বান্ধৱী এগৰাকীৰ বিবাহৰ পাৰ্টিতহে অংশ লৈছিল। কংগ্ৰেছে সামাজিক মাধ্যমত মন্তব্য কৰি কয়, ‘বিবাহৰ পাৰ্টিত অংশ লোৱাটো দেশত এতিয়াও নিশ্চয় অপৰাধ নহয়। বিয়া খাবলৈ যাবলৈকো বিজেপিৰ অনুমতি ল’ব লাগিব নেকি?’ ‘দ্য কাঠমাণ্ডু প’ষ্ট’ৰ বাতৰি অনুসৰি ৰাহুলে তেওঁৰ নেপালত থকা সাংবাদিক বান্ধৱী সুমিনমা উদাসৰ বিবাহত অংশ ল’বলৈ কাঠমাণ্ডুলৈ গৈছিল।



## এইবাৰ দিল্লীত লাউডস্পীকাৰ আঁতৰোৱাৰ দাবী



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ মে’ ঃ** উত্তৰ প্ৰদেশৰ পাছত এইবাৰ লাউডস্পীকাৰক লৈ বিতৰ্ক আৰম্ভ হ’ল দিল্লীত। দিল্লীৰ বিজেপিৰ সভাপতি আদেশ গুপ্তাই দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাললৈ পত্ৰ লিখি ৰাজধানীত থকা ধৰ্মীয় স্থানৰ পৰা লাউডস্পীকাৰ আঁতৰ কৰাৰ দাবী জনালে। বিজেপিৰ সভাপতিজনে পত্ৰত কয় যে দিল্লীতো উচ্চতম ন্যায়ালয়ৰ নীতি-নিৰ্দেশনা পালন কৰি সকলো ধৰ্মীয় স্থানৰ পৰা লাউডস্পীকাৰ আঁতৰাই নিয়া উচিত। গুপ্তাই লগতে কয় যে দিল্লীত শব্দ প্ৰদূষণ শীৰ্ষত আৰোহণ কৰিছে আৰু সেয়েহে ধৰ্মীয় স্থানৰ পৰা সকলো লাউডস্পীকাৰ আঁতৰ কৰা জৰুৰী।


### যোৱা মাহত ৰাজস্থান, পূব উত্তৰ প্ৰদেশ, পশ্চিম মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰৰ বিদৰ্ভত তাপমাত্ৰা ৪৫ ডিগ্ৰী ছেলছিয়াছলৈ বৃদ্ধি

# ১২২ বছৰত তৃতীয় উষ্ণতম এপ্ৰিলৰ সাক্ষী হ’ল ভাৰত

**নিউজ ব্যুৰ’ নতুন দিল্লী, ৩ মে’ ঃ** বিগত এপ্ৰিল মাহটো আছিল ভাৰতৰ বাবে এক উষ্ণতম মাহ। যোৱা ১২২ বছৰৰ পাছত বিগত এপ্ৰিল আছিল উষ্ণতম মাহ। কেন্দ্ৰীয় বতৰ বিজ্ঞান বিভাগে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ১৯০১ বৰ্ষৰ পাছত এইবাৰ তৃতীয়বাৰলৈ দেশ সবাতোকৈ উষ্ণতম এপ্ৰিলৰ সন্মুখীন হ’ল। ইয়াৰ পূৰ্বে ২০১০ আৰু ২০১৬ বৰ্ষতো এপ্ৰিলত তাপপ্ৰবাহ আৰু সৰ্বোচ্চ তাপমাত্ৰাৰ সাক্ষী হৈছিল উত্তৰ-পশ্চিম ভাৰত। অৱশ্যে পূৰ্বৰ এই দুই উষ্ণতা বৃদ্ধিৰ অভিলেখকো অতিক্ৰম কৰিলে ২০২২ৰ এপ্ৰিলে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি যোৱা এপ্ৰিলত ৰাজস্থান, পূব উত্তৰ প্ৰদেশ, পশ্চিম মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ বিদৰ্ভত তাপমাত্ৰাই ৪৫ ডিগ্ৰী ছেলছিয়াছৰ সীমা অতিক্ৰম কৰিছিল। সমগ্ৰ এপ্ৰিল মাহ ধৰি উত্তৰ-পশ্চিম ভাৰতত তাপমাত্ৰা বৃদ্ধি অব্যাহত আছিল। ১৯০১ৰ পাছত তৃতীয়বাৰৰ বাবে ভাৰতত এপ্ৰিল সবাতোকৈ উষ্ণতম হ’ল। যোৱা মাহত সৰ্বোচ্চ তাপমাত্ৰাৰ গড় আছিল ৩৫.৩০ ডিগ্ৰী ছেলছিয়াছ। স্বাভাৱিকভাৱে ভাৰতত এপ্ৰিলত গড় তাপমাত্ৰা ৩৩.৯৪ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত থাকে। ১৯০১ বৰ্ষৰ পাছত ২০১০ত প্ৰথমবাৰ ভাৰতত এপ্ৰিলত সৰ্বোচ্চ গড় তাপমাত্ৰা ৩৫.৪২ ডিগ্ৰী ছেলছিয়াছ হৈছিল। ইয়াৰ পাছত ২০১৬ বৰ্ষত দেশ দ্বিতীয়বাৰলৈ সৰ্বোচ্চ উষ্ণতম এপ্ৰিলৰ সাক্ষী হৈছিল। সেইবাৰ এপ্ৰিলত তাপমাত্ৰা ৩৫.৩২ ডিগ্ৰী ছেলছিয়াছলৈ বৃদ্ধি পাইছিল। যোৱা মাহত উত্তৰ-পশ্চিম ভাৰতত মাত্ৰ ৫.৬ মিলিমিটাৰ বৃষ্টিপাত হৈছিল। ১৯০১ৰ পাছত তৃতীয়বাৰৰ বাবে শুষ্কতম এপ্ৰিলৰ সাক্ষী হ’ল সমগ্ৰ দেশ। অৱশ্যে এপ্ৰিলত ছিকিম আৰু পশ্চিমবংগৰ উত্তৰ অঞ্চলত সৰ্বাধিক বৃষ্টিপাত হৈছিল।



## সমগ্ৰ বিশ্বতে নিগৃহীত হৈছে মুছলমান ঃ হোৱাইট হাউছত ঈদ উদ্‌যাপনত মন্তব্য বাইডেনৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৩ মে’ ঃ** সমগ্ৰ বিশ্বজুৰি মুছলমানসকল আক্ৰান্ত হৈ আছে। হোৱাইট হাউছত ঈদ উদ্‌যাপনৰ সময়ত এই মন্তব্য প্ৰকাশ কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে লগতে কয় যে আমেৰিকাক প্ৰতিদিনে শক্তিশালী কৰি তুলিছে মুছলমানসকলে। বাইডেনে প্ৰকাশ কৰা মতে, আমেৰিকাত সদায় প্ৰকৃত সামাজিক প্ৰত্যাহ্বান আৰু ভাবুকিৰ স’তে মুছলমানসকলে সংগ্ৰাম কৰিবলগীয়া হৈছে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক ধৰ্মীয় স্বাধীনতা বিষয়ত মাৰ্কিন ৰাষ্ট্ৰদূত হিচাপে কোনো মুছলমান ব্যক্তিক বাইডেন প্ৰশাসনে নিয়োগ কৰিলে। হোৱাইট হাউছত বাইডেন কয়, ‘আজিৰ বিশ্বত মুছলমানসকলে বহু সময়ত নিগৃহীত হৈছে। আজিৰ পবিত্ৰ দিনত আমি সেইসকলৰ কথাও ভাবিব লাগিব, যিসকল দুৰ্ভিক্ষ, হিংসা, সংঘৰ্ষ আৰু ৰোগৰ মুখামুখি হৈছে। এইসকলৰ মাজত উইঘূৰ আৰু ৰোহিংগ্যা মুছলমানসকলো আছে।’

## আগষ্টত দেশত আৰম্ভ হ’ব পাৰে ৫ জি সেৱা



**নিউজ ব্যুৰ’ নতুন দিল্লী, ৩ মে’ ঃ** ভাৰতত অহা আগষ্টৰ ভিতৰতে ৫ জি ইণ্টাৰনেট সেৱা বন্ধ হোৱাৰ সম্ভাৱনা আছে। টেলিকম মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয় যে অহা আগষ্টৰ অন্তিম ভাগৰ ভিতৰত ভাৰতত ৫ জি ইণ্টাৰনেট সেৱা আৰম্ভ কৰা হ’ব। মন্ত্ৰীজনে লগতে কয় যে ইতিমধ্যে স্পেকট্ৰামৰ বিক্ৰী আৰম্ভ হৈছে আৰু অহা জুনৰ ভিতৰতে সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। ৫ জি সেৱা দেশত প্ৰৱৰ্তিত হোৱাৰ পাছত ইণ্টাৰনেটৰ গতি যথেষ্ট বৃদ্ধি পাব। ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে বৰ্তমানে সন্মুখীন হৈ অহা ডেটাৰ গতিৰ সমস্যাৰ পৰাও ৫ জি সেৱা প্ৰৱৰ্তিত হোৱাৰ পাছত সকাহ লাভ কৰিব।

## নীতিশক বিহাৰত প্ৰত্যাহ্বান জনাব প্ৰশান্ত কিশোৰৰ জন সুৰাজে



**নিউজ ব্যুৰ’, পাটনা, ৩ মে’ ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে এইবাৰ বিহাৰৰ পৰা নতুন ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিব। টুইট কৰি কিশোৰে জনতাক গণতন্ত্ৰৰ শিক্ষক অভিহিত কৰি ৰাইজৰ কাষ চাপিবলৈ বিহাৰত জন সুৰাজ আৰম্ভ কৰিব বুলি ঘোষণা কৰিলে। কিশোৰে জন সুৰাজৰ জৰিয়তে বিহাৰত নতুন ৰাজনৈতিক দল গঠনৰ ইংগিত দিয়া বুলিও সামাজিক মাধ্যমত ব্যাপক চৰ্চা চলিছে। অৱশ্যে কিশোৰৰ ঘনিষ্ঠ মহলে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি কিশোৰে অতি শীঘ্ৰে ৰাজনৈতিক দল গঠন নকৰে। ইয়াৰ পৰিৱৰ্তে বিহাৰৰ গ্ৰামাঞ্চল ভ্ৰমণ কৰি নতুন ৰাজনৈতিক দলৰ সম্ভাৱনাৰ সন্দৰ্ভত কিশোৰে এক অধ্যয়ন চলাব। ইয়াৰ পাছতহে ৰাজনৈতিক দল গঠনৰ ক্ষেত্ৰত তেওঁ প্ৰয়োজনীয় সিদ্ধান্ত ল’ব পাৰে। অৱশ্যে জন সুৰাজ অভিযানৰ কথা ঘোষণা কৰি কিশোৰে একপ্ৰকাৰ নীতিশ কুমাৰৰ সুশাসনক প্ৰত্যাহ্বান জনালে। অহা পাঁচ মে’ত কিশোৰে এই সন্দৰ্ভত সবিশেষ ঘোষণা কৰাৰ সম্ভাৱনা আছে।


## যোধপুৰত ১২ ঘণ্টাত তিনিবাৰ হিংসাকাণ্ড ঃ ১০ স্থানত সান্ধ্যআইন



**নিউজ ব্যুৰ’, যোধপুৰ, ৩ মে’ ঃ** ৰাজস্থানৰ যোধপুৰত ঈদৰ পূৰ্বে তিনিটা স্থানত ভয়াৱহ হিংসা কাণ্ড সংঘটিত হ’ল। যোধপুৰৰ একাধিক স্থানত দুটা সম্প্ৰদায়ৰ লোকৰ মাজত হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে ইতিমধ্যে ১০ টা অঞ্চলত সান্ধ্যআইন জাৰি কৰিছে। যোৱা নিশা ঈদ উপলক্ষে পতাকা আৰু লাউডস্পীকাৰ ব্যৱহাৰ কৰাক লৈ যোধপুৰৰ তিনিটা স্থানত দুটা সম্প্ৰদায়ৰ মাজত শিল দলিয়াই সংঘৰ্ষৰ সৃষ্টি হৈছিল। আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ লাঠিচালনা কৰিবলগীয়া হয়। উত্তেজিত জনতাই আৰক্ষীলৈ শিলাবৰ্ষণ কৰাত চাৰিজন আৰক্ষী গুৰুতৰভাৱে আহত হয়। ঘটনাৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৰাজ্য প্ৰশাসনৰ পৰা প্ৰতিবেদন বিচাৰিছে।

## দ্বিতীয় বিশ্বযুদ্ধৰ শিক্ষা পাহৰিলে ৰাছিয়াই ঃ কটাক্ষ জেলেনস্কিৰ

**নিউজ ব্যুৰ’, কীভ, ৩ মে’ ঃ** ‘দ্বিতীয় বিশ্বযুদ্ধৰ শিকনি পাহৰিলে ৰাছিয়াই।’ এইদৰে ৰাছিয়াৰ বৈদেশিক মন্ত্ৰীৰ ‘হিটলাৰ’ মন্তব্যৰ প্ৰত্যুত্তৰ দিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিয়ে। কটাক্ষ কৰি জেলেনস্কিয়ে কয় যে হিটলাৰৰ শৰীৰত ইহুদিৰ তেজ থকা বুলি ৰুছ বৈদেশিক মন্ত্ৰীয়ে প্ৰকাশ কৰা মন্তব্যৰ পৰা এই কথা স্পষ্ট হ’ল যে ৰাছিয়াই দ্বিতীয় বিশ্বযুদ্ধৰ শিক্ষা পাহৰিলে। অথবা তেওঁলোকে হয়তো উক্ত বিশ্বযুদ্ধৰ পৰা কোনো শিক্ষা লোৱা নাছিল।’ কালি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিক ‘হিটলাৰ’ বুলি অভিহিত কৰিছিল ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী চাৰ্গেই লাভৰভে। মন্ত্ৰীজনে মন্তব্য কৰি কৈছিল, ‘ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কি ইহুদি হ’লেও তেওঁৰ নাজীৰ স’তে থকা যোগসূত্ৰ নুই কৰিব নোৱাৰি। হিটলাৰো অৰ্ধেক ইহুদী আছিল। হিটলাৰ আৰু জেলেনস্কিৰ শৰীৰত একে ইহুদী ৰক্ত বৈ আছে।’ ৰুছ বৈদেশিক মন্ত্ৰীৰ এই মন্তব্যৰ সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে কয়, ‘এনে মন্তব্যৰ প্ৰতিবাদ কৰাৰ ভাষা মোৰ নাই। এই বিষয়ত এতিয়াও মস্কো নীৰৱ হৈ আছে। অৰ্থাৎ আমি ধৰি ল’ব পাৰো যে দ্বিতীয় বিশ্বযুদ্ধৰ পৰা ৰাছিয়াই কোনো শিক্ষা নল’লে।’



## এমাহত দেশত ৭০ শতাংশ বৃদ্ধি কৰ’নাৰ সংক্ৰমণ, পুনৰ জটিল হ’ব পাৰে পৰিস্থিতি

**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ মে’ ঃ** ভাৰতত কৰ’নাৰ সক্ৰিয় ৰোগীৰ সংখ্যা আকৌ এবাৰ দ্ৰুতভাৱে বৃদ্ধি পাইছে। বিগত এমাহত দেশত কৰ’নাত আক্ৰান্ত লোকৰ সংখ্যা ৬৯.৫৪৯ শতাংশ বৃদ্ধি পালে। পৰিসংখ্যা অনুসৰি দুই এপ্ৰিলত ভাৰতত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যা আছিল ১১,২৮৭ জন। দুই মে’ত দেশত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যা ১৯,১৩৭ জনলৈ বৃদ্ধি পালে। যদিহে বৰ্তমানৰ হাৰত ক’ভিডৰ সংক্ৰমণ দেশত অব্যাহত থাকে তেন্তে আগন্তুক দিনত ভাৰতৰ ক’ভিড পৰিস্থিতি পুনৰ জটিল হ’ব পাৰে। যোৱা এক সপ্তাহত অৰ্থাৎ ২৬ এপ্ৰিলৰ পৰা দুই মে’লৈকে ভাৰতত ২৫২০ জন সক্ৰিয় ক’ভিড ৰোগী বৃদ্ধি পালে। ইয়াৰ পূৰ্বে ১৯ৰ পৰা ২৫ এপ্ৰিলৰ সময়ছোৱাত দেশত ২,৬৬৭ জন সক্ৰিয় ক’ভিড ৰোগী আছিল। একেদৰে ১২ এপ্ৰিলৰ পৰা ১৮ এপ্ৰিলৰ সময়ছোৱাত দেশত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যা আছিল ১,১৭২ জন। বৰ্তমানে দৈনিক দেশত ২০০-৬০০ জনকৈ সক্ৰিয় ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰ মাজতে এদিন-দুদিন দেশত সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস পাইছিল। সম্প্ৰতি ক’ভিডৰ দৈনিক সংক্ৰমণ আৰু মৃত্যুৰ পৰিসংখ্যাৰ ক্ষেত্ৰত ভাৰত ১৭ সংখ্যক স্থানত আছে। বৰ্তমানে আমেৰিকাত দৈনিক ৪০-৫০ হেজাৰ লোক ক’ভিডত আক্ৰান্ত হৈছে। ইফালে, জাৰ্মানী আৰু ফ্ৰান্সত দৈনিক গড়ে ১৫০-২০০ জন ক’ভিড ৰোগীৰ মৃত্যু হৈছে। ভাৰতত বৰ্তমানলৈকে চাৰি কোটি ৩০ লাখৰো অধিক লোক কৰ’নাত সংক্ৰমিত হোৱাৰ বিপৰীতে পাঁচ লাখ ২৩ হেজাৰ ৮৮৯ জন ৰোগীৰ মৃত্যু হৈছে। সম্প্ৰতি দেশৰ ২৫ খন জিলাত ক’ভিড পৰিস্থিতি জটিল হৈছে।



## দীৰ্ঘদিন পাছত দেশত নিম্নমুখী কৰ’নাৰ সক্ৰিয় ৰোগী, চতুৰ্থ ঢৌৰ শংকা নুই আই চি এম আৰৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ মে’ ঃ** দেশৰ একাধিক ৰাজ্যত কৰ’নাৰ সংক্ৰমণ নতুনকৈ বৃদ্ধি পালেও স্বস্তিৰ খবৰ দিলে ইণ্ডিয়ান কাউঞ্চিল অব্ মেডিকেল ৰিছাৰ্চ (আই চি এম আৰ)-এ। আই চি এম আৰৰ বিশেষজ্ঞই দাবী কৰা অনুসৰি ভাৰতত সম্প্ৰতি কৰ’নাৰ চতুৰ্থ ঢৌৰ আগমনৰ বিশেষ সম্ভাৱনা নাই। যোৱা ২৪ ঘণ্টাত দেশত ক’ভিডৰ দৈনিক সংক্ৰমণ ২,৫৬৮ জনলৈ হ্ৰাস পালে। এদিন পূৰ্বে ভাৰতত তিনি হেজাৰৰ অধিক লোক কৰ’নাত সংক্ৰমিত হৈছিল। যোৱা ২৪ ঘণ্টাত দেশত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যাও ১৯,১৩৭ জনলৈ হ্ৰাস পালে। আনহাতে, যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত ২০ জন ক’ভিড ৰোগীৰ মৃত্যু হ’ল। বিগত এদিনত দেশৰ ৰাজধানী দিল্লীত এহেজাৰৰ অধিক লোক কৰ’নাত আক্ৰান্ত হ’ল।

## তামিলে হিন্দীত বাৰ্তালাপ কৰিব কিয় ঃ প্ৰশ্ন গায়ক ছনুৰ




**নিউজ ব্যুৰ’ মুম্বাই, ৩ মে’ ঃ** হিন্দী ভাষাক লৈ বলিউড আৰু দক্ষিণ ভাৰতৰ চলচ্চিত্ৰ অভিনেতাৰ মাজত টুইটাৰত বিতৰ্ক অব্যাহত থকাৰ সময়তে এইবাৰ এই বিষয়ত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে গায়ক ছনু নিগমে। ছনুৱে কয় যে ভাষাক লৈ অযথা তৰ্ক কৰা উচিত নহয়। ‘এনেয়ে দেশত বহু সমস্যা আছে। ভাৰতীয় সংবিধানত লিখা আছে হিন্দী আমাৰ জাতীয় ভাষা। হিন্দী ভাৰতৰ সৰ্বাধিক লোকৰ মুখৰ ভাষা। আনহাতে, তামিল হৈছে সবাতোকৈ পুৰণি ভাষা। বহুতে কয় তামিল বিশ্বৰ সবাতোকৈ প্ৰাচীন ভাষা। কোনে কি ভাষা ক’ব, সেয়া জাপি দিয়া অনুচিত। তামিলসকলে নিজৰ ভাষাত কথা পাতিব পাৰে আৰু বিচাৰিলে ইংৰাজীও ক’ব পাৰে। মোৰ অনুৰোধ অনুগ্ৰহ কৰি দেশত আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ টুকুৰাত বিভক্ত নকৰিব।’ ছনুৱে এইদৰে কয়।

## ১৪ বছৰ পুৰণি গোচৰত ৰাজ থাকৰেলৈ জাৰি কৰিলে জামিন বিহীন পৰোৱানা



**নিউজ ব্যুৰ’, মুম্বাই, ৩ মে’ ঃ** পশ্চিম মহাৰাষ্ট্ৰৰ চাংগলি জিলাৰ এখন আদালতে ১৪ বছৰ পুৰণি এটা গোচৰত মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনা (এম এন এছ)ৰ মুৰব্বী ৰাজ থাকৰেলৈ জাৰি কৰিলে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা। উল্লেখ্য যে থাকৰেয়ে যোৱা পহিলা মে’ৰ দিনা ঔৰংগাবাদত ভাষণ ৰখাৰ সময়ত মহাৰাষ্ট্ৰ চৰকাৰক চাৰি মে’ৰ ভিতৰত মছজিদৰ পৰা লাউডস্পীকাৰ আঁতৰ কৰিবলৈ সময়সীমা বান্ধি দিছিল। থাকৰেয়ে লগতে হুংকাৰ দি কৈছিল, ‘চৰকাৰে এনে পদক্ষেপ গ্ৰহণ নকৰিলে আমি মছজিদৰ সন্মুখত আজানতকৈ অধিক উচ্চ স্বৰত হনুমান চালিচা বজাই শুনাম।’ ২০০৮তে থাকৰেৰ বিৰুদ্ধে উচটনিমূলক ভাষণ ৰখাৰ অভিযোগত চাংগলিত এক গোচৰ ৰুজু কৰা হৈছিল। ১৪ বছৰ পাছত এই গোচৰতে আদালতে এম এন এছৰ মুৰব্বীৰ বিৰুদ্ধে জামিনবিহীন পৰোৱানা জাৰি কৰিলে।

## ৰাছিয়াৰ পৰা তেল ক্ৰয় বন্ধ কৰিব পাৰে চেক গণৰাজ্যই



**নিউজ ব্যুৰ’, প্ৰাগ, ৩ মে’ ঃ** ৰাছিয়াই ইউক্ৰেইনত অব্যাহত ৰখা আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ইউৰোপীয় দেশসমূহে ৰুছ বিৰোধী স্থিতি গ্ৰহণ কৰিছে। অলপতে বেলজিয়ামৰ ৰাজধানী ব্ৰ’চেলছত শক্তি মন্ত্ৰণালয়ৰ দায়িত্বত থকা ইউৰোপীয় সংঘৰ মন্ত্ৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত চেক গণৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী জ’জেফ চিকেলাই স্পষ্টভাৱে কয় যে তেওঁলোকৰ দেশে ৰাছিয়াৰ পৰা গেছ ক্ৰয়ৰ বাবদ ৰুছ মুদ্ৰা ৰুবেল পৰিশোধ নকৰে। চিকেলাই লগতে কয় যে চেক গণৰাজ্যই যিকোনো দেশৰ পৰা গেছ ক্ৰয় কৰিলে ইউৰোৰ জৰিয়তে মূল্য পৰিশোধ কৰে। উল্লেখ্য যে ৰাছিয়াই শেহতীয়াভাৱে ইউৰোপীয় দেশসমূহক ক্ৰয় কৰা ইন্ধনৰ বাবদ ৰাছিয়াক ৰুবেলত মূল্য পৰিশোধ কৰিবলৈ হেঁচা দিছে। চেক গণৰাজ্যৰ মন্ত্ৰীজনে স্পষ্টভাৱে কয় যে এইদৰে ৰাছিয়াই পূৰ্ব চৰ্ত আৰোপ কৰাৰ ফলত ২০২২ৰ অন্তিম ভাগলৈ ৰাছিয়াৰ পৰা চেক গণৰাজ্যই তেল ক্ৰয় কৰা বন্ধ কৰিব পাৰে।

## গৰ্ভপাতৰ অধিকাৰ নাথাকিব আমেৰিকাত, বিৰোধিতাৰে আন্দোলন অব্যাহত

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৩ মে’ ঃ** আমেৰিকাত ৫০ বছৰ পুৰণি গৰ্ভপাতৰ অধিকাৰ সমাপ্ত কৰাৰ যো-জা চলিছে। সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি আমেৰিকাত মহিলাসকলে গৰ্ভপাতৰ অধিকাৰ হেৰুৱাব। ইতিমধ্যে গৰ্ভপাতৰ অধিকাৰ বাহাল ৰখাৰ দাবীৰে সহস্ৰাধিক মাৰ্কিন নাগৰিকে প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিছে। ১৯৭৩ৰ এক ঐতিহাসিক সিদ্ধান্ত উল্লেখ কৰা হৈছিল যে গৰ্ভপাতৰ অধিকাৰ মহিলাৰ এক সাংবিধানিক অধিকাৰ। কিন্তু শেহতীয়াভাৱে আমেৰিকাৰ সৰ্বোচ্চ ন্যায়ালয়ে ৫০ বছৰ পুৰণি এই অধিকাৰৰ পৰা মাৰ্কিন মহিলাক বঞ্চিত কৰাৰ উদ্দেশ্যেৰে এক নতুন সিদ্ধান্ত গ্ৰহণ কৰিছে। আমেৰিকাত গৰ্ভপাতৰ অধিকাৰ নাথাকিব বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পোৱাৰ পাছত দেশখনৰ বহু মহিলাই ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। গৰ্ভপাতৰ অধিকাৰ বৰ্তমানৰ দৰে বাহাল ৰাখি ছয়সপ্তাহৰ অধিক সময়ৰ গৰ্ভধাৰণৰ ক্ষেত্ৰত গৰ্ভপাতৰ অনুমতি নিদিবলৈ একাংশ লোকে দাবী জনাইছে।




## কংগ্ৰেছ ত্যাগ নিশ্চিত হাৰ্দিকৰ, ক’ত কৰিব যোগদান?



**নিউজ ব্যুৰ’, নতুন দিল্লী, ৩ মে’ ঃ** বিগত কে’বামাহ ধৰি কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে প্ৰকাশ্যে ক্ষোভ প্ৰকাশ কৰি আহিছিল হাৰ্দিক পেটেলে। এইবাৰ হাৰ্দিকে কংগ্ৰেছ ত্যাগ কৰাৰ সম্ভাৱনা প্ৰকট হ’ল। টুইটাৰৰ আত্মপৰিচয় শিতানৰ পৰা হাৰ্দিকে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যবাহী সভাপতি পদৰ তথ্য মচি দিলে। এই পদক্ষেপ গ্ৰহণৰ পাছত হাৰ্দিকে কংগ্ৰেছ ত্যাগ কৰাটো একপ্ৰকাৰ নিশ্চিত হৈছে। টুইটাৰৰ প্ৰ’ফাইলৰ পৰা হাৰ্দিকে হাতৰ প্ৰতীকো আঁতৰালে। কংগ্ৰেছ ত্যাগ কৰিলে হাৰ্দিকে কোন দলত যোগদান কৰিব বুলিও প্ৰশ্ন উত্থাপিত হৈছে। পূৰ্বে একাধিকবাৰ বিজেপিক প্ৰশংসা কৰা হেতুকে একাংশ লোকে হাৰ্দিকে বিজেপিত যোগদান কৰিব বুলি মন্তব্য কৰিছে। আন একাংশৰ মতে, হাৰ্দিকে আম আদমী পাৰ্টি (আপ)ত যোগদানৰ বাবে যো-জা চলাইছে। অৱশ্যে এই সন্দৰ্ভত পাটিদাৰ নেতাজনে এতিয়ালৈকে কোনো মন্তব্য প্ৰকাশ কৰা নাই।

# ঐতিহাসিক ধোদৰ আলিত পুখুৰী সদৃশ গাঁত

## ■ কুম্ভকৰ্ণ নিদ্ৰাত সংশ্লিষ্ট বিভাগ-ৰাজ্য প্ৰশাসন ■ মেৰামতিৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**আঠখেলীয়া, ৩ মে' :** উজনি অসমত আহোম ৰাজত্বৰ স্বাক্ষৰ ঐতিহাসিক ধোদৰ আলিত মেৰামতিৰ অভাৱত সৃষ্টি হৈছে দ' গাঁত। আহোম ৰাজত্ব কালতে গোলাঘাট জিলাৰ কমাৰ গাঁৱৰ পৰা জয়সাগৰলৈ বৰ্তমানৰ গোলাঘাট, যোৰহাট আৰু শিৱসাগৰ জিলাৰ প্ৰায় মাজেদি নিৰ্মাণ কৰা পথটো দেশ স্বাধীনতাৰ পৰৱৰ্তী সময়ত জিলাকেইখনৰ যাতায়াতৰ মূল পথ হিচাপে কে'বাবাৰো নতুনকৈ নিৰ্মাণ কৰাৰ পাছত ৭০ দশকৰ পথটোৰ পকীকৰণ কৰাৰ পাছত দেশৰ উত্তৰ-পূব পৰিষদে আহল-বহলকৈ নিৰ্মাণ কৰিছিল। উল্লেখ্য যে উত্তৰ-পূব পৰিষদৰ একাংশ বিষয়া- ঠিকাদাৰৰ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বাবে পথটোৰ কোনো কোনো অংশ নিৰ্মাণৰ পাছতে যাতায়াতৰ অনুপযোগী হোৱাৰো অভিযোগ উঠিছিল যদিও উপযুক্তভাৱে মেৰামতি নোহোৱাত পথটো যাতায়াতৰ অনুপযোগী হৈ পৰিছিল যদিও তদানীন্তন প্ৰশাসনে বিশেষ গুৰুত্ব আৰোপ নকৰাৰো অভিযোগ উত্থাপিত হৈছিল। অসমত ২০১৬ত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ পৰৱৰ্তী সময়ত উক্ত পথটো মেৰামতি কৰাতকৈ দুইলেনযুক্তকৈ নতুন পথ কৰিবৰ বাবে বিগত সময়ত একাধিকবাৰ জোখ-মাখ কৰি পথটোৰ কাষৰীয়া বাসিন্দা, ব্যৱসায়িক প্ৰতিষ্ঠান আদিত ৰঙা দাগ দি গৈছে যদিও পথটো নতুনকৈ নিৰ্মাণ কৰিবলৈ ক'তো এচপৰা মাটিও নেপেলোৱাৰ অভিযোগ উঠিছে। বিগত ২০২১ৰ বিধানসভাৰ নিৰ্বাচনৰ আগে আগে পথটোৰ কিয়াংশত সামান্যতম মেৰামতিয়ে পথ মেৰামতিৰ ভেকোভাওনা কৰিছিল যদিও তেনে স্থানসমূহত বৰ্তমান মাছ জীয়াব পৰাকৈ পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ জনতাৰ বিলাই-বিপত্তি অধিক বৃদ্ধিহে কৰিছে। নতুনকৈ দুইলেনযুক্ত কৰিবলৈ আঁচনি লোৱা এই পথটো বৰ্তমান সময়ত যদি মেৰামতিত কৰা নহয় পথ নিৰ্মাণৰ অন্ত হোৱালৈ জনতাৰ যি দুৰাৱস্থা হ'ব সেয়া বৰ্ণনাতীত হোৱাৰ সম্ভাৱনা আছে বুলি ৰাইজে প্ৰকাশ কৰিছে। আনহাতে, উত্তৰ-পূবে ভাৰতৰ নগাৰাজ্য, মণিপুৰ, কাৰ্বি আংলং আদিৰ জনতাৰ উজনি অসমৰ লগত সম্পৰ্ক ৰাখিব পৰা এই চমু পথটোৰ বিধ্বস্তৰূপে অসম চৰকাৰে উন্নয়নৰ ফোঁপোলা স্বৰূপটো এই পথটোৰ সেই উদঙোৱাৰো অভিযোগ উঠিছে।



# বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্মজয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ৩ মে' :** বিশ্ববৰেণ্য কবি, কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ১৬২ সংখ্যক জন্মজয়ন্তী বিগত কেইবছৰৰ দৰে এইবেলিও তামুলপুৰ জিলাৰ গোৰেশ্বৰ আঞ্চলিক ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ন আৰু ১০ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কাৰ্যসূচী মতে, প্ৰথমদিনা স্বচ্ছ অভিযান, মুখ্যদ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী অৰুণ ৰয়ে। শ্ৰদ্ধাঞ্জলি আৰু বিশ্বকবিজনাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰিব ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নিৰ্মল দেৱনাথে। বৃক্ষৰোপণ কৰিব সমাজকৰ্মী সত্যনাথ ঠাকুৰীয়া, প্ৰধান শিক্ষক সুনীল মণ্ডল, অৱসৰপ্ৰাপ্ত শিক্ষক ৰতন দেৱনাথ, সমাজকৰ্মী গীৰেণ বড়ো, বিশিষ্ট ব্যৱসায়ী ফুলন নাগ, শিক্ষক জীতেশ বিশ্বাস আৰু বিশিষ্ট ব্যৱসায়ী প্ৰবীণ বড়োৱে। ইয়াৰ পাছত কবিতা আবৃত্তি প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক সত্যৰঞ্জন ৰয়ে। আবেলি চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব চিত্ৰশিল্পী অঞ্জন ৰয়ে। বন্তি প্ৰজ্বলন কৰিব বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। ইয়াৰ পাছতে সমাজকৰ্মী সুৰেন চন্দ্ৰ বড়ো, বিশিষ্ট ব্যৱসায়ী ভগীৰথ সাহা, ৰতন ঘোষ, মণিশংকৰ আগৰৱালা, স্বপন দাসে বন্তি প্ৰজ্বলন কৰিব। সন্ধিয়া ৰবীন্দ্ৰ সংগীতানুষ্ঠান উদ্বোধন কৰিব বিজেপিৰ ৰাজ্যিক কমিটীৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাই। কাৰ্যসূচীৰ দ্বিতীয় দিনা স্বচ্ছ অভিযান আৰু সন্ধিয়া বিচিত্ৰানুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ সদস্য পৱিত্ৰ কুমাৰ বড়োৱে। বিচিত্ৰানুষ্ঠানৰ বিশেষ আকৰ্ষণ বন্দিশ ভট্টাচাৰ্য, দিব্যজ্যোতি গগৈ আৰু নৱনীতা পালৰ সংগীতানুষ্ঠানৰ জৰিয়তে অনুষ্ঠানৰ সামৰণি পৰিব। ইতিমধ্যে এই অনুষ্ঠান পৰিচালনাৰ বাবে সভাপতি নিৰ্মল দেৱনাথ, উপ-সভাপতি তপন সৰকাৰ, সম্পাদক মদন সাহা, সহ-সম্পাদক দয়াল দাস, কোষাধ্যক্ষ প্ৰদীপ ঘোষ, নয়ন দেৱনাথক লৈ কে'বাখনো উপ-সমিতিৰে এখন আদৰণি সমিতি গঠন কৰিছে। আদৰণি সমিতিয়ে সৰ্বস্তৰৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# ১৮৯৪ত ব্ৰিটিছৰ বিৰুদ্ধে ৰণ-দুন্দুভি বাজিছিল ৰাজকদমতলত

## ■ ৰাজকদমতলত অসম ভিত্তিত কুইজ প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩ মে' :** নলবাৰীৰ ঐতিহাসিক ৰাজকদমতল পাণ্ডাৰ থানত যোৱা পহিলা মে'ত সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা সম্পন্ন হয়। পূব নলবাৰী কুইজ ফ'ৰাম আৰু প্ৰেৰণা টিউচন চেণ্টাৰৰ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতাখন উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া ৰবেন্দ্ৰ কুমাৰ দাসে। এই উপলক্ষে আয়োজিত উদ্বোধনী সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মন, অধিবক্তা পংকজ শৰ্মা, পূব-নলবাৰী শিক্ষাখণ্ডৰ সমল ব্যক্তি চন্দ্ৰামিতা শৰ্মা আৰু শিক্ষক দীপাংক শৰ্মা। ভাষণত বৰ্মনে ৰাজকদমতলৰ ইতিহাসৰ বিষয়ে উল্লেখ কৰি কয় যে ১৮৯৪তে ব্ৰিটিছৰ বিৰুদ্ধে ৰণ-দন্দুভি বাজি উঠিছিল এই ৰাজকদমতলত। পাণ্ডাৰ থানৰ বাকৰিতে ৰাইজে মেল পাতি ব্ৰিটিছে বঢ়োৱা মাটিৰ খাজনা নিদিয়াৰ বাবে অংগীকাৰবদ্ধ হৈছিল। ৰণধীৰ মেধি, টিংকু দাস, ৰঞ্জন কলিতা, আদিত্য বৈশ্য, মানসজ্যোতি বৰ্মন, নীলোৎপল মেধি আদিয়ে কুইজ পৰিচালনাত বিশেষভাৱে সহায় কৰে। স্কুলীয়া পৰ্যায়ৰ কুইজ পৰিচালনা কৰে টৌমুৰাৰ গিৰীশ বৰ্মনে। স্কুল পৰ্যায়ৰ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে বিকাশজ্যোতি শৰ্মা আৰু ভাৰ্গব প্ৰতিম কাশ্যপে। দ্বিতীয় স্থান লাভ কৰে পৰিস্মিতা শৰ্মা আৰু শাশ্বতী শৰ্মাৰ দলে। তৃতীয় পুৰস্কাৰ লাভ কৰে জ্যোতিদীপা পৰাশৰ আৰু ৰক্তিম অভিনন্দন বৰ্মনে। বঁটা বিতৰণী সভাত সুভাষ বৰ্মনৰ লগতে উপস্থিত থাকে ৰাজকদমতল হৰি মন্দিৰ সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে দীনেশ চন্দ্ৰ বৰ্মন আৰু তনু ৰাম দাস।



# প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰথম খোজ

## ■ শুৱালকুছি কে আৰ কে হাইস্কুলত প্ৰাচীৰ পত্ৰিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৩ মে' :** 'শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুল'ত কালি এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰি বিদ্যালয়খনৰ এছএমডিচি'ৰ সভাপতি তথা অৱসৰী শিক্ষক শৈলেন শৰ্মাই প্ৰাচীৰ পত্ৰিকা বিদ্যালয় এখনৰ দাপোণৰ দৰে। বিদ্যালয়ত প্ৰৱেশ কৰিয়েই যিকোনো ব্যক্তিয়ে বিদ্যালয়ৰ সন্মুখত প্ৰাচীৰ পত্ৰিকা ওলমি থকা দেখিলেই বিদ্যালয়খন যে সাহিত্যৰ দিশত আগবঢ়া তাক পৰিস্ফুট হৈ পৰে। বিদ্যালয়ৰ এনে কাৰ্যই সকলোকে আকৰ্ষিত কৰে আৰু বিদ্যালয়খনৰ প্ৰতি এটা যোগাত্মক ভাৱৰ সৃষ্টি হয়। লগতে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সাহিত্যৰ দিশত প্ৰথম খোজ হিচাপে চিহ্নিত হয়। কিয়নো তেওঁলোক জীৱনত সৰ্বপ্ৰথম নিজে লিখি উলিওৱা কবিতা, চুটি গল্প, বিভিন্ন ব্যংগাত্মক ৰচনা, জানানে, সাঁথৰ, চিত্ৰ আদি প্ৰাচীৰ প্ৰত্ৰিকাৰ জৰিয়তে প্ৰকাশ কৰি এক বিৰল আনন্দ লাভ কৰে। পৰৱৰ্তী সময়ত এই ছাত্ৰ-ছাত্ৰীসকলেই সমাজত একো একোগৰাকী প্ৰথিতযশা সাহিত্যিক হৈ পৰাৰ সম্ভাৱনা থাকে। তেওঁ পুনৰ কয় যে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ আৰম্ভণিৰ এক অন্যতম মাধ্যম। প্ৰতিখন বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক এই সুবিধা প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজন। বিদ্যালয়খনৰ সহকাৰী শিক্ষক প্ৰীতম নাথে আঁত ধৰা প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক (ভাঃপ্ৰঃ) দিবাকৰ কলিতাৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু একাংশ অভিভাৱক উপস্থিত থাকে।

# বিশ্বনাথৰ পৌৰসভা প্ৰেক্ষাগৃহত অনুষ্ঠিত বিশ্বনাথ জিলা মহিলা মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩ মে' :** বিশ্বনাথ জিলাৰ বিশ্বনাথ পৌৰসভাৰ প্ৰেক্ষাগৃহত পৰহি বিশ্বনাথ জিলা মহিলা মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে বিশ্বনাথ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী লীনা শইকীয়া বৰা, বিজেপিৰ অসম ৰাজ্যিক মহিলা মৰ্চাৰ সম্পাদিকা মধুস্মিতা হাজৰিকা ডেকা, অসম চৰকাৰৰ পশুধন নিগমৰ উপাধ্যক্ষ তথা বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য পৰেশ বৰকাকতি, অসম চৰকাৰৰ অন্যান্য পিছপৰা শ্ৰেণীৰ উপাধ্যক্ষ তথা বিজেপিৰ ৰাজ্যিক সদস্য ৰঞ্জন গগৈ, বিজেপিৰ জিলা সমিতিৰ উপ-সভানেত্ৰীদ্বয় শেৱালি শৰ্মা, মন্দিৰা শইকীয়া, বিশ্বনাথ পৌৰসভাৰ উপ-পৌৰপতি দীপক শইকীয়া, বিশ্বনাথ জিলা মহিলা মৰ্চাৰ বিষয়ববীয়া, কাৰ্যনিৰ্বাহক সদস্য, ১১ টা মণ্ডলৰ সভানেত্ৰী, উপ-সভানেত্ৰী, সাধাৰণ সম্পাদিকাসকল। উক্ত সভাত মহিলা মৰ্চাৰ দায়িত্বত থকা পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যাসকলক সম্বৰ্ধনা জনোৱাৰ লগতে মহিলা মৰ্চাৰ সাংগঠনিক ভেটি সবল কৰাৰ ক্ষেত্ৰত ল'বলগীয়া আগন্তুক পদক্ষেপবোৰৰ বিষয়ত আলোচনা কৰা হয়।

# মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত হাতে লিখা আলোচনী উন্মোচন

**তিতাবৰ, ৩ মে' :** তিতাবৰ শিক্ষা খণ্ডৰ অধীনস্থ মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত যোৱা ৩০ এপ্ৰিলত 'আলোক' নামৰ এখন হাতে লিখা আলোচনীখন উন্মোচন কৰে। শিক্ষক হেমকান্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত আলোচনী উন্মোচনী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যোৰহাট জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰশিক্ষাৰ্থী ভাৰ্গৱ বিকাশ বৰাই। উক্ত সভাত মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক দেৱজ্যোতি গগৈয়ে বক্তব্য প্ৰদান কৰে। যোৰহাট জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী নৈমিষা গগৈ, দেৱজিত গগৈ, তিতিক্ষা গগৈ, ভাৰ্গৱ বিকাশ বৰা আৰু জয়ন্ত শইকীয়াই আলোচনীখন প্ৰকাশত অগ্ৰণী ভূমিকা লয়। আলোচনীখন সম্পাদনা কৰে বিদ্যালয়খনৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ আৰ্চি ৰায়ে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰ নাথ পেগুৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**চিলাপথাৰ, ৩ মে' :** ৰামধন দিখাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক উপেন্দ্ৰ নাথ পেগুৰ আজি নিশা এক বজাত জোনাই মহকুমাৰ দিখাৰী গাঁৱৰ নিজ বাসগৃহত উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। পেগু যোৱা পাঁচ বছৰৰ পূৰ্বে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হোৱাৰ পাছত পক্ষাঘাত ৰোগতো আক্ৰান্ত হৈ আছিল। ১৯৫৮ত দিখাৰী গাঁৱত জন্ম গ্ৰহণ কৰা পেগুৱে দিখাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা আৰু ৰামধন দিখাৰী এম ই স্কুলত উচ্চ মাধ্যমিক, জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক আৰু প্ৰাক বিশ্ববিদ্যালয়ৰ আৰু মুৰ্কংচেলেক মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। ২০০১ত ৰামধন দিখাৰী হাইস্কুলৰ প্ৰধান শিক্ষকৰ পদত অধিষ্ঠিত হৈ ২০১৭ লৈ উক্ত পদত কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতে উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হোৱাৰ বাবে প্ৰধান শিক্ষকৰ পদ ইস্তফা দিছিল। পেগু এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ আৰু এগৰাকী অভিজ্ঞতাসম্পন্ন ঢোলবাদক আছিল। তেওঁৰ মৃত্যুত দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

# অসমীয়া খাদ্য সম্ভাৰে শিশুৰ পৰিপুষ্টি সাধনত সহায় কৰে



## ■ ঝংকাৰ সংগীত-চাৰুকলা বিদ্যালয়ৰ দশম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ৩ মে' :** 'অসমীয়া অপূৰ্ব খাদ্য সম্ভাৰে স্বাস্থ্য নিৰোগী কৰি ৰখাত যথেষ্ট সহায় আগবঢ়ায়। বিশেষকৈ অসমীয়া খাদ্য সম্ভাৰৰ যিসমূহ জা-জলপান আছে সেই সমূহে শিশুসকলৰ পৰিপুষ্টি সাধনত যথেষ্ট অৱদান আগবঢ়ায়।' পূব যোৰহাটৰ সংগীত শিক্ষাৰ অগ্ৰণী সংগীত বিদ্যালয় ঝংকাৰ সংগীত আৰু চাৰুকলা বিদ্যালয়ৰ দশম সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি আয়োজন কৰা এখন সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি এইদৰে কয় ড° পৱন বৰুৱাই। পদুমণিস্থিত ঝংকাৰ সংগীত আৰু চাৰুকলা বিদ্যালয়ত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত তেওঁ শিশুসকলৰ শাৰীৰিক মানসিক বিকাশৰ ক্ষেত্ৰত সংগীতকে আদি কৰি বিভিন্ন সহকাৰী শিক্ষায়তনিক দিশ সমূহৰ অৱদান অতুলনীয় বুলি উল্লেখ কৰে। শ্যাম বৰুৱাৰ সভাপতিত্ব অনুষ্ঠিত সভাখনত বিদ্যালয়খনৰ অধ্যক্ষ নকুল শইকীয়াই আদৰণী ভাষণ আগবঢ়াৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী শুভাকাংক্ষী তথা অভিভাৱকসকলৰ উপস্থিতিত জীপাল হৈ পৰা সভাখনল আৰম্ভণিতে ৬০ উৰ্ধ্বৰ তিনিগৰাকী অভিভাৱকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# লাহিং সন্মিলিত যুৱ মঞ্চৰ ৰঙালী বিহু পালন

**চেলেংহাট, ৩ মে' :** লাহিং সন্মিলিত যুৱ মঞ্চৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত লাহিং শুকানজনীয়া উপ-স্বাস্থ্যকেন্দ্ৰৰ প্ৰাংগণ, মইনাপুৰীয়াত যোৱা পহিলা দিনজোৰা কাৰ্যসূচীৰে সপ্তম বাৰ্ষিক ৰঙালী বিহু সন্মিলন পালন কৰা হয়। পৰিৱেশ নিকাকৰণৰ পাছতে উদ্‌যাপন সমিতিৰ সভাপতি নিত্যনন্দ শৰ্মাই বিহুৱান উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে লাহিং সন্মিলিত যুৱ মঞ্চৰ সভাপতি মইনউদ্দিন আহমেদে। ইয়াৰ পাছতে পৰম্পৰাগত কনীযুঁজ, ভেশচন, সৰু বিহুৱতী, বিহুৱতী আৰু হুঁচৰি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিহুৱতী প্ৰতিযোগিতাত ৰিণি চুতীয়াই প্ৰথম, দৰ্শিতা দত্তই দ্বিতীয় আৰু বিদ্যাদিপ্তা বৰুৱা আৰু ভাগ্যশ্ৰী হাজৰিকাই যুটীয়াভাৱে তৃতীয়, সোণপাহি চুতীয়া আৰু আয়ুস্মিতা দিহিঙীয়াই উদগনিমূলক বঁটা লাভ কৰে। বিহুৱতী প্ৰতিযোগিতাত ধেমাজিৰ পাহাৰী বুঢ়াগোহাঁইয়ে প্ৰথম আৰু বন্যানী গগৈ আৰু বন্যাশ্ৰী মহনে যুটীয়াভাৱে দ্বিতীয় স্থান লাভ কৰে। আনহাতে, হুঁচৰি বিহু প্ৰতিযোগিতাত চেৰেকাপাৰৰ সূৰুযমুখী হুঁচৰি দলে প্ৰথম আৰু শিৱসাগৰৰ জাঁজীপৰীয়া হুঁচৰি দলে দ্বিতীয় স্থান লাভ কৰে। ইপিনে, ভেশচন প্ৰতিযোগিতাত ৰুণুদেৱী চুতীয়াই প্ৰথম, গীতা, চুতীয়াই দ্বিতীয় আৰু ফুলেশ্বৰী গুৱালাই তৃতীয় স্থান লাভ কৰে।

# পলাশবাৰী সমষ্টিৰ বিধায়কৰ এবছৰীয়া বৰ্ষপূৰ্তি পালন



**অগ্ৰদূতবাৰ্তা**
**পলাশবাৰী, ৩ মে' :** ২০২১ ইং বৰ্ষৰ দুই মে'ৰ দিনটোত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে আন আন সমষ্টিৰ লগতে পলাশবাৰী সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল হেমাংগ ঠাকুৰীয়া। সেয়েহে পলাশবাৰীত কালি দিনযোৰা কাৰ্যসূচীৰে এবছৰীয়া বৰ্ষপুৰ্তি উদযাপন কৰে বিধায়ক ঠাকুৰীয়াই। পুৱা মিৰ্জাস্থিত শ্ৰীশ্ৰী মাঁ নিজেশ্বৰী মন্দিৰত তেওঁ আশীষ লয়।

এই পবিত্ৰ স্থানৰ পৰাই যোৱা বছৰৰ বিধানসভা নিৰ্বাচনত মনোনয়ন দাখিল কৰিবলৈ যোৱা সময়ত আশীষ লৈ গৈছিল বিধায়কজনে। এবছৰীয়া কাৰ্যকালৰ পূৰ্ণ হোৱাত এবছৰীয়া দিনটোত পুনৰ মনত পেলাই আশীষ লবলৈ আহিল শ্ৰীশ্ৰী নিজেশ্বৰী মন্দিৰলৈ। তাৰ পাছতে সোনতলাস্থিত দ্বীপশিখা ফাউণ্ডেচনে গঢ়ি তোলা কৰ্কট ৰোগীৰ শুশ্ৰূষা কেন্দ্ৰত উপস্থিত হৈ ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰাৰ লগতে আৰ্থিকভাৱেও সহায়ৰ হাত আগবঢ়ায়। বৰ্ষপুৰ্তি উপলক্ষে বিধায়ক হেমাংগ ঠাকুৰীয়াৰ পৃষ্ঠপোষকতাত মিৰ্জাস্থিত সতোপাৰা ৰাইজ গয়ৰহ মন্দিৰ প্ৰাঙ্গনত দলীয় কাৰ্যকৰ্তাৰ মতবিনিময় অনুষ্ঠিত হয়। দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত মতবিনিময় অনুষ্ঠানত বিধায়ক ঠাকুৰীয়াই কেক কাটি এবছৰীয়া বৰ্ষপূৰ্তি উদযাপন কৰে।

# ডিগবৈ বালিজান বৰজান শাখা সাহিত্য সভাৰ আজীৱন সভ্য সমাৰোহ সম্পন্ন




**ডিগবৈ, ৩ মে' :** তিনিচুকীয়া জিলা অসম সাহিত্য সভাৰ অন্যতম বালিজান বৰজান শতদল শাখা সাহিত্য সভাৰ উদ্যোগত আজীৱন সভ্য সমাৰোহখন বৰবিল গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত হয়। শাখা সাহিত্য সভাৰ সম্পাদক ক্ষীৰেশ্বৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত সভাপতিত্বত কৰে শাখাৰ সভাপতি গোপাল চন্দ্ৰ দাসে। অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ অন্যতম সদস্য ড° গিৰিশ সন্দিকৈ মুখ্য অতিথিৰূপে উপস্থিত থাকি বালিজান শাখা সাহিত্য সভাক শতদলৰূপে ঘোষণা কৰি মানপত্ৰ প্ৰদান কৰে। উক্ত সভাত বিশিষ্ট অতিথিৰূপে তিনিচুকীয়া জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদিকা অৰুণিমা সন্দিকৈ, বেংক বিষয়া শ্ৰীমান হাজৰিকা উপস্থিত থাকে। উক্ত সভাতে মুনিন শইকীয়া, মানস প্ৰতীম দাস, ৰুণু হাজৰিকাকে আদি কৰি কে'বাগৰাকী সাহিত্যপ্ৰেমী লোকক আজীৱন সদস্য মানপত্ৰ প্ৰদান কৰাৰ লগতে বাসুদেৱ উপাধ্যায়, ৰিদিপ দত্ত আৰু অৰুণিমা সন্দিকৈয়ে স্বৰচিত কবিতা পাঠ কৰে। সভাত শাখা সাহিত্য সভাৰ সক্ৰিয় কৰ্মী তথা জ্যেষ্ঠ নাগৰিক গৌৰী প্ৰসাদ দত্ত, প্ৰদীপ শইকীয়া, কাব্য ছেত্ৰী, সুবৰ্ণ হাজৰিকা, গণেশ ছেত্ৰী আদি উপস্থিত থাকে।

# ৰাজৈ বাগান প্ৰাথমিক বিদ্যালয়ত আধাৰশিলা



**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ৩ মে' :** মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত ৰাজৈ বাগান প্ৰাথমিক বিদ্যালয়ৰ পকী চাৰি বেৰা, অতিৰিক্ত শ্ৰেণী কোঠা, আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে ২০২১-২০২২ত ২৫ লাখ টকা ব্যয়ৰে নিৰ্মাণকাৰ্য আৰম্ভ কৰা আধাৰশিলা স্থাপন কৰে টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই।

# ৰুণু বৰুৱাৰ কবিতা সংকলন-উপন্যাস উন্মোচন



**খুমটাই, ৩ মে' :** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বুধবাৰী গাঁৱৰ ৰুণু বৰুৱা নামৰ বিশেষভাৱে সক্ষম এগৰাকী যুৱতীয়ে বিদ্যালয়ৰ- মহাবিদ্যালয়ৰ আনুষ্ঠানিকভাৱে শিক্ষাগ্ৰহণ নকৰি কৃষ্ণকান্ত মুক্ত বিশ্ববিদ্যালয়ৰ যোগেদি স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে সংগোপনে চলাই গৈছিল সাহিত্য চৰ্চা। উল্লেখ্য যে ২০১৯ৰ দুই মে'ত অকাল মৃত্যুক সাবটি লৈছিল ৰুণুৱে। ফলত বিশেষভাৱে সক্ষম যুৱতীগৰাকীৰ বহু লেখা অপ্ৰকাশিত হৈ থাকি গৈছিল। ইফালে, আজি ৰুণুৰ তৃতীয় বাৰ্ষিক মৃত্যু দিৱসৰ দিনটোত তেওঁৰ পৰিয়ালৰ প্ৰচেষ্টাত ৰুণু বৰুৱাৰ কবিতা সংকলন 'মোৰ অনুভৱৰ পদূলিত' আৰু 'আবদ্ধ কোঠাৰ বিননি' নামৰ এখন উপন্যাস প্ৰকাশ কৰি উলিয়ায়। আজি তৃতীয় বাৰ্ষিক মৃত্যু দিৱসৰ দিনটোত ৰুণু বৰুৱাৰ বুধবাৰীস্থিত বাসগৃহত অনুষ্ঠিত এক অনুষ্ঠানত নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহেন শইকীয়াই ৰুণু বৰুৱাৰ দুখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। গ্ৰন্থ দুখন উন্মোচন কৰি অধ্যক্ষ শইকীয়া আবেগিক হৈ পৰাৰ লগতে প্ৰয়াত ৰুণু বৰুৱাৰ উপন্যাস 'আবদ্ধ কোঠাৰ বিননি' পঢ়ুৱৈ সমাজে আদৰি ল'ব বুলি আশাবাদী।

# শ্ৰমিক-ভাড়াতীয়াৰ তথ্য নাই আৰক্ষীৰ

## ■ আজাৰা থানা অঞ্চলত বৃদ্ধি পাইছে চুৰি-অসামাজিক কাৰ্য

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৩ মে' :** আজাৰা আৰক্ষীৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবে থানা অঞ্চলত ক্ৰমাৎ বৃদ্ধি পাই আহিছে অসামাজিক কাৰ্যকলাপ। উল্লেখ্য যে মহানগৰীৰ অন্যতম স্পৰ্শকাতৰ অঞ্চল হিচাপে চিহ্নিত আজাৰা থানা অঞ্চল। লোকপ্ৰীয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ, আজাৰা, ৰেলৱে ষ্টেছন, বাসুসেনা ষ্টেছনকে ধৰি বিএছএফ, এনডিআৰএফ, চিআৰপিএফৰ কাৰ্যালয় আছে আজাৰাত। ফলত আজাৰা আৰক্ষীৰ পহৰা হ'ব লাগে কটকটীয়া। কিন্তু স্থানীয় সচেতন নাগৰিকৰ অভিযোগ অনুসৰি নিশাৰ ভাগত নাথাকে আৰক্ষীৰ টহল। যাৰ বাবে সন্ধিয়াতে নাগৰিকৰ ঘৰৰ দুৱাৰ ভাঙি চোৰে লুটপাট চলায়। সঘনাই চুৰি হয় ডাম্পাৰ, দুচকীয়া-চাৰিচকীয়া বাহন। আজাৰা অঞ্চলত চলি আছে বহু উদ্যোগকে ধৰি ফ্লেটৰ নিৰ্মাণ। যিবোৰত নিয়োজিত হৈ আছে শ শ শ্ৰমিক। তদুপৰি আজাৰা ষ্টেছনতো লোডিং-আনলোডিঙত জড়িত কে'বা শতাধিক শ্ৰমিক। শ্ৰমিকসকলৰ সৰহ সংখ্যকে আজাৰাত ভাড়াতীয়া হিচাপে থাকে। আৰক্ষীয়ে নিজাববীয়াকৈ বা নাগৰিক কমিটী-গাঁওৰক্ষী বাহিনীৰ সহযোগত ভাড়াতীয়া শ্ৰমিকসকলৰ তথ্য সংগ্ৰহ কৰিব লাগে। ইয়াৰ পাছত সংশ্লিষ্ট থানালৈ তথ্য প্ৰেৰণ কৰি লোকজনৰ বিষয়ে বিষদ তথ্য সংগ্ৰহ কৰিব লাগে। কিন্তু আজাৰা আৰক্ষীয়ে শ্ৰমিক-ভাড়াতীয়াৰ তথ্য সংগ্ৰহৰ কোনো ব্যৱস্থা নকৰাত অপৰাধী মানসিকতাৰ লোকে নিৰ্বিঘ্নে ভাড়াতীয়া বা শ্ৰমিকৰ বেশেৰে অসামাজিক কাৰ্য চলাই আছে। এই ক্ষেত্ৰত আৰক্ষীৰ উৰ্ধ্বতন কৰ্তৃপক্ষক শীঘ্ৰে বিহিত ব্যৱস্থা ল'বলৈ সচেতন নাগৰিকসকলে দাবী জনাইছে।

# শালবাৰীৰ চমুৱাগাতিত জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ মে’ ঃ** বাগ্‌সাৰ শালবাৰী আঞ্চলিক ছাত্ৰ সন্থা আৰু গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত শালবাৰী মহকুমাৰ অন্তৰ্গত চমুৱাগাতিস্থিত শ্ৰীশ্ৰী কামাখ্যা দেৱালয় প্ৰাংগণত অহা ন মে’ত সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। দিনজোৰাকৈ অনুষ্ঠিত হ’বলগীয়া মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ বিভিন্ন কাৰ্যক্ৰমণিকাত দিনৰ ন বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন, ৯-১৫ বজাত বিহুৰ পতাকা উত্তোলন, ৯-৩০ বজাত ছহিদ তৰ্পণ কাৰ্যসূচী ৰূপায়িত হ’ব। বিয়লি তিনি বজাত বিহুৰ বাকৰি উদ্বোধন কৰিব শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্যই। লগতে অনুষ্ঠিত হ’বলগীয়া মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত শালবাৰী মহকুমাৰ মহকুমাধিপতি লক্ষ্যজ্যোতি দাসে মুখ্য অতিথিৰূপে, জালাহ ৰাজহ চক্ৰ বিষয়া ৰিতোত্তম বৰা, শালবাৰী মহকুমাৰ সহকাৰী আয়ুক্ত অনুস্মিতা দত্ত, সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকা, সাংগঠনিক সম্পাদক অপূৰ্ব ডেকা, বাগ্‌সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়া, সাধাৰণ সম্পাদক ডুলুমিত দাস, মুখ্য সাংগঠনিক সম্পাদক জুবিন দাস, শালবাৰী মহকুমাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক মিলন দাস, শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জগত চন্দ্ৰ বসুমতাৰীৰ লগতে কে’বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বিশিষ্ট অতিথি আৰু আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব।

# অবিভক্ত নগাঁও জিলাৰ পাঁচ শতাধিক গাঁৱৰ ভূগৰ্ভস্থ পানীত বিষাক্ত ফ্ল’ৰাইড

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ মে’ ঃ** খোৱাপানী টুপিও বৰবিহত পৰিণত হৈছে অবিভক্ত নগাঁও জিলাৰ বিভিন্ন অঞ্চলত। চৰকাৰী তথ্য অনুসৰি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও চক্ৰৰ অধীনস্থ নগাঁও আৰু হোজাই জিলাত ৪৮৫ খন গাঁৱৰ ভূগৰ্ভস্থ পানীত অতি মাত্ৰাত বিষাক্ত ফ্ল’ৰাইড উপলব্ধ হৈছে। ইয়াৰে নগাঁও সংমণ্ডলৰ কঠিয়াতলি অঞ্চলৰ ৫২ খন গাঁও, কামপুৰৰ বিভিন্ন অঞ্চল আৰু কলিয়াবৰৰ ১২০খন গাঁও ফ্ল’ৰাইড আক্ৰান্ত বুলি ইতিপূৰ্বে জনস্বাস্থ্য কাৰিকৰী বিভাগে নিশ্চিত কৰিছে। তদুপৰি জিলা দুখনৰ আন বহু অঞ্চলতো পানীত অধিক মাত্ৰাত বিষাক্ত ফ্ল’ৰাইড আছে। অতি চিন্তনীয় বিষয় যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কলিয়াবৰ সংমণ্ডলৰ অধীনস্থ আঞ্জুকপানী পাইপ পানী যোগান আঁচনি, হোজাই সংমণ্ডলৰ নিজপাৰখোৱা পানী যোগান আঁচনি, চাংমাঝি গাঁও পানী যোগান আঁচনিকেইখনৰ পানীতেই অতিমাত্ৰাত বিষাক্ত ফ্ল’ৰাইডৰ উপস্থিতি ধৰা পৰিছে। তদুপৰি হোজাইৰ ডৰকা, নিজ ডৰকা, নীলবাগান, যমুনামুখ, পাৰখোৱা,বালিৰাম গাঁও, হালধিআটি, তপতজুৰী, দীশাৰুমুখ, বিলাশপুৰী প্ৰমুখ্যে বিভিন্ন গাঁৱৰ ভূগৰ্ভস্থ পানীত অত্যধিক মাত্ৰাত বিষাক্ত ফ্ল’ৰাইড থকা বুলি বহু বছৰ পূৰ্বেই নিশ্চিত কৰিছিল জনস্বাস্থ্য কাৰিকৰী বিভাগে। অবিভক্ত জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন সংমণ্ডলৰ অধীনস্থ অঞ্চলৰ ফ্ল’ৰাইড আক্ৰান্ত অঞ্চলৰ ৰাইজে বছৰ বছৰ ধৰি ফ্ল’ৰাইডযুক্ত পানীকে সেৱন কৰি থকাত মাৰাত্মক ফ্ল’ৰচিছ ৰোগত আক্ৰান্ত হৈছে। বিশেষকৈ এই ৰোগত সংশ্লিষ্ট অঞ্চলৰ শিশু আৰু কিশোৰ-কিশোৰীসকল বেছিকৈ আক্ৰান্ত হৈ অকাল বিকলাংগতাক আঁকোৱালি ল’বলগীয়া হৈছে। অথচ নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগে ফ্ল’ৰাইড আক্ৰান্ত অঞ্চলৰ ৰাইজৰ বাবে বিকল্প পানীৰ কোনো ব্যৱস্থা কৰা নাই।

# লেখক হিতেশ ডেকাৰ স্মৃতিচাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ৩ মে’ ঃ** ‘লেখক এজনে সমাজ সংগঠনৰ চিন্তা কৰে। লেখকে সমাজ এখনৰ প্ৰতিচ্ছবি সুন্দৰভাৱে দাঙি ধৰে। লেখক সদায় সমাজৰ প্ৰতি দায়বদ্ধ হৈ থাকে। হিতেশ ডেকা তেনেকুৱা এগৰাকী শক্তিশালী লেখক আছিল।’ এই মন্তব্য বিশিষ্ট কবি, সাহিত্যিক হীৰেন্দ্ৰ কুমাৰ শৰ্মাৰ। নলবাৰী সাহিত্য সমাজৰ উদ্যোগত কালি নলবাৰীৰ খখৰিশালস্থিত প্ৰয়াত হিতেশ ডেকাৰ বাসভৱনত অনুষ্ঠিত নলবাৰী সাহিত্য সমাজৰ প্ৰাক্তন সম্পাদক তথা বিশিষ্ট লেখক-সমালোচক প্ৰয়াত হিতেশ ডেকাৰ স্মৃতিচাৰণ সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি তেওঁ এনেদৰে কয়। লেখক হিতেশ ডেকা বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল বুলি উল্লেখ কৰি শৰ্মাই কয় যে লেখক হিতেশ ডেকা সমাজৰ প্ৰতি দায়বদ্ধ আছিল। ডেকা অতি অমায়িক আৰু সজ ব্যৱহাৰৰ লোক আছিল বুলিও তেওঁ কয়। স্মৃতিচাৰণ সভাত উপস্থিত থাকি মানসজ্যোতি শৰ্মা আৰু নলবাৰী সাহিত্য সমাজৰ সম্পাদক নৱ তালুকদাৰে হিতেশ ডেকাৰ স্মৃতিচাৰণ কৰি স্মৃতিকাতৰ হয়। লেখক হিতেশ ডেকাৰ বন্ধু হিচাপে, সাহিত্যিক হিচাপে সান্নিধ্য লাভ কৰা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ লেখাবোৰ উচ্চ মানৰ আছিল বুলিও কবি শৰ্মাই কয়। স্মৃতিচাৰণ সভাৰ আৰম্ভণিতে হিতেশ ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে পত্নী বৈজয়ন্তী ডেকাই আৰু মাল্যাৰ্পণ কৰে ভ্ৰাতৃ, সমাজকৰ্মী কমল ডেকাই।



*তেজপুৰত সমূহীয়া নামাজ, মঙলবাৰে।*

# নগাঁৱত মৰাপাট খেতিত পোকৰ আক্ৰমণ

**বিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বেবেজীয়া, ৩ মে’ ঃ** ৰাজ্যৰ ভিতৰতে নগাঁও জিলাখনৰ মৰাপাট খেতিৰ বাবে এক বিশেষ স্থান আছে। এই বছৰ নগাঁও জিলাৰ ১৪৭ খন গাঁৱৰ ৮৪৬৭ হেক্টৰ মাটিত মৰাপাট খেতি কৰা হৈছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা যোজনাৰ অধীনত প্ৰদৰ্শনমূলক আঁচনিও সামৰি আছে। কিন্তু এই মৰাপাট পুলিবোৰ ডাঙৰ হৈ অহাৰ লগে লগে ছিটিকা নামৰ এবিধ মাৰাত্মক পোকে মৰাপাটৰ কুমলীয়া পাতবোৰ খাই নষ্ট হৈছে। পুলি অৱস্থাত পাতবোৰ খালে মৰাপাট খেতিডৰাৰ পৰা কৃষকে একো উৎপাদন নাপায়, ফলত খেতিয়কৰ শ্ৰম আৰু ধন অথলে যায়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ছিটিকা পোকৰ উপদ্ৰৱৰ খবৰ পোৱাৰ লগে লগে জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই মহকুমা কৃষি বিষয়া ৰঞ্জন প্ৰসাদ ডেকা, প্ৰেমেশ্বৰ নাথ আৰু কৃষি উন্নয়ন বিষয়া মনোজ বৈশ্যক নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ ধিং, খৰিয়ামাৰী, শ’লগুৰি, বিলতীয়া, সোণশিৰি আদি গাঁৱৰ পথাৰ পৰিদৰ্শন কৰিবৰ বাবে দায়িত্ব দিয়ে। কৃষি বিষয়াৰ দলটোয়ে আজি উক্ত গাঁওসমূহৰ পথাৰবোৰ ভ্ৰমণ কৰি কৃষকৰ মাজত এই পোকবিধৰ নিয়ন্ত্ৰণৰ বাবে সজাগতা সৃষ্টি কৰে। লগতে জিলা কৃষি বিভাগৰ পৰা বিনামূলীয়াকৈ কুইনলফচ্ নামৰ এবিধ কীটনাশক দৰব কৃষকৰ মাজত বিতৰণ কৰি পোক নিবাৰণৰ ব্যৱস্থা কৰে।

## ■ কৃষি বিভাগৰ দ্বাৰা ছিটিকা পোক নিয়ন্ত্ৰণৰ বাবে কীটনাশক দৰৱ বিতৰণ



উল্লেখ্য যে ২০১৪ত এই ছিটিকা পোকবিধে জিলাখনত এক সংহাৰী ৰূপত মৰাপাটৰ শস্য পথাৰ এফালৰ পৰা খাই তহিলং কৰাত কৃষকৰ বিস্তৰ ক্ষতিসাধন হৈছিল। কেৱল মৰাপাট খেতিয়েই নহয় আন শস্যবোৰো এফালৰ পৰা খাই এই অপকাৰী পোকটোৱে যথেষ্ট ক্ষতি কৰিছিল।

# গোৱৰ্ধনাত সম্প্ৰদায় উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩ মে’ ঃ** অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে অসম সৰ্বশিক্ষা অভিযান মিছন বৰপেটা জিলাৰ গোৱৰ্ধনা শিক্ষাখণ্ডৰ অন্তৰ্গত গোৱাৰ্ধনা মণ্ডল সমলকেন্দ্ৰ, গোৱৰ্ধনা হাইস্কুলত ‘সম্প্ৰদায় উৎসৱ’ আয়োজন সম্পৰ্কে গোৱৰ্ধনা হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰীতম কুমাৰ সাহাৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। অহা ১৪ মে’ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিতব্য সম্প্ৰদায় উৎসৱ উপলক্ষে প্ৰীতম কুমাৰ সাহাক সভাপতি, শৈলেন সৰকাৰক উপ-সভাপতি চিণ্ময় ঘোষক (চি আৰ চি) সম্পাদক, দয়াল বৰ্মন আৰু নজৰুল আলী আহমেদক সহকাৰী সম্পাদক ৰূপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। উক্ত সভাত বাগ্‌সা জিলা আমছুৰ সভাপতি ছাইফুল ইছলাম খান, আছুৰ গোৱৰ্ধনা আঞ্চলিক সমিতিৰ সম্পাদক অনুপ বৰ্মন, এজেৱাইচিপিৰ গোৱৰ্ধনা আঞ্চলিক সমিতিৰ সম্পাদক মদন বৰ্মন, বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি অৰ্জুন বৰ্মন, গোৱৰ্ধনা আঞ্চলিক গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ সম্পাদক মোস্তাক আলী আদি উপস্থিত থাকে।

# সোণাৰি শিক্ষা খণ্ডৰ এঙেৰা মণ্ডল সমল কেন্দ্ৰত ৰাইজৰ উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ৩ মে’ ঃ** সোণাৰি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা অভিযানৰ সহযোগত যোৱা পহিলা মে’ত দলবাগান সমীপৰ ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৰা শ্যামল জ্যোতি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰগোহাঁয়ে এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে বৃক্ষৰোপণ কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি কানিয়া মুণ্ডাই আৰু বন্তি প্ৰজ্বলন কৰে ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি পদ্মেশ্বৰ কৰ্মীয়ে। ইয়াৰ পাছতে এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ নিজ নিজ পতাকা বিদ্যালয়ৰ প্ৰধানসকলে উত্তোলন কৰে। দুপৰীয়া ৰাইজৰ উৎসৱ উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা আয়োজিত সাংস্কৃতিক কাৰ্যসূচী খেলুৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক প্ৰতিভা কুৰ্মীয়ে উদ্বোধন কৰে। এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মেদিনী মোহন মিলি আৰু এঙেৰা মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰঞ্জন বৰুৱাই যৌথভাৱে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত, ৭৫৩ নম্বৰ কলিয়ামাটি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জনজাতীয় বিহু, এঙেৰা মজলীয়া বিদ্যালয় আৰু হুলাল প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰীসকলে জেং বিহু, লিগিৰীবাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰীসকলে ঝুমুৰ, ২৪৬ নম্বৰ ধামধূলি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰীসকলে জেং বিহু, ৬৪৮ নম্বৰ এঙেৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰীসকলে বিহু নৃত্য, শ্যামল জ্যোতি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰীসকলে জেং বিহু, ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ৰ মাতৃ গোটে বোৱাৰী জেং বিহু আৰু গৰিয়াপথাৰ বৰবাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীসকলে দিহানাম পৰিৱেশন কৰে। ইফালে, পুৱা অনুষ্ঠিত কৰা পাৰ-পানী প্ৰতিযোগিতাত প্ৰথম-লিলি সোণোৱাল, দ্বিতীয়-পাপৰি চেতিয়া আৰু তৃতীয়-বিনু গগৈ। সেইদৰে উচ্চ শাখাৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম - পিংকি ভূঞা, দ্বিতীয়-ডিম্পী ফুকন আৰু তৃতীয়-মৃন্ময় গগৈ। নিম্ন শাখাৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম- ৰাজকৌশিক বড়া, দ্বিতীয়-কৌশিক দুৱৰী, তৃতীয়-বৈষ্ণৱী কোঁৱৰ আৰু দৰ্শনা গগৈ। কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল- ৭৫৩ নম্বৰ কলিয়ামাটি প্ৰাথমিক বিদ্যালয় আৰু দ্বিতীয় শ্ৰেষ্ঠ দল- এঙেৰা মজলীয়া বিদ্যালয়। বিয়লি গৰিয়াপথাৰ বৰবাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত চেতিয়া ফুকনৰ সভাপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত এঙেৰা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন বৰুৱাৰ লগতে চলাপথাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মনোজ ফুকন, ছ্যুকাফা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মৃদুল কোঁৱৰ, হলৌফুকন মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পৱন বৰুৱা, মথুৰাপুৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰঞ্জন প্ৰসাদ, লেঙীবৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মুকিবুৰ ৰহমান, সাংবাদিক জয়ন্ত বৰুৱা প্ৰমুখ্যে কৰি ভালেকেইজন বিশিষ্ট লোক উপস্থিত থাকে।

# পুৰণ ভৱানীপুৰত গোপাল আতাৰ তিৰোভাৱ-আবিৰ্ভাৱ তিথি মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৩ মে’ ঃ** অহা পাঁচ মে’ৰ পৰা তিনিদিনীয়াকৈ ভৱানীপুৰ সমষ্টিৰ ঐতিহাসিক পুৰণ ভৱানীপুৰ গোপাল আতা সত্ৰত ‘আতাপুৰুষ’ গোপাল আতাৰ ৪১১ সংখ্যক তিৰোভাৱ আৰু ৪৮১ সংখ্যক আৱিৰ্ভাৱ তিথি মহোৎসৱৰ আয়োজন কৰা হৈছে। তিথি মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি দিগাম্বৰ ভৰালী আৰু মুখ্য সম্পাদক কাৰ্তিক দাসে এই কথা জানিবলৈ দিছে। জানিবলৈ দিয়া মতে, আৰম্ভণিতে পাঁচ মে’ত পুৰণ ভৱানীপুৰৰ ‘নিউ হোপ এছ’চিয়েছন’ৰ উদ্যোগত পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে অনুষ্ঠানৰ আৰম্ভ কৰা হ’ব। সত্ৰৰ নৱনিৰ্মিত তোৰণ আৰু বাটচ’ৰা উন্মোচন কৰিব ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। ছয় মে’ত ভালাগুৰী গাঁৱৰ নামদলৰ দ্বাৰা প্ৰভাত ফেৰী অনুষ্ঠানেৰে দ্বিতীয় দিনৰ কাৰ্যসূচীৰ আৰম্ভ কৰা হ’ব। ওদালগুৰি জিলাৰ বালিচিতা (বৰংগাজুলি) সত্ৰৰ আয়তীসকলৰ দ্বাৰা পাঠিকা তুলিকা বড়োৰ নেতৃত্বত থিয়নাম পৰিবেশন কৰা হ’ব। আবেলি গোপালদেৱ আতাৰ কৰ্মৰাজি আৰু জীৱন দৰ্শনৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত হ’ব। আলোচনাচক্ৰত অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰাৰ লগতে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা আৰু ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে অংশগ্ৰহণ কৰিব। তদুপৰি ওদালগুৰি বৰংগাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়া, উত্তৰ লখিমপুৰৰ চেঁচা সত্ৰৰ সত্ৰাধিকাৰ মোহন চন্দ্ৰ গোস্বামী, পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ ৰেক্টৰ ড° ৰঞ্জিত ডেকা আৰু ময়নবড়ী সত্ৰৰ ডেকা সত্ৰীয়া অপূৰ্ব অধিকাৰীৰ লগতে কে’বাগৰাকী বিশিষ্ট সমাজকৰ্মী আৰু সত্ৰ সেৱকে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তাৰ পাছতেই উক্ত দিনৰ অন্তিম কাৰ্যসূচীত বালিচিতা বড়ো জনগোষ্ঠীৰ আয়তীসকলৰ দ্বাৰা থিয়নাম পৰিবেশন কৰা হ’ব। আনহাতে, অন্তিম দিনৰ কাৰ্যসূচীত পৰিৱেশ নিকাকৰণ আৰু আবেলি বঁটা বিতৰণী সভা অনুষ্ঠিত হ’ব। সন্ধিয়ালৈ পুৰণ ভৱানীপুৰৰ ভক্তসকলৰ দ্বাৰা কীৰ্তন পৰিবেশন কৰা হ’ব। তদুপৰি কাৰ্যসূচীত নিত্য প্ৰসংগ, বৃক্ষৰোপণ, বন্তি প্ৰজ্বলন আদিৰ দৰে কাৰ্যসূচীও ৰূপায়ণ কৰা হ’ব।

# নগাঁও জিলাৰ ২১১ খন বিদ্যালয় পৰিচালনা সমিতিক প্ৰদান কৰা হ’ব শ্ৰেষ্ঠতাৰ বঁটা

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ মে’ ঃ** বিদ্যালয়ৰ সু পৰিচালনাৰ বাবে নগাঁও জিলাৰ ২১১খন বিদ্যালয়ৰ পৰিচালনা সমিতিক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিৰ বঁটা প্ৰদান কৰা হ’ব। অসম সৰ্বশিক্ষা অভিযান মিছন নগাঁৱৰ উদ্যোগত কাইলৈ নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিতব্য এক অনুষ্ঠানত এই বিদ্যালয়সমূহৰ পৰিচালনা সমিতিসমূহক বঁটা প্ৰদান কৰা হ’ব। সিদিনা বটদ্ৰৱা প্ৰাথমিক শিক্ষা খণ্ডৰ ২৯খন বিদ্যালয় পৰিচালনা সমিতিক, জুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ ২৭খন বিদ্যালয় পৰিচালনা সমিতিক, কলিয়াবৰৰ ১৮খন পৰিচালনা সমিতি, কপিলীৰ ২৭ খন পৰিচালনা সমিতি, কঠিয়াতলিৰ ২৯খন পৰিচালনা সমিতি, লাওখোৱাৰ ২৫খন পৰিচালনা সমিতি, ৰূপহীৰ ২৬খন পৰিচালনা সমিতি, খাগৰিজানৰ ২৩খন পৰিচালনা সমিতি আৰু নগাঁও আৰৱান প্ৰাথমিক শিশা খণ্ডৰ সাতখন বিদ্যালয় পৰিচালনা সমিতিক শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতিৰ বঁটা প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰা হ’ব। এই উপলক্ষে অনুষ্ঠিতব্য সভাত বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, ৰকিবুল হুছেইন, নুৰুল হুদা, শিৱামণি বৰা, জিলা উপায়ুক্ত নিসৰ্গ হিভৰে উপস্থিত থাকিব। আনহাতে, নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দিব ডিমৰীয়া কলেজৰ সহযোগী অধ্যাপক মোহিনী মোহন ডেকাই।



*বাহাৰঘাটৰ চমুখাত ঈদৰ সমূহীয়া নামাজ।*

# আঠখেলীয়া আঞ্চলিক অখণ্ড শ্ৰীমদ্ভাগৱত পাঠ সমিতিৰ ৰূপালী জয়ন্তীৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ৩ মে’ ঃ** আঠখেলীয়া আঞ্চলিক শ্ৰীমদ্ভাগৱত পাঠ সমিতিয়ে ২৪ বছৰ অতিক্ৰম কৰি ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰাত অহা ২০২৩ বৰ্ষৰ ফাগুনত ৰূপালী জয়ন্তী উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উদ্দেশ্যে বিজয় বৰাৰ সভাপতিত্বত আঠখেলীয়া দুলীয়াগাঁও উৰেষা বৰনামঘৰত নামঘৰৰ তিনিওটা খেলৰ উপস্থিতিত বিশেষ ধৰ্মানুষ্ঠান অনুষ্ঠিত কৰি আহ্বান জনোৱা সভাত বৰহোলা মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰাণা বৰা, জীৱেশ্বৰ বৰা, নিত্যানন্দ শইকীয়া আৰু দুলাল বৰাক লৈ সভাপতি মণ্ডলী, মনোজ কুমাৰ গগৈ, জগত শইকীয়া, ৰত্নেশ্বৰ বৰা, তাৰানাম বৰা, খগেন্দ্ৰ নাথ হাজৰিকা, তুলশী বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলক লৈ বৃহদাকাৰৰ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। শ্ৰীমদ্ভাগৱত পাঠ ৰূপালী জয়ন্তী উদ্‌যাপন কৰাৰ সমসাময়িকভাৱে এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সদৌ অসম ভাওনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰে উক্ত সভাই।

# গোৱালপাৰাৰ চাৰি বিশিষ্ট ব্যক্তিক মহাজীৱন সন্মান প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২ মে’ ঃ** গোৱালপাৰা চহৰত কালি অনুষ্ঠিত মহাজীৱন অনুষ্ঠানত চাৰিজন বিশিষ্ট লোকক মহাজীৱন সন্মান প্ৰদান কৰা হয়। উল্লেখ্য যে গোৱালপাৰা চহৰৰ বাপুজীনগৰস্থিত জগবন্ধু কলিতাই তেওঁৰ পুত্ৰ পলাশৰ ওপজা দিনত অইন অইন বছৰৰ দৰে এইবেলিও গীত-মাত আৰু কবিতা আবৃত্তিৰে ব্যতিক্ৰমী কাৰ্যসূচী অনুষ্ঠিত কৰে। মহেশ নাথে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট নাট্যকাৰ উদয় শংকৰ, দে, বিশিষ্ট লেখিকা, কবি, সাহিত্যিক গীতা দাস, বিশিষ্ট সমাজকৰ্মী তথা চিত্ৰ শিল্পী সত্যনাৰায়ণ দেশোৱাৰা আৰু বিশিষ্ট শিল্পী তথা সাহিত্যক দিলীপ কুমাৰ শৰ্মাক ফুলাম গামোচা আৰু প্ৰশংসা পত্ৰৰে সন্মানিত কৰা হয়। উক্ত অনুষ্ঠানত কে’বাগৰাকী কবি-সাহিত্যিক ক্ৰমে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক শৈলনজিৎ শৰ্মা, কৃতী অৱসৰপ্ৰাপ্ত শিক্ষক কেৰামত আলী শেখ, শিক্ষক তথা কবি আবুশ্বামা আদি কৰি ভালে সংখ্যক লোকে গীত-মাত-কবিতা আবৃত্তিৰে জীপাল কৰে।

# নলীগাঁও সমল কেন্দ্ৰত সম্প্ৰদায় উৎসৱৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ৩ মে’ ঃ** বৰপেটা সমগ্ৰ শিক্ষা অভিযানৰ উদ্যোগত বৰপেটা শিক্ষা খণ্ডৰ নলীগাঁও মণ্ডল সমল কেন্দ্ৰত মে’ৰ দ্বিতীয় সপ্তাহত অনুষ্ঠিত হ’বলগীয়া সম্প্ৰদায় উৎসৱৰ প্ৰস্তুতি আৰম্ভ হৈছে। সম্প্ৰদায় উৎসৱ যাতে সফলভাৱে সম্পন্ন হয় তাৰ প্ৰস্তুতি সন্দৰ্ভত এখন সভা যোৱা ৩০ এপ্ৰিলত নলীগাঁও সমল কেন্দ্ৰৰ নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাত অনুষ্ঠিত হয়। নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ৰাইজউদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত ভক্তৰডবা আৰু নলীগাঁও সমল কেন্দ্ৰৰ প্ৰায় শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। নলীগাঁও সমল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিনে উদ্দেশ্য ব্যাখ্যা কৰা সভাত ভক্তৰডবা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ছামছুল হকে বিভাগীয় যোগান দিয়া একাডেমিক কেলেণ্ডাৰৰ বিষয়ে বহলাই কয়। সভাত দুয়োখন সমল কেন্দ্ৰৰ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে বিকল্প শৈক্ষিক দিনপঞ্জী আৰু একাডেমিক কেলেণ্ডাৰ বিতৰণ কৰা হয়। সভাত এন কে ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াকুব আলী আহমেদ, ১৭৩৯ নম্বৰ হাজী জাফৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছুলেমান আলী শিকদাৰ, ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সৰৱেশ আলী, ১৪৪৬ নম্বৰ কাৱৈমাৰী ১০ নম্বৰ ব্লক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বকুল বৰ্মন, ১৩৫৪/৯ নম্বৰ কাৱৈমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল হুছেইন, ১৬৩৪ নম্বৰ উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী সাহনাজ চুলতানা, নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ আৰবী শিক্ষক আব্দুল জব্বৰ আলী আদিকে কৰি বিভিন্নজনে গঠন পৰামৰ্শ আগবঢ়ায়। সভাত বিভিন্ন আলোচনাৰ অন্তত ১০ৰ পৰা ১৪ মে’ৰ ভিতৰত সম্প্ৰদায় উৎসৱ পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ অন্তত এন কে ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াকুব আলী আহমেদ, দেশভক্ত হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুৰ ৰহমান, দক্ষিণ দেশভক্ত প্ৰি ছিনিয়ৰ মাদ্ৰাছাৰ প্ৰধান শিক্ষক নাছিৰউদ্দিন খান আৰু নলীগাঁও হাবিবীয়া প্ৰি ছিনিয়ৰ মাদ্ৰাছাৰ প্ৰধান শিক্ষক আব্দুল হকক উপদেষ্টা, নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ৰাইজউদ্দিন আহমেদক সভাপতি, ১৭৩৯ হাজী জাফৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছুলেমান আলী শিকদাৰক সম্পাদকৰূপে লৈ অভ্যৰ্থনা কমিটীখন গঠন কৰা হয়।

# কদৰ্যময় হৈছে মৰোৱা-কমলপুৰ পথ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩ মে’ ঃ** বিগত কে’বাদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ ফলত কদৰ্যময় হৈছে মৰোৱা কমলপুৰ লোক নিৰ্মাণ বিভাগৰ পথ। উল্লেখ্য যে ব্যস্ততাপূৰ্ণ উক্ত পথটো বিগত ২০১৭তে মেৰামতি কৰি পকীকৰণ কৰিছিল। সেই সময়ত পথ নিৰ্মাণকাৰী ঠিকাদাৰৰ বাহিনীয়ে ছাইদবাম নিৰ্মাণৰ নামত কাৰ্পণ্য কৰি বৰ্তমান পথটো মৰণফান্দলৈ পৰ্যবসিত কৰিছে। ঠিকাদাৰে পথটো নিৰ্মাণৰ সময়ত ছাইদবাম ভালকৈ বনোৱাৰ আশ্বাস দিছিল। বিভাগীয় বিষয়া-কৰ্মচাৰীও ৰাইজক ছাইদবাম নিৰ্মাণত গুৰুত্ব দিয়া বুলি কৈছিল। কিন্তু সময়ত বিভাগীয় বিষয়া-কৰ্মচাৰীক যিকোনো প্ৰকাৰে পতিয়ন নিয়াই ঠিকাদাৰ বাহিনীয়ে সামান্য বোকামাটি দি ছাইদবাম সম্পূৰ্ণ হোৱা বুলি ৰাইজক আভুৱা ভাঁৰিলে। আনকি বোকামাটিখিনি কৰ’না মহামাৰীৰ আচিলা লৈ ৰোলিং কৰাৰ পৰাও বঞ্চিক ঠিকাদাৰে। ফলত ছাইদবাম আজি পৰ্যন্ত কদৰ্যময় হৈ থাকিল। এনে বোকামাটি তাতে বৰষুণ পৰি উতলি উঠিছে। বৰ্তমান পথটোত দুখন গাড়ী পাৰ হ’ব লাগিলে বিপদ। পথটো ঠেক পৰিসৰৰ। ডাঙৰ গাড়ীটো বাদে সৰু গাড়ীবোৰৰ অৱস্থা বিপদযুক্ত। ইতিমধ্যে উক্ত ছাইডবামৰ বাবে কে’বাজনো দুৰ্ঘটনাত পতিত হৈ ঘুণীয়া হৈছে। ইমানে নহয় এজন যুৱকৰ ছাইডবামৰ বাবে মৃত্যুও হৈছে। পথছোৱাক বিশেষকৈ নলবাৰী জিলাৰ অন্তৰ্গত খণ্ড অতিপাত বিপজ্জনক। আনহাতে, পথছোৱা ঠায়ে-ঠায়ে জংঘলে আৱৰি আৰু অধিক বিপদযুক্ত কৰিছে। জানিব পৰা মতে, পথটো চোৱাচিতা কৰিবলৈ পথটোৰ বিপৰীতে কোনো এজন কৰ্মচাৰীয়ে নাই। ফলত পথটোৰ বন্ধ পানী পথৰ ওপৰতে শুকাবলগীয়া অৱস্থা হৈছে। বিশেষকৈ বাহাৰঘাট আৰু ছমাৰকুছিৰ পকী দলঙৰ পানী নিষ্কাসন হোৱা বিন্ধাকেইটা মোকলাই দিবলৈ লোকনিৰ্মাণ বিভাগৰ কৰ্মচাৰীৰ অভাৱ। যিটো কাৰণত বৰষুণৰ পানীৰে দুয়োখন দলং একাকাৰ হৈ থাকে। ভুক্তভোগী ৰাইজে মৰোৱা কমলপুৰ পথৰ সকলো অসুবিধা প্ৰত্যক্ষ কৰি অনতিপলমে দূৰ কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক দাবী জনাইছে।

## ■ ছাইদবাম মেৰামতি কৰাৰ বাবে কৰ্মচাৰীৰ অভাৱ



# বিলাসীপাৰাত চোৰাং শাল কাঠ জব্দ

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ৩ মে’ ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাত আজিও সক্ৰিয় হৈ আছে বন ধ্বংসকাৰী চক্ৰ। বন ধ্বংসকাৰী চক্ৰটোৱে মহকুমাটোৰ বিভিন্ন পাহাৰ, বননিৰ পৰা অপৈণত শালগছ কাটি চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। তেনে সময়তে কালি বন বিভাগে চলায় এক অভিযান। শালকোচা আঞ্চলিক বন বিষয়া কালিদাস সিন্‌হাৰ নেতৃত্বত ৰোকাখাতা খণ্ড বন কাৰ্যালয়ৰ কৰ্মীয়ে চলোৱা অভিযানত বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে। চোৰাং কাঠখিনিৰ আনুমানিক বজাৰ মূল্য পাঁচ লক্ষাধিক টকা বুলি জানিব দিছে বিভাগীয় সূত্ৰই।

# দৰিদ্ৰ লোকলৈ আৱণ্টিত চাউল কৰ্তন

## ■ মেৰাপানীত সমবায় সমিতিৰ এজেণ্টৰ বিৰুদ্ধে অভিযোগ ঃ ব্যৱস্থা গ্ৰহণৰ দাবী



ধুবুৰীত সমূহীয়া নামাজ, মঙলবাৰে।

অগ্ৰদুত বাৰ্তা

**মেৰাপানী, ৩ মে' ঃ** খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীনস্থ গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলৰ বহু সমবায় সমিতিত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। অভিযোগ মতে, চৰকাৰে দৰিদ্ৰ লোকলৈ আৱণ্টন দিয়া সুলভ মূল্যৰ চাউল একাংশ এজেণ্টে প্ৰত্যেকজন হিতাধিকাৰীৰ পৰা আধাকিলোকৈ কৰ্তন কৰি মুনাফা আদায় কৰি আহিছে। গোলাঘাট খাদ্য যোগান বিভাগৰ অধীনস্থ অৰুণাচল সমবায় সমিতিৰ একাংশ এজেণ্টে গ্ৰাহকৰ পৰা আধাকিলোকৈ চাউল কৰ্তন কৰি গ্ৰাহকৰ মুখৰ ভাত কাঢ়ি আহিছে।

উত্থাপিত অভিযোগ মতে, অৰুণাচল সমবায় সমিতিৰ চাৰি নম্বৰ মিলনপুৰ গাঁৱৰ প্ৰফুল্ল শইকীয়া নামৰ এজেণ্টজনে দৰিদ্ৰ লোকলৈ অহা চাউল প্ৰতিজন হিতাধিকাৰীৰ পৰা আধা কিলোৰ পৰা দুই কিলোকৈ আৰু অন্তোদয়া আঁচনিৰ চাউল প্ৰতিজন হিতাধিকাৰীৰ পৰা দুই কিলোৰ পৰা পাঁচ কিলোকৈ কৰ্তন কৰি কলা বজাৰত বিক্ৰী কৰি অহাৰ অভিযোগ উঠিছে। মিলনপুৰ গাঁৱৰ হিতাধিকাৰীয়ে অভিযোগ কৰা মতে, এজেণ্ট শইকীয়াই চাউল কৰ্তন কৰি ৰখাৰ উপৰি চাউল নিয়া দুই-এদিন দেৰি হ'লেই নানা ধৰণৰ গালি-গালাজ পাৰি চাউল নিদিয়ে। এহাতে এজেণ্ট শইকীয়াৰ বিৰুদ্ধে এনে বহু অভিযোগ আছে। স্কুলৰ মধ্যাহ্ন ভোজনৰ চাউল বজাৰত বিক্ৰী কৰি ৰাইজৰ ৰোষত পৰিছিল। গোলাঘাট জিলাৰ যোগান বিভাগে এনে এজেণ্টৰ ওপৰত যি ধৰণৰ ব্যৱস্থা ল'ব লাগিছিল সেয়া সম্ভৱ নোহোৱাৰ বাবেই কাকো কেৰেপ নকৰি সাধাৰণ ৰাইজৰ পৰা চাউল কৰ্তন কৰি আহিছে। আন এক অভিযোগ মতে, অৰুণাচল সমবায় সমিতিৰ বহুকেইজন এজেণ্টে গ্ৰাহকৰ চাউল কৰ্তন কৰি ক'লা বজাৰত অধিক দামত বিক্ৰী কৰি আহিছে। গ্ৰাহকসকলে যোগান বিভাগক অভিযোগ দি আহিছে যদিও আজি পৰ্যন্ত কোনো সুফল লাভ কৰা নাই। সেয়েহে যোগান বিভাগে এই ধুৰন্ধৰ এজেণ্টৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব বুলি ৰাইজে দাবী জনাইছে।

## অসম সত্ৰ মহাসভাৰ দ্বাৰা পৰিচালিত সত্ৰীয়া গায়ন (বৰগীত) পৰীক্ষাৰ ফলাফল ঘোষণা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ মে' ঃ** জামুগুৰিহাটস্থিত শোণিতকোঁৱৰ গজেন বৰুৱা সংগীত মহাবিদ্যালয়ৰ পৰা ২০২১-২২ বৰ্ষৰ সত্ৰীয়া গায়ন পৰীক্ষাত অৱতীৰ্ণ হোৱা এশ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই সুখ্যাতিৰে উত্তীৰ্ণ হয়। অসম সত্ৰ মহাসভাৰ দ্বাৰা পৰিচালিত চতুৰ্থ ষাণ্মাসিকৰ এই সত্ৰীয়া গায়ন (বৰগীত) পৰীক্ষাত বিদ্যালয়খনৰ পৰা মুঠ ৭১ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। সদ্যঘোষিত ফলাফল অনুযায়ী পাঁচগৰাকীয়ে ডিষ্টিংছন লাভ কৰাৰ লগতে ৩৬ গৰাকীয়ে প্ৰথম বিভাগত, ২৪ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু তিনিগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। শোণিতকোঁৱৰ গজেন বৰুৱা সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা কৰবী শইকীয়াই আজি সংগীত মহাবিদ্যালয়খনত সত্ৰীয়া গায়ন (বৰগীত) পৰীক্ষাত উত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীকে সংগীত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলৰ উপস্থিতিত অভিনন্দন জ্ঞাপন কৰে।

## মালিবাৰিটাৰীত নৈশ বিহুত সাঁচিপাতৰ সন্মান অৰ্জন

অগ্ৰদূত বাৰ্তা

**দুনী, ৩ মে' ঃ** দৰঙৰ দক্ষিণ মালিবাৰিটাৰীত সেউজ প্ৰগতি যুৱ সংঘৰ উদ্যোগত যোৱা পহিলা মে'ত অনুষ্ঠিত হয় নৈশ মুকলি বিহু প্ৰতিযোগিতা। নৱম বাৰ্ষিক নৈশ মুকলি বিহু প্ৰতিযোগিতাত ছিপাঝাৰৰ সাঁচিপাত বিহুৱা দলে প্ৰথম পুৰস্কাৰ আৰু কলাইগাঁৱৰ বিৰিণা আঞ্চলিক বিহুৱা দলে দ্বিতীয় পুৰস্কাৰ অৰ্জন কৰে। একক বিহু নৃত্য প্ৰতিযোগিতাত দুনীৰ প্ৰতীক্ষা কেওঁটে প্ৰথম আৰু জয়পুৰৰ কৃষাণি বৰাই দ্বিতীয় পুৰস্কাৰ লাভ কৰে। ইফালে, শিক্ষা, সমাজ আৰু সাংস্কৃতিক ক্ষেত্ৰখনত আগবঢ়োৱা বৰঙণিৰ বাবে সেউজ প্ৰগতি যুৱ সংঘই মাগুৰমাৰী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বসুন্ধৰ শইকীয়া, ধোপগুৰি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ধৰ্মেশ্বৰ নাথক

### ■ কৃতী শিক্ষক, আৰক্ষী বিষয়া, শিল্পীক বিশেষ সন্মান

সেউজ শিক্ষা সন্মান ২০২২, নাগাৰা নামৰ বিশিষ্ট শিল্পী বৰবড়ী নিবাসী উদ্ধৱ ডেকাক সেউজ শিল্পী সন্মান ২০২২ আৰু বুঢ়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মহেন্দ্ৰ শৰ্মাক সেউজ দক্ষ প্ৰহৰী সন্মান ২০২২ ৰাজহুৱাভাৱে প্ৰদান কৰে। ভাস্কৰ্য শিল্পী ভূষণ বৰদলৈয়ে নৈশ বিহু মুকলি কৰাৰ লগতে একক বিহু নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিছিল সৰাবাৰী ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট অনিল বৰাই। মুকলি বিহু প্ৰতিযোগিতাৰ মাজতে ই ভইচ অৱ দৰঙৰ ৰানাৰছ আপ অদিতি বৰাৰ গীতেৰে কিছু সময়ৰ বাবে মন্ত্ৰমুগ্ধ কৰে সকলোকে। সন্ধিয়া সম্প্ৰীতি শিখা প্ৰজ্বলন কাৰ্যসূচীত বিষ্ণুজ্যোতি হাইস্কুলৰ প্ৰধান শিক্ষক ৰবীন্দ্ৰ বৰুৱা, যুৱ নেতা বাবুল বসুমতাৰী, ছাত্ৰ নেতা পৰেশ চহৰীয়া, গাঁও প্ৰধান অজয় ডেকা, কৃতী শিক্ষক শচীন শইকীয়া প্ৰমুখ্যে কে'বাজন বিশিষ্ট লোকে অংশ লয়। পুৱাৰ ভাগত সাহিত্য-সাংস্কৃতিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## পাঞ্জাবাৰী লেখিকা সমাৰোহ সমিতিৰ মাহিলি বৈঠক অনুষ্ঠিত

**গুৱাহাটী, ৩ মে' ঃ** বৃহত্তৰ পাঞ্জাবাৰী লেখিকা সমাৰোহ সমিতিৰ বৈঠকখন যোৱা ৩০ এপ্ৰিলত স্থানীয় পাঞ্জাবাৰী উন্নয়নৰ কাৰ্যালয়ত বিয়লি চাৰি বজাত অনুষ্ঠিত হয়। 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে আৰম্ভ কৰা হয় সভাখন। স্থায়ী সভাপতি উৰ্মিলা চক্ৰৱৰ্তীৰ অনুপস্থিতিত অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° গায়ত্ৰী মেধীয়ে পৌৰোহিত্য কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত সম্পাদিকা লীলাপ্ৰভা দাসে যোৱা বৈঠকৰ কাৰ্য বিবৰণী পাঠ কৰে। সভাত ড° মৰমী চৌধুৰী আৰু মাধুৰী ভূঞা কলিতাই গল্প পাঠ কৰি আলোকপাত কৰে। আধুনিক গীত পৰিবেশন কৰে ঊষা ৰাণী ডেকা, ইলা কলিতা মেধী আৰু অশ্ৰুলেখা বৰ্মনে। প্ৰবন্ধ পাঠ কৰে শেৱালী শৰ্মা কলিতাই। বুৰঞ্জীমূলক অনুবাদ গল্প এটি পাঠ কৰে চিত্ৰা বৰ্মনে। দুৰ্গা বড়ী গীত পৰিবেশন কৰে ভানু মেধীয়ে। স্ব-ৰচিত কবিতা পাঠ আৰু কিছু জানিব লগীয়া লেখা পাঠ কৰে লীলাপ্ৰভা দাসে। ড° গায়ত্ৰী মেধীয়ে লিও টলষ্টয়ৰ অনুবাদ গল্প-পাঠ কৰি আমোদ দিয়ে। সভাৰ শেষত সাৰুৱা ভাষণেৰে মহিলা সকলে ঘৰৰ দায়িত্ব পালন কৰিও অলপ সময় উলিয়াই লেখাৰ প্ৰতি অনুৰাগ বৃদ্ধি কৰাৰ মানসিকতা গঢ়াৰ বাবে চেষ্টা কৰিব লাগে বুলি বিভিন্নজনে কয়। জাতীয় সংগীতেৰে সভাৰ সামৰণি মৰা হয়।



গহপুৰত অনুষ্ঠিত মইনা মেলত অংশগ্ৰহণ কৰা একাংশ, মঙলবাৰে।

## কৰ্মচাৰীসকলে নিষ্ঠাৰে কাম কৰক

### ■ বাগ্‌সা জিলা কৰ্মচাৰী পৰিষদৰ অধিবেশনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৩ মে' ঃ** 'বিদ্যালয়ৰ সমস্যা আলোচনাৰ জৰিয়তে সমাধানৰ ব্যৱস্থা ল'ব লাগে। সকলোৱে নিষ্ঠাৰে কাম কৰক। শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ বাবে জিলা প্ৰশাসনৰ সহযোগত চেষ্টা কৰি থকা হৈছে। ধুমুহাই জিলাখনৰ শৈক্ষিক পৰিৱেশ কিছু নষ্ট কৰিছে। চৰকাৰে নিতৌ নতুন আঁচনি লৈছে। প্ৰতিখন বিদ্যালয়ৰ নিৰ্দিষ্ট ডাটাবোৰ ঠিক কৰি ৰাখিব লাগে। শিক্ষকৰ ৰিমচৰ সমস্যা শীঘ্ৰেই সমাধান হ'ব। বিদ্যালয়ে নিজৰ ব্যৱহাৰিক প্ৰমাণপত্ৰ সময়মতে দিব লাগে। আমি প্ৰত্যেকে দায়িত্ব সহকাৰে কাম কৰিব লাগিব। বিগত সময়ত কৰা অনলাইন ক্লাছ সঠিক ব্যৱস্থা নহয়। অফলাইন ক্লাছত বহু সুবিধা আছে। ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক মনোগ্ৰাহী হয়।' বাগ্‌সা জিলা কৰ্মচাৰী পৰিষদৰ দ্বিতীয় বাৰ্ষিক আৰু বাগ্‌সা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ ২২ সংখ্যক অধিবেশনৰ মুকলি সভা মুকলি কৰি আজি এইদৰে কয় বাগ্‌সাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে। নাৰায়ণপুৰৰ মিলন হাইস্কুলত দিনজোৱাকৈ অনুষ্ঠিত অধিবেশনৰ মুকলি সভাত মুখ্য অতিথিৰূপে অংশ লয় বাগ্‌সা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ভেৰিচ কুমাৰ কছাৰীয়ে। তেওঁ কয়, 'আমি প্ৰত্যেকে প্ৰকৃত কৰ্মসংস্কৃতি দেখুৱাব লাগিব। আমাৰ বাগ্‌সা জিলাখন অনুন্নত জিলাৰ পৰা উন্নত কৰিব লাগিব। কৰ্মচাৰীৰ এন পি এছৰ সমস্যা উঠাই আগৰ দৰে কৰিব লাগে। বাগ্‌সাৰ ১৯৯৯ত নিযুক্ত শিক্ষকৰ সমস্যা সমাধানত কৰ্মচাৰী পৰিষদে গুৰুত্ব দিব লাগে যাতে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বৰ্তমানতকৈ অধিক উন্নত হয়।' বাগ্‌সা জিলা কৰ্মচাৰী পৰিষদৰ ভাৰপ্ৰাপ্ত সভাপতি পানীৰাম ৰামছিয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিমন্ত্ৰিত অতিথিৰূপে নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক পংকজ বৰ্মন, তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক চন্দ্ৰধৰ তালুকদাৰ, মুছলপুৰ জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ সভাপতি লংকেশ্বৰ বৰ্মন, সম্পাদক অৰুণ চন্দ্ৰ ৰাভা, মুছলপুৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি খগেন্দ্ৰ নাথ শৰণীয়া, সম্পাদক হৰকেশ্বৰ ব্ৰহ্ম, বাগ্‌সা জিলা চতুৰ্থ শ্ৰেণী কৰ্মচাৰী সন্থাৰ সভাপতি বিনোদ মুছাহাৰীও উপস্থিত থাকে। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে পানীৰাম ৰামছিয়াৰীয়ে, স্মৃতি তৰ্পণ কৰে বাগ্‌সা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি মধু মোহন লাহাৰীয়ে। গছপুলি ৰোপণ কৰে সমাজকৰ্মী বিপুল মেধিয়ে। ইয়াৰ পাছত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। এই প্ৰতিনিধি সভাতে পৰেশ গয়াৰীক সভাপতি আৰু উপেন ডেকাক সম্পাদকৰূপে লৈ কৰ্মচাৰী পৰিষদৰ বাগ্‌সা জিলা সমিতি আৰু ৰুদ্ৰ নেওপানীক সভাপতি আৰু উপেন মেধিক সম্পাদকৰূপে লৈ পৰিষদৰ বাগ্‌সা আঞ্চলিক সমিতিখন গঠন কৰা হয়।

## নাওবৈচা আঞ্চলিক ছাত্ৰ সন্থাৰ ৩৯ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৩ মে' ঃ** নাওবৈচা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৩৯ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। অহা ১২ মে'ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ সন্মিলনৰ ইতিমধ্যে লাইখুঁটা স্থাপন কৰা হৈছে। বিহু সন্মিলনৰ হুঁচৰি, টকা বিহু, জেং বিহু, সৰু বিহুৱতী, বৰ বিহুৱতী, বাৰেৰহণীয়া কাৰ্যসূচীৰ উপৰি সাংস্কৃতিক সন্ধিয়া জনপ্ৰিয় গায়ক নীল আকাশৰ গীতেৰে সজোৱা হ'ব। তদুপৰি ১৪ মে'ৰ মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি দীপাংক নাথে মুখ্য অতিথিৰূপে উপস্থিত থাকিব। কালি লাইখুঁটা স্থাপন কাৰ্যসূচীত নাওবৈচা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ মুখ্য পৃষ্ঠপোষক, সভাপতি টিকেন্দ্ৰজিৎ বৰুৱা প্ৰমুখ্যে নাওবৈচা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## নগাঁৱত দুৰ্ঘটনা ঃ ৰেল বিভাগৰ কৰ্মচাৰীৰ মৃত্যু

বিশেষ সংবাদদাতা

**নগাঁও, ৩ মে' ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ জুৰীয়া নামঘৰৰ সমীপত যোৱা নিশা ৮.৩০ বজাত সংঘটিত এক দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ উপৰি আন এজন লোক আহত হয়। দুৰ্ঘটনাটোত নিহত লোক জনক ধৰ্মেন্দ্ৰ পাটৰ (৪৭) বুলি চিনাক্ত কৰা হৈছে। তেওঁৰ ঘৰ ৰহাৰ টোপাকুছিত। তেওঁ ভাৰতীয় ৰেল বিভাগৰ এজন কৰ্মচাৰী আছিল। আৰক্ষীৰ সূত্ৰই সদৰী কৰা মতে, ধৰ্মেন্দ্ৰ পাটৰে যোৱা নিশা নগাঁও চহৰৰ পৰা এখন মটৰ চাইকেলেৰে ৩৭ নম্বৰ ঘাইপথেৰে নিজা ঘৰলৈ বুলি গৈ আছিল। তেওঁ গৈ বেবেজীয়া জুৰীয়া নামঘৰৰ ওচৰ পাওঁতেই বিপৰীত দিশৰ পৰা অহা আন এখন মটৰ চাইকেলৰ স'তে মুখামুখি সংঘৰ্ষ হোৱাত দুয়োখন মটৰ চাইকেলৰ আৰোহী দুজন আহত হয়। পাটৰৰ আঘাত গুৰুতৰ হোৱাত তেওঁক ততাতৈয়াকৈ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিন্তু তেওঁৰ অৱস্থা নিশালৈ সংকটজনক হোৱা বাবে স্থানীয় এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়লৈ নি তাত ভৰ্তি কৰোৱা হয় যদিও নিশা ১২ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। পাটৰ তিৰা মাথনলাই টখৰাৰ স'তেও জড়িত আছিল।

## অস্বাভাৱিক হাৰত হ্ৰাস পাবলৈ ধৰিছে থলুৱা মাছৰ প্ৰজনন

অগ্ৰদূত বাৰ্তা

**তালাপ, ৩ মে' ঃ** সাম্প্ৰতিক সময়ত নদী, বিল, জলাশয়বোৰত মাছৰ উজান উঠাৰ বতৰ। মাৰ্চ, এপ্ৰিলৰ পৰা বৰষুণ অহাৰ ফলত ৰাজ্যত নদী, বিল, জলাশয় আদিত পানীৰে ভৰি পৰে। বিগত বছৰবোৰৰ তুলনাত চলিত বছৰৰ এপ্ৰিলত যথেষ্ট পৰিমাণৰ বৰষুণ হ'ল। মুষলধাৰ বৰষুণত নদ-নদীসমূহ পানীৰে ভৰি পৰি তিনিটাকৈ বাৰিষাৰ সৃষ্টি হ'ল। কিন্তু নদী, বিল, জলাশয়বিলাকত পানীৰে ভৰি পৰিল যদিও থলুৱা মাছৰ উজান উঠা নাই। বিগত সময়ছোৱাত এপ্ৰিল-মে'ত বজাৰত থলুৱা মাছ উভৈনদী হয়। মীন বিভাগে এপ্ৰিলৰ পৰা জুন-জুলাইলৈ মাছ ধৰাৰ ক্ষেত্ৰত কিছুমান নিষেধাজ্ঞা বলবৎ কৰে। চৰকাৰী নীতি-নিৰ্দেশনাকো কেৰেপ নকৰি একাংশ মাছমৰীয়াই থলুৱা মাছ নিধন যজ্ঞ চলাই গৈছিল। ফলত বজাৰত থলুৱা মাছ পাবলৈ সুলভ হৈ পৰিছিল। এই বছৰ বজাৰত থলুৱা মাছ দুৰ্লভ হৈ পৰা পৰিলক্ষিত হৈছে। একাংশ দুষ্ট প্ৰকৃতিৰ মাছমৰীয়াৰ অধিক ধন ঘটাৰ মনোবৃত্তিৰ বাবেই নদী, জলাশয়, বিল আদিত মাছৰ প্ৰজনন অস্বাভাৱিক হাৰত হ্ৰাস পোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে।

### ■ নদীত নাই মাছৰ উজান

নদী, বিল, জলাশয় বিলাকত কীটনাশক ঔষধ প্ৰয়োগ কৰা, আঁঠুৱা নেটেৰে মাছ ধৰা, জেনেৰেটৰ ব্যৱহাৰ কৰি মাছ ধৰা ব্যৱস্থাই মৎস্য জাতীয় প্ৰজাতিটোকে একপ্ৰকাৰে ধ্বংস কৰি পেলাইছে। ফলত বাৰিষা আহিলেও নদীত মাছৰ উজান উঠিবলৈ মাছ নোহোৱা হৈ পৰিছে বুলি প্ৰকৃতি প্ৰেমীসকলে মত পোষণ কৰিছে। সকলো ৰাইজ সজাগ সচেতন নহ'লে আৰু ৰাজ্যৰ প্ৰশাসন যন্ত্ৰই অবৈধ পদ্ধতিৰে মাছ মৰা ব্যৱস্থাটোক মষিমূৰ নকৰিলে এদিনাখন থলুৱা মাছ খাবলৈ একেবাৰে দুৰ্লভ হৈ পৰিবগৈ বুলি প্ৰকৃতিপ্ৰেমীয়ে আশংকা প্ৰকাশ কৰিছে।

## টেঙাখাতত পথ দুৰ্ঘটনাত আহত এক



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ৩ মে' ঃ** ঈদৰ উলহ-মালহৰ মাজতে আজি আবেলি টেঙাখাত টাউনত এক পথ দুৰ্ঘটনা সংঘটিত হয়। এ এছ-০৬ জি-০৮০৬ নম্বৰৰ মাৰুতি কাৰ এখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত ৰখাই থোৱা এ এছ-০৬ বিচি ৭৪৮৬ নম্বৰৰ উইংগাৰত খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। উক্ত ঘটনাত মাৰুতি কাৰখনৰ চালকৰ আসনত থকা অছিফ খান আহত হয়।

## টংলাত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**টংলা, ৩ মে' ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত পলাহগড়ত কাইলৈৰ পৰা অনুষ্ঠিত হ'ব একাদশ বাৰ্ষিক ব'হাগী উৎসৱ উদ্‌যাপন। উক্ত উৎসৱৰ স'তে সংগতি ৰাখি আয়োজন কৰা হৈছে আঞ্চলিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা। চিত্ৰ শিল্পী অৰূপ বড়ো আৰু ৰঞ্জুল সূত্ৰধৰৰ দ্বাৰা পৰিচালিত হ'বলগীয়া প্ৰতিযোগিতাখনত পুৱা ১০ বজাৰ প্ৰতিযোগীসকলক পলাহগড় মধ্য ইংৰাজী বিদ্যালয়ত উপস্থিত হ'বলৈ আহ্বান জনাইছে। ব'হাগী উৎসৱ উদ্‌যাপনৰ কাৰ্যসূচী মতে, কাইলৈ পুৱা আঠ বজাত পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ পতাকা উত্তোলন কৰিব সভাপতি ৰাজীৱ শৰ্মাই। ইপিনে, বিহু পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি হিমাংশু ৰাভাই। তদুপৰি স্মৃতি তৰ্পণ কৰিব জ্যোতিষী গোপাল দেৱ শৰ্মাই। আনহাতে, গছপুলি ৰোপণ কৰিব গাঁওবুঢ়া দেবেন ৰাভা আৰু পঞ্চানন ডেকাই। তদুপৰি ১২ বজাত কবিতা আবৃত্তি প্ৰতিযোগিতা, দুই বজাত দাতাসকলৰ সম্বৰ্ধনা অনুষ্ঠান, আবেলি তিনি বজাত মুখপত্ৰ 'কুলশী' উন্মোচন কৰিব গল্পকাৰ তথা টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। উক্ত কাৰ্যসূচীৰ পাছতেই আৰম্ভ হ'ব এটি অন্তৰংগ আলাপ অনুষ্ঠান। আবেলি পাঁচ বজাত মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব বিটিচিৰ কাৰ্যবাহী সদস্য দাওবৈছা বড়োৱে। আনহাতে, দ্বিতীয় দিনা পাঁচ মে' দিনৰ দুই বজাত শিশু চেমনীয়াৰ বিহু নাচ প্ৰতিযোগিতা উদ্বোধন কৰিব ওদালগুৰি জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি ডাঃ হৰিৰাম দাসে। ইপিনে, সন্ধিয়া সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব সমাজ সেৱক ৰবীন্দ্ৰ বড়ো। মুখ্য অতিথিৰূপে উপস্থিত থাকিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ দিলীপ বড়ো, সমাজকৰ্মী অৰ্জুন দৈমাৰী আৰু শিল্পী জোনমণি শইকীয়া আদি।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰো অষ্টাদশ বাৰ্ষিক ব'হাগী উৎসৱ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ৩ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত তেজপুৰ জিলা শাখাৰ ব্যৱস্থাপনাত এইবেলি অষ্টাদশ বাৰ্ষিক কেন্দ্ৰীয় ব'হাগী উৎসৱটি অহা সাত মে'ত জামুগুৰিহাটত অনুষ্ঠিত হ'ব। ৰাজ্যৰ লগতে দেশ-বিদেশতো সৰ্বমুঠ ৫৪খন জিলা শাখাৰে পৰিৱেষ্টিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এই কেন্দ্ৰীয় ব'হাগী উৎসৱটিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জিলাসমূহৰ পৰা অহা ২০ টাৰো অধিক দলে বিহু আৰু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। ব'হাগী উৎসৱটিক লৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে আদৰণি সমিতিয়ে। তদুপৰি এই অনুষ্ঠানৰ মাজতেই আইসকলৰ মাজত গামোচা আৰু পিঠা-পনা প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব।

## লংকাত সঘনাই মন্দিৰ চুৰি

অগ্ৰদূত বাৰ্তা

**লংকা, ৩ মে' ঃ** কিছুদিন ধৰি মঠ-মন্দিৰত চুৰি ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিছে। যোৱা পহিলা মে'ৰ নিশা লংকাৰ এক নম্বৰ শ্যামবাৰীত দুটাকৈ মন্দিৰ ক্ৰমে শিৱ মন্দিৰ আৰু দুৰ্গা মন্দিৰত নিশা চোৰে চলাই লুটপাট। পুৱা স্থানীয় ৰাইজে মন্দিৰত পূজা কৰিবলৈ অহাত পোহৰলৈ আহে চুৰি কাণ্ডৰ ঘটনা। মন্দিৰ দুটাৰ পৰা পূজাত ব্যৱহৃত পিতল, তামৰ সামগ্ৰীকে ধৰি দুয়োটা মন্দিৰৰ দানপাত্ৰসহ চুৰি কৰি নিয়ে। মন্দিৰ দুয়োটাৰ পৰা ক্ৰমেও আঠ হেজাৰ টকাৰ বয়বস্তু চুৰি কৰে। উল্লেখ্য যে বিগত কেইদিনমানৰ পৰা লংকাৰ কে'বাটাও মন্দিৰত এক দুই সপ্তাহৰ মূৰে মূৰে সংঘটিত হৈ আহিছে চুৰি কাণ্ডৰ ঘটনা।

## দেৰগাঁৱৰ লঠাগাঁও পথৰ বিধ্বস্ত অৱস্থা

### ■ হাতে হাতে কোৰ-পাচি লৈ মেৰামতিত নামিল মহিলা

**দেৰগাঁও, ৩ মে' ঃ** দেৰগাঁও সমষ্টিৰ অন্তৰ্গত দেৰগাঁও নগৰৰ গাতে লাগি থকা এটা অতি গুৰুত্বপূৰ্ণ পথৰ দুৰৱস্থাৰ বাবে ৰাইজক হাৰাশাস্তিৰ সন্মুখীন হৈছে। দেৰগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত লঠাগাঁৱৰ মাজেৰে যোৱা পথটোত বৰ্তমান একাঁঠু বোকা। পথৰ মাজে মাজে পুখুৰী সদৃশ বৃহৎ বৃহৎ গাঁত। বিধায়ক প্ৰমুখ্যে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন কৰাৰ পাছতো পথটোৰ মেৰামতি নকৰাত এই পথেৰে যাতায়াত দুৰ্বিষহ হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীকে ধৰি অসংখ্য লোকে বাধ্যত পৰি দৈনিক এই পথেৰেই অহা-যোৱা কৰিব লগা হৈ আহিছে। ৰোগীসকলক এই পথে যমৰ যাতনা ভোগাইছে। এশবছৰ গৰকা লঠাগাঁও নামঘৰৰ সন্মুখেৰে, মাছকটা গাঁও কমাৰগাঁও, নাহৰণি আদি অঞ্চলৰ পৰা লক্ষীনাথ ফুকন পথ হৈ দেৰগাঁও নগৰ সংযোগী এই গুৰুত্বপূৰ্ণ পথটো কি কাৰণত দীৰ্ঘদিনৰ পৰা অৱহেলিত হৈ ৰৈছে সেয়া তাৎপৰ্যপূৰ্ণ। আজি অঞ্চলটোৰ মহিলাসকলৰ তৎপৰতাত স্থানীয় শতাধিক লোক ওলাই আহি হাতে হাতে দা, কোৰ,পাচি লৈ পথটো যাতায়তাৰ বাবে কিছু সুচল কৰিবলৈ হাতে কামে মেৰামতিত নামে। উক্ত পথটোৰে ভোগাই অহা দীৰ্ঘদিনীয়া যন্ত্ৰণাত অতিষ্ঠ ৰাইজে ৰাইজৰ মূল সমস্যাটোক গুৰুত্ব নিদিয়াত দেৰগাঁৱৰ বিধায়কজনৰ প্ৰতি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। ইপিনে, এই পথটোৰ পৰা যোৱা অন্য এক উপপথ নিৰ্মাণতো যথেষ্ট অনিয়ম হৈ যোৱাৰ এক অভিযোগ উঠিছে। উল্লেখ্য যে লঠাগাঁও নামঘৰৰ সন্মুখৰ পৰা খাউগুপাৰা সংযোগী কৃষিবান্ধটো দেৰগাঁও পঞ্চায়তৰ ২০২১-২২ৰ এম জি এনৰেগাৰ অধীনত নিৰ্মাণ কৰা হৈছিল। ১,৯২,৮৮৭ টকা আবণ্টিত পুঁজিৰে নিৰ্মিত পথটো বহল কৰিবলৈ কাষৰ মাটি এৰি নিদিয়াৰ পৰিণতিত পথটো যথেষ্ট ঠেক হৈছে। তদুপৰি পথৰ মাটি খহি নপৰিবলৈ পথৰ কাষৰ পথাৰৰ দিশত যিধৰণে বেৰা দিব লাগিছিল, তেনে বেৰা নিদি পাতল জেওৰাহে দিয়াত ঠেক পথটোৰ (কৃষিবান্ধটোৰ) মাটি খহি গৈছে। পথটোৰ নামত আবণ্টিত ধন সদ্ব্যৱহাৰ নোহোৱা বুলিও একাংশ লোকে অভিযোগ উত্থাপন কৰিছে।



## শ্ৰদ্ধাঞ্জলি — ৰমণী কুমাৰ বৰ্মন



জন্মিলে মৰিবই লাগিব। এয়া প্ৰকৃতিৰ চিৰন্তন সত্য। প্ৰকৃতিৰ এই চিৰন্তন সত্যক মানি আমাৰ ভিনদেউ ৰমণী কুমাৰ বৰ্মন গ'লগৈ। ভিনদেউ যোৱাৰ লগে লগে যেন বাইদেউ আৰু ছোৱালীকেইজনীৰ মূৰৰ ওপৰৰ আকাশখন বিবৰ্ণ হৈ গ'ল। মা-দেউতাৰ পুত্ৰ সদৃশ ডাঙৰ জোঁৱায়েকজন, আঠজন ভ্ৰাতৃ আৰু চাৰিগৰাকী ভগ্নীৰ পৰিয়ালৰ আত্মীয়-স্বজন সকলোৰে মাজত যোগসূত্ৰ স্থাপন কৰি সম্পৰ্কৰ এনাজৰীডাল কটকটীয়াকৈ বান্ধি ৰখা মানুহ এজন নোহোৱা হ'ল।

সেয়া আছিল ১৯৭৭ৰ সাত মাৰ্চ, বাইদেউক ভিনদেউৰ জীৱনলৈ আদৰি নিয়াৰ দিন। ১৬ বছৰ হোৱাৰ লগে লগেই বাইদেউক বিয়া দিয়া হৈছিল। এখন ভৰাঘৰলৈ বিয়া হৈ যোৱা বাইদউক ভিনদেউৰ মৰমে সকলোৰে লগত মিলি যোৱাত সহায় কৰিছিল, সেই তেতিয়াৰ পৰাই ভিনদেউৱে আমি ভাই-ভনীকেইটাৰ দাদাৰো আসন পূৰণ কৰিছিল।

১৯৪৮ৰ পহিলা ফেব্ৰুৱাৰীত পশ্চিম নলবাৰীৰ চামতা গাঁৱৰ মহেপোৰা চুবাত জন্মগ্ৰহণ কৰা ভিনদেউৰ মৃত্যুৰ সময়লৈকে নিজৰ ঠাইখিনিৰ প্ৰতি আছিল এক গভীৰ টান। নিৰহংকাৰী, সমাজপ্ৰিয় ব্যক্তিৰূপে ছাত্ৰাৱস্থাৰ পৰাই সমাজৰ বিভিন্ন সামাজিক কামত জড়িত আছিল। চামতা কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক আছিল। চামতা মহেপোৰাৰ নামঘৰ নিৰ্মাণ কমিটীৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি নিষ্ঠাৰে কাম-কাজ কৰিছিল।

ভিনদেউ এজন সাংস্কৃতিক কৰ্মী আছিল। নিজেই অজন্তা নাট্যগোষ্ঠী নামৰ এটি নাট্য দল খুলি ৰবীন্দ্ৰ ভৱন, চামতা ৰূপকোঁৱৰ কলা পৰিষদ আৰু বৰপেটাত একাংকিকা নাট প্ৰতিযোগিতাত নিজাববীয়াকৈ উদ্যোগ লৈ অংশগ্ৰহণ কৰিছিল। অসমীয়া সংস্কৃতিৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবে বিহু সমিতিবোৰত জড়িত আছিল। তেওঁ অসম গণ পৰিষদৰ জন্মলগ্নৰে পৰা জড়িত আছিল। অসম গণ পৰিষদৰ স্থানীয় তথা গুৱাহাটী মহানগৰ সমিতিৰ বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি আছিল, শিলপুখুৰী গ্ৰাহক সমবায় সমিতি আৰু গুৱাহাটী পাইকাৰী গ্ৰাহক সমবায় সমিতিৰো সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰিছিল। মানুহক ভালপোৱা ভিনদেউৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি সশ্ৰদ্ধ প্ৰণিপাত জনালো। তেওঁ যেন য'তেই থাকে তাৰ পৰাই পৰিয়ালটোৰ সাহস হৈ থাকে। ওঁম শান্তি।

**মঞ্জু মজুমদাৰ বৰ্মন**

# বৰহোলা সীমান্তত অব্যাহত ড্ৰাগছৰ বেহা

## ■ ধ্বংসমুখী যুৱ প্ৰজন্মই চিন্তিত কৰিছে অভিভাৱকক ঃ আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততাৰ অভিযোগ



যোৰহাটত ধুমুহাত উভালি পৰিল বৃক্ষ, মঙলবাৰে।

**বিশেষ সংবাদদাতা**

**নগাবাট, ৩ মে' ঃ** তিতাবৰ মহকুমাৰ বিভিন্ন প্ৰান্তত বৰ্তমানেও গোপনে ড্ৰাগছৰ ৰমৰমীয়া বেহা অব্যাহত থকাৰ অভিযোগ উত্থাপিত হৈছে। ফলত বহু কম বয়সীয়া যুৱক ধ্বংসৰ মুখলৈ গতি কৰাত চিন্তিত কৰি তুলিছে অভিভাৱক তথা সচেতন মহলক। উল্লেখ্য যে আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততাৰ বাবেই অসম-নগালেণ্ড সীমান্তত একাংশ ড্ৰাগছ বেপাৰীয়ে এনেবোৰ অবৈধ ব্যৱসায় মেলি সামাজিক পৰিৱেশত আঘাত হানিছে বুলি গুৰুতৰ অভিযোগ উঠিছে। জানিব পৰা মতে, অসম আৰক্ষীৰ কঠোৰ অভিযানৰ পাছতো চুবুৰীয়া ৰাজ্য নগালেণ্ড আৰু মণিপুৰৰ পৰা অব্যাহত থকা ড্ৰাগছৰ সৰবৰাহৰ বাবে তিতাবৰৰ লগতে মহকুমাটোৰ সীমান্তবৰ্তী বৰহোলা, বালিজান চাৰিআলি, নগাবাট, ৬২ ঘৰীয়া, অজয়নগৰ, ৰজাবাৰী আদিৰ কে'বাজনো কম বয়সীয়া যুৱক ড্ৰাগছ আসক্ত হৈ সম্প্ৰতি চিকিৎসাধীন হ'ব লগা হৈছে। ইয়াৰে কেঁবাজনো যুৱকে ড্ৰাগছ ক্ৰয় কৰিবলৈ ধন বিচাৰি ঘৰত আচবাব ভাঙি উপদ্ৰৱ চলোৱাৰ বাবে অভিভাৱকে আৰক্ষীক গতাই দিয়াৰ তথ্যও পোহৰলৈ আহিছে। উত্থাপিত অভিযোগ অনুসৰি, তিতাবৰত তিনিজনীয়া এটা যুৱকৰ দলে দীৰ্ঘদিনৰ পৰাই চহৰখনৰ নিচাযুক্ত টেবলেটৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। আনহাতে, বৰহোলা, মাধপুৰ, ৰজাবাৰী, নগাবাট, শিলডুবি, শ্যামগাঁও আদিৰ কেইজনমান ড্ৰাগছৰ বেপাৰীয়ে গোলাঘাট জিলাৰ মেৰাপানী, বেঙেনাখোৱা আৰু ফৰকাটিং অঞ্চলৰ পৰা তিতাবৰ মহকুমাৰ বিভিন্ন প্ৰান্তলৈ নিচাযুক্ত টেবলেটসমূহ নিয়মীয়াকৈ সৰবৰাহ কৰি আহিছে যদিও ড্ৰাগছৰ আন্তঃৰাজ্যিক সৰবৰাহকাৰী চক্ৰটোৰ সন্ভেদ উলিয়াই এই পৰ্যন্ত উৎখাত কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী প্ৰশাসন। সৰবৰাহকাৰী এই দলটোৱে নিজেও ড্ৰাগছ সেৱন কৰাৰ লগতে একাংশ ধনী ঘৰৰ কম বয়সীয়া যুৱকক আৰু তিতাবৰ মহকুমাৰ কেইখনমান সম্ভ্ৰান্ত শিক্ষানুষ্ঠানৰ ছাত্ৰক লক্ষ্য কৰি মেৰাপানীৰ পৰা তিতাবৰ, মৰিয়নিলৈকে ড্ৰাগছৰ এক বৃহৎ নেটৱৰ্ক গঢ়ি তুলিছে। এই চক্ৰটোৰ স'তে ড্ৰাগছ আসক্ত আৰক্ষীৰ পুত্ৰ, মেডিকেলৰ ৰিপ্ৰেজেণ্টিটিভ, মেকানিক আদিও জড়িত হৈ পৰাৰ অভিযোগ উত্থাপিত হৈছে। অলপতে তিতাবৰ মহকুমাৰ শ্যাম গাঁও আৰু বৰহোলাৰ ৰজাবাৰী অঞ্চলত আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ যুৱকক গ্ৰেপ্তাৰ কৰিছিল। কিন্তু মহকুমাটোৰ ড্ৰাগছ সৰবৰাহৰ মূল চক্ৰটোৰ সন্ধান উলিয়াই উৎখাত কৰিবলৈ আজিকোপতি সক্ষম নোহোৱাত ৰহস্যৰ সৃষ্টি হৈছে।

## বাইহাটাত শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৩ মে' ঃ** কামৰূপ জিলাৰ বাইহাটাত শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ তিৰোভাৱ তিথি দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। জিলাখনৰ বাইহাটা শিৱ মন্দিৰত শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ তিথিৰ লগতে শিৱ মন্দিৰৰ পানীতোলা মহোৎসৱ আৰু গীতাৰ্থী সমাজৰ ৬০সংখ্যক বাৰ্ষিক সভাখন দুদিনীয়া কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰা হয়। যোৱা ৩০ এপ্ৰিলৰ প্ৰথম দিনৰ কাৰ্যসূচীত আয়তীৰ নাম প্ৰসংগ, গীতাৰ্থী সমাজৰদ্বাৰা ভাগৱত পাঠ আৰু নাগাৰা নাম পৰিবেশন কৰা হয়। দ্বিতীয় দিনা অনুষ্ঠিত উক্ত অনুষ্ঠানৰ কাৰ্যসূচীত পুৱা ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত কৰাৰ লগতে শ্ৰীশ্ৰীদেৱ দামোদৰ দেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণৰ পাছতে মুখপত্ৰ 'দামোদৰ জ্যোতি' উন্মোচন কৰা হয়।

## মৰাণত নাইট্ৰ'জেন চিলিণ্ডাৰ বিস্ফোৰণ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ মে' ঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ নগৰত আজি চিলিণ্ডাৰ বিস্ফোৰণ হয়। মৰাণ লাচিত নগৰৰ মুনু অটো হুইলৰ্চ নামৰ দোকানখনত থকা নাইট্ৰ'জেন চিলিণ্ডাৰ এটা বিস্ফোৰণ ঘটাত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে পুৱা দোকানখনৰ গৰাকীয়ে ব্যৱহাৰ কৰিবলৈ চিলিণ্ডাৰত নাইট্ৰ'জেন ভৰাই থকা অৱস্থাত চিলিণ্ডাৰটো হঠাৎ বিস্ফোৰণ ঘটে। সৌভাগ্য ক্ৰমে কোনো লোক হতা-হতি হোৱা নাই। বিস্ফোৰণৰ ফলত দোকানখনৰ লগতে কাষতে থকা আন এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হয়।

### ভয়ানক বিপদৰ পৰা ৰক্ষা পৰিল বহু কেইজন লোক

## সবাতোকৈ বেছি উচ্চাৰিত শব্দটোৱে হ'ল গ্ৰহ



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৩ মে' ঃ** অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক সুৰেন্দ্ৰ নাথ মুদৈৰ প্ৰবন্ধ সংকলন 'চিন্তা-তৰংগ' আজি উন্মোচন কৰা হয়। ৰামধনু শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰকাশিত এই গ্ৰন্থখন উন্মোচনৰ উদ্দেশ্যে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত আয়োজিত গাম্ভীৰ্যপূৰ্ণ সভাখন উদ্বোধন কৰি দিয়া ভাষণত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'পৰিৱেশৰ অসুবিধা তথা সঠিকভাৱে অনুপ্ৰাণিত কৰা লোকৰ অভাৱত বহু সম্ভাৱনাপূৰ্ণ প্ৰতিভা কলিতেই মৰহি যায়। এনে কথাই সংশ্লিষ্ট প্ৰতিভাধৰজনৰেই কেৱল ক্ষতি নকৰে, অপকাৰ সাধিত কৰে ভাষা-সাহিত্যৰ ভঁৰালটোৰো। ৰসগ্ৰাহী পাঠকৰ দাবীত সৃষ্টি হোৱা লেখক সুৰেন্দ্ৰ নাথ মুদৈৰ প্ৰকাশভংগী স্বকীয়ভাৱেই অনন্য আৰু উপস্থাপন ৰীতি মন-মগজু চুই যোৱা ধৰণৰ।' সমাজ সংগঠক প্ৰতাপ বৰুৱাই আঁত ধৰা সভাখনত 'চিন্তা-তৰংগ' শীৰ্ষক প্ৰবন্ধ সংকলনটো উন্মোচন কৰি ৰামধনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱাৰীয়াই কয়, 'মানুহৰ মুখত উচ্চাৰিত হোৱা আটাইতকৈ মহৎ শব্দটোৱেই হৈছে গ্ৰন্থ। মানৱ জাতিৰ এক সুন্দৰতম সৃষ্টি এই গ্ৰন্থৰ প্ৰণেতাসকল সেইবাবেই সমাজৰ আদৰণীয় ব্যক্তি আৰু সুন্দৰৰ পূজাৰী।' সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ দিয়ে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ্ৰা আৰু মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই।

### সাহিত্যিক সুৰেন্দ্ৰ নাথ মুদৈৰ নৱতম গ্ৰন্থ 'চিন্তা-তৰংগ'ৰ উন্মোচন

## ডিব্ৰুগড়ত অত্যাধুনিক চিকিৎসা আৰু গৱেষণা প্ৰতিষ্ঠান অপেক্ষা মুকলি

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৩ মে' ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ক কেন্দ্ৰ কৰি পৰৱৰ্তী সময়ত বহুকেইখন ব্যক্তিগত চিকিৎসালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা হয়। চুবুৰীয়া ৰাজ্য অৰুণাচল, নগালেণ্ডকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ জনসাধাৰণে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ ঢাপলি মেলে আৰু বৰ্তমান সময়ৰ স'তে খাপ খুৱাই ডিব্ৰুগড়ত অত্যাধুনিক আন এখন উচ্চমানৰ চিকিৎসা গৱেষণা প্ৰতিষ্ঠান মুকলি কৰা হয়। 'অপেক্ষা' নামৰ উক্ত চিকিৎসালয়খন ডিব্ৰুগড় পল্টনবজাৰত মুকলি কৰা হৈছে।

## টেঙাখাতৰ চাহ বাগিচাত পাইপলাইনেৰে ৰন্ধন গেছ যোগান ধৰিবলৈ আট্‌ছাৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ৩ মে' ঃ** অসম গেছ কোম্পানীয়ে আঁচনিৰ যোগেদি টেঙাখাত অঞ্চলৰ বিভিন্ন গাঁৱত পাইপলাইনেৰে ঘৰে ঘৰে ৰন্ধন গেছ যোগান ধৰিবলৈ কৰা ব্যৱস্থাক অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ টেঙাখাত শাখাই আদৰণি জনাইছে। গেছ যোগান ধৰিবলৈ অসম গেছ কোম্পানীয়ে টেঙাখাত অঞ্চলৰ কিছু সংখ্যক গাঁও আৰু বাগিচা বাছি লৈছে যদিও অঞ্চলটোৰ অন্তৰ্গত নন্দনবন, পাৰ্বতীপুৰ, লাহোৱালবাৰী, কৈলাশপুৰ, চম্পাবাম, ৰচাপথাৰ, ৰাছী লাইন, উইল্টন, বেলবাৰী, দীধলীয়া, হাতীআলি, দিহাৰাং, অভয়পুৰীয়া, ঘুটুং, বামুণকুৰীয়া, বাছমতীয়া, ফুকনবাৰী, দেওবিল, দুই নম্বৰ বাছমতীয়া গ্ৰান্টকে ধৰি কে'বাখনো সৰু বৰ চাহ বাগিচা আৰু গাঁওত ৰন্ধন গেছ যোগান ধৰাৰ ব্যৱস্থা কৰা হোৱা নাই বুলি ছাত্ৰ সংগঠনটোৱে অভিযোগ কৰিছে। উক্ত অঞ্চলসমূহতো গেছ যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈক আট্‌ছাৰ টেঙাখাত শাখাৰ ফালৰ পৰা আবেদন জনাই এখন স্মাৰকপত্ৰ প্ৰদান কৰে। টেঙাখাত শাখাৰ সভাপতি তিলক খলখা আৰু ভাৰপ্ৰাপ্ত সম্পাদক ৰবাৰ্ট ভূএগ্ৰাৰ স্বাক্ষৰিত স্মাৰকপত্ৰত আশা প্ৰকাশ কৰি উল্লেখ কৰে যে অসম গেছ কোম্পানীয়ে স্মাৰকপত্ৰখন সঁহাৰি জনাই উক্ত অঞ্চলসমূহত পাইপলাইনযোগে ঘৰে ঘৰে ৰন্ধন গেছ যোগান ধৰাৰ ব্যৱস্থা কৰিব।

## পাৰিবাৰিক কন্দলৰ বাবে মঙলদৈত হত্যাকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৩ মে' ঃ** পৱিত্ৰ ঈদোৎসৱৰ উলহ-মালহৰ প্ৰাকমুহূৰ্তত মঙলদৈত যোৱা নিশা সংঘটিত হয় এটি হত্যাকাণ্ড। পাৰিবাৰিক কন্দলৰ বাবেই স্বামী নুৰ ইছলামে ছুৰীৰে হত্যা কৰে পত্নী আছিয়া বেগমক । মঙলদৈৰ বান্দীয়া গাঁৱৰ নুৰ (৩২)ৰ মঙলদৈ দুই নম্বৰ ৱাৰ্ডত থকা ভাড়াঘৰত সংঘটিত হয় এই ঘটনা। পাছত মঙলদৈ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুট কাকতি আৰু কৃষ্ণকান্ত লস্কৰ উপস্থিত হৈ অভিযুক্ত নুৰ গ্ৰেপ্তাৰ কৰে। এতিয়াও হত্যাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও পাৰিবাৰিক কন্দলৰ বাবে এই কাণ্ড সংঘটিত হয় বুলি সন্দেহ কৰা হৈছে।

## ভোলাৰাম ক্ৰ'লৈ আৰোহণ সমাজ-সাংস্কৃতিক সমন্বয় বঁটা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩ মে' ঃ** অসমৰ সাহিত্য-সাংস্কৃতিক-সামাজিক ক্ষেত্ৰখনৰ অগ্ৰগনি বেচৰকাৰী অনুষ্ঠান 'আৰোহণ আৰ্টিছ গীল্ড'ৰ তৰফৰ পৰা এইবেলি সমাজ-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশেষ অবদানৰ বাবে গুৱাহাটী লখৰাৰ নালাপাৰাৰ ভোলাৰাম ক্ৰ'ক ২০২২ৰ 'আৰোহণ সমাজ-সাংস্কৃতিক সমন্বয় বঁটা'ৰ বাবে মনোনীত কৰা হৈছে। আৰোহণ আৰ্টিছ গীল্ডৰ উদ্যোগত যোৱা ২১ বছৰৰ দৰে এইবেলিও অহা ১৫ মে'ত গুৱাহাটী কুমাৰ ভাস্কৰ নাট্য মন্দিৰত উক্ত বঁটা প্ৰদান কৰিব বুলি আৰোহণ আৰ্টিছ গীল্ডৰ সভাপতি দিলীপ নাথে সদৰী কৰিছে।

## ওদালগুৰিৰ হাতীগড়ত ভাৰতীয় সেনাৰ উদ্যোগত আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**টংলা, ৩ মে' ঃ** দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে ওদালগুৰি জিলাৰ ভাৰ-ভূটান সীমান্তবৰ্তী হাতীগড়স্থিত ভাৰতীয় সেনাৰ ৰেড হৰ্ণ ডিভিজনৰ উদ্যোগত আৰু বিটিচি প্ৰশাসনৰ সহযোগত যোৱাত পহিলা মে'ৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত 'আজাদি কা অমৃত মহোৎসৱ'ৰ কালি সামৰণি পৰে।

উক্ত আজাদি কা অমৃত মহোৎসৱৰ প্ৰথমদিনা মিনি মাৰাথান দৌৰ, ভাৰতীয় সেনাই ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শন, স্থানীয় লোকৰ সহযোগত হস্ততাঁত, হস্তনিৰ্মীত আৰু থলুৱা খাদ্য বিপণী আৰু প্ৰদৰ্শনী, সৰ্বসাধাৰণ লোকৰ বাবে স্বাস্থ্য সেৱা শিবিৰ, নতুন প্ৰজন্মৰ মাজত দেশপ্ৰেম আৰু সেনাৰ প্ৰতি সেৱাভাৱ জাগিবলৈ সেনাৰ দ্বাৰা ভাষণ প্ৰদান অনুষ্ঠান, বিভিন্ন খেল-ধেমালি, চিত্ৰাংকন প্ৰতিযোগিতা আৰু দেশ প্ৰেমমূলক কথাছবি প্ৰদৰ্শনৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠানসমূহ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় শতাধিক নাগৰিকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰূপে চাইকেল ৰেলী অনুষ্ঠিত হয়। ইয়াৰ পাছত বৃক্ষৰোপণ আদিবাসীৰ ঝুমুৰ নৃত্যগীত, বিহু নৃত্য-গীত, বড়ো জনগোষ্ঠীৰ লোকনৃত্য গীতৰ লগতে অন্যান্য বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্য অনুষ্ঠিত হয়। দুদিনীয়াকৈ অনুষ্ঠিত উক্ত অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে সাংসদ তথা বিজেপিৰ অন্যতম প্ৰধান সম্পাদক দিলীপ শইকীয়া, বিটিচিৰ উপমুখ্য কাৰ্যবাহী তথা ওদালগুৰি সমষ্টিৰ বিধায়ক গোবিন্দ বসুমতাৰী, প্ৰাক্তনমন্ত্ৰী ৰিহণ দৈমাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, কাৰ্যবাহী সদস্য সঞ্জিত তাঁতী, চৰকাৰী মনোনীত সদস্যা অৰ্পণা মেধিৰ লগতে উচ্চপদস্থ ভাৰতীয় সেনা বিষয়াসকল।

## অৰুণাচল প্ৰদেশৰ ফিনবিৰ'ত উদ্ধাৰ বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ



**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ৩ মে' ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাৰ বিভিন্ন অঞ্চলৰ পৰা বিগত দিন কেইটাত আলফা (স্বাধীন)ত যোগদান কৰাৰ বাতৰিয়ে তোলপাৰ লগাৰ সময়তে এইবাৰ বৃহৎ পৰিমাণৰ মাৰণাস্ত্ৰ উদ্ধাৰ হৈছে অৰুণাচল প্ৰদেশৰ ফিনবিৰ'ত।

উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলসমূহত ভাৰতীয় সেনাৰ লগতে অৰুণাচল প্ৰদেশ আৰক্ষীয়ে অব্যাহত ৰাখিছে উগ্ৰপন্থী বিৰোধী তীব্ৰ অভিযান। যোৱা দুদিন ধৰি লেখাপানীস্থিত ভাৰতীয় সেনা আৰু অৰুণাচল প্ৰদেশ আৰক্ষীৰ এটা দলে যৌথভাৱে অৰুণাচল প্ৰদেশৰ মানমৌ আৰক্ষী থানাৰ অন্তৰ্গত ফিনবিৰ'ৰ গভীৰ অৰণ্যত সেনাৰ এক বিশেষ সূত্ৰৰ পম খেদি উগ্ৰপন্থী বিৰোধী অভিযান চলায়। এই অভিযানত কালত ফিনবিৰক্স অৰণ্যৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰ লগতে বহু পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰসমূহৰ ভিতৰত আছে এটা এ কে ৫৬ ৰাইফল, চাৰি জাঁই সক্ৰিয় গুলি, দুটা চিংগেল শ্বট গান, এটা পিষ্টল, এটা মেগজিন, তিনি জাঁই সক্ৰিয় গুলি, ৪৫০ গ্ৰাম বিস্ফোৰক সমগ্ৰীৰ লগতে ৪০ গ্ৰাম নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰে। অভিযান কালত এনএছচিএন (কেৱাই এ)ৰ ছাৰ্জেণ্ট কৰ্ণেল মাকাম হাচেঙৰ উপস্থিতিত বহু চোৰাংচোৱা তথ্য লাভ কৰিছিল আৰু এই তথ্য লাভৰ পাছত ফিনবিৰ'ৰ গভীৰ অৰণ্যৰ মাজত পুতি থোৱা অৱস্থাত উদ্ধাৰ হয় এই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰ লগতে বিস্ফোৰক সমগ্ৰী। উদ্ধাৰ হোৱা অস্ত্ৰ-শস্ত্ৰ সেনাই মানমৌ আৰক্ষীক গতাই দিয়ে। ভাৰতীয় সেনা আৰু অৰুণাচল আৰক্ষীয়ে বৰ্তমানেও উক্ত অঞ্চলত উগ্ৰপন্থী বিৰোধী অভিযান অব্যাহত ৰাখিছে।

## কাইলৈ মধুপুৰ সত্ৰ সমিতিৰ সভা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৩ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ স্থান কোচবিহাৰৰ মধুপুৰ সত্ৰত শেহতীয়াভাৱে বিৰাজ কৰা বিশৃংখল পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ বাবে অহা পাঁচ মে'ত পুৱা ১১ বজাত গুৱাহাটীৰ পাণ বজাৰত অৱস্থিত বৰপেটা শাখা সত্ৰত মধুপুৰ সত্ৰ সমিতিৰ কাৰ্যনিৰ্বাহক পৰিষদৰ এখন জৰুৰী সভা আহ্বান কৰা হৈছে বুলি সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে সদৰী কৰিছে। উক্ত সভাত সত্ৰ সমিতিসমূহৰ বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকিবলৈ সম্পাদক হৰিদেৱ দাসে আহ্বান জনাইছে। উল্লেখ্য যে যোৱাবাৰো এপ্ৰিলত মধুপুৰ সত্ৰত বৰদোৱা, বৰপেটা, সুন্দৰীদিয়া, সত্ৰশাল, জিনকাতা, বিজনী, গুৱাগাছা, বৰপেটাৰোড সত্ৰৰ সত্ৰাধিকাৰ, ভকতবৃন্দ আৰু উত্তৰবংগৰ ১২খন সত্ৰৰ ভকত বৈষ্ণৱৰ উপস্থিতিত হোৱা সাধাৰণ সভাই সত্ৰখনত বিৰাজ কৰা অশুভ পৰিস্থিতি তথা সত্ৰীয়া পৰম্পৰা ভংগৰ বিষয়ে বিষদ আলোচনা কৰি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু শেহতীয়াভাৱে সত্ৰীয়া পৰম্পৰা ভংগত জড়িত থকা চক্ৰটোৱে সভাৰ সিদ্ধান্তসমূহ অৱমাননা কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। এই ক্ষেত্ৰত অসমৰ ভক্তপ্ৰাণ ৰাইজক সত্ৰ সমিতিক দিহা-পৰামৰ্শ দিবলৈ সমিতিয়ে আহ্বান জনাইছে।


## জুবিনৰ অনুষ্ঠানত উদণ্ড যুৱকৰ উদ্ভণ্ডালি

### পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীৰ লাঠিচালনা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩ মে' ঃ** যোৱা নিশা বিশ্বনাথৰ বৰগাঙত অনুষ্ঠিত জুবিন গাৰ্গৰ সংগীত অনুষ্ঠানত একাংশ উদণ্ড যুৱকক আৰক্ষীয়ে লাঠিচালনা কৰে। উল্লেখ্য যে যোৱা নিশা বিশ্বনাথৰ বৰগাং কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত সাংস্কৃতিক অনুষ্ঠানত জুবিনৰ সংগীত অনুষ্ঠান চলি থকাৰ সময়তে একাংশ উদণ্ড যুৱকৰ উদ্ভণ্ডালিয়ে অতিষ্ঠ কৰিলে ৰাইজক। অৱশেষত বিশ্বনাথ জিলা আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

## গোলকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়কৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**বক্সিৰহাট/আগমনি, ৩ মে' ঃ** ২৫ নম্বৰ গোলকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়ক ডালিম চন্দ্ৰ ৰায়ৰ যোৱা নিশা ১০-৩০ বজাত নিজ বাসভৱনত মৃত্যু হয়। কিছুদিনৰ পৰা দুৰাৰোগ্য বেমাৰত ভুগি আছিল। মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। ১৯৮৫ত হোৱা অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত বিধায়কৰূপে নিৰ্বাচিত হৈছিল। অসম আন্দোলনত কে'বাৰো জেল খাটিব লগা হৈছিল ৰায়ে। প্ৰাক্তন বিধায়কজনৰ লগত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ অতি ঘনিষ্ঠ আছিল। বিধায়ক হৈ থকাৰ সময়ত সমষ্টিৰ খোৱা পানী, স্বাস্থ্য, শিক্ষা আদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। হালাকুৰাত ৩০খন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰাৰ উপৰি কে'বাটাও উপ-স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰি গাঁও অঞ্চলত চিকিৎসাৰ ব্যৱস্থা কৰিছিল। কৃষকসকলৰ বাবে জলসিঞ্চন পদ্ধতিত পানী যোগান ধৰি গোলকগঞ্জ সমষ্টিত কৃষি বিপ্লৱৰ সূচনা কৰিছিল। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ সন্তানৰ উপৰি তিনি গৰাকীকৈ কন্যা আৰু আত্মীয়-স্বজনক এৰি যায়।

## পতাকা উত্তোলনেৰে উত্তৰ হেকাইপাৰাত ব'হাগী উৎসৱ



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩ মে' ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ কাষৰ উত্তৰ হেকাইপাৰা নৱ যুৱক সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ ব'হাগী উৎসৱ অনুষ্ঠিত হৈছে। আজি প্ৰথম দিনা পুৱা ব'হাগী উৎসৱ আৰু নৱ যুৱক সংঘৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। ব'হাগী উৎসৱ পৰিচালনা সমিতিৰ সভাপতি ডাঃ গণ্ডেশ্বৰ হাজং আৰু নৱ যুৱক সংঘৰ সভাপতি প্ৰাণ সূত্ৰধৰে পতাকা উত্তোলন কৰে। আনহাতে, স্মৃতি তৰ্পণ কৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অমৃত নাৰায়ণ পাটগিৰিয়ে, গছপুলি ৰোপণ কৰে সাংবাদিক ভৃগু মুনি ৰায়ে। কাৰ্যসূচী মতে, কণ কণ ল'ৰা-ছোৱালীৰ উপৰি জ্যেষ্ঠ পুৰুষ-মহিলাৰ দৌৰ, ৰছী টনা, বাম-পানী, সংগীত চকী, চকু বান্ধি টেকেলি ভঙা ইত্যাদি মনোৰঞ্জন মূলক খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## চাৰিলেনযুক্ত ঘাইপথত মৰণফান্দ সদৃশ গাঁত

### ■ নুমলীগড়ৰ ৩৭ নম্বৰ পথত একাঁঠু পানী, তীব্ৰ যানজঁটৰ সমস্যা



**খুমটাই, ২ মে ঃ**গোলাঘাট জিলাৰ নুমলীগড়ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথ নিৰ্মাণ সংস্থাৰ হেমাহি আৰু এন এইছ আই ডিচিএলৰ অৱহেলাত বাবে বৰ্তমান সময়ত এজাক মুষলধাৰ বৰষুণতে উজনি অসমৰ নুমলীগড়ৰ পৰা আৰম্ভ হোৱা চাৰিলেনযুক্ত পথৰ দুৱাৰমুখত মৰণফান্দ সদৃশ গাঁতৰ সৃষ্টি হোৱাত যানবাহন চলাচলত যমৰ যন্ত্ৰণাত ভুগিছে চালকসকলৰ লগতে সাধাৰণ ৰাইজ। ইফালে কালি দুপৰীয়া হোৱা প্ৰবল বৰষুণৰ বাবে নুমলীগড়ৰ তিনিআলিত ৰাষ্ট্ৰীয় পথটোত গাড়ী চলাচল বন্ধ হৈ পৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী পথটোৰ ওপৰৰ একাঁঠু পানীত যাব লগা হোৱাৰ লগতে কে'বাজনো ছাত্ৰ-ছাত্ৰী পুখুৰী সদৃশ গাঁতত পৰি আঘাত হোৱাৰ লগতে কৃত্ৰিম বানত জুৰুলা হ'ব লগা হোৱাৰ উপৰি পাঠ্যপুথি বিস্তৰ ক্ষতি হয়। আনহাতে, ৪৫৫ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ কাম চলি থকা ৩৭ নম্বৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথটো ২০১৮তে নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিব লাগিছিল যদিও বিভিন্ন সমস্যা আৰু এনএইছআইডিচিএলৰ কৃপাত ঘাইপথটো নিৰ্মাণৰ দিন বৃদ্ধি কৰি লোৱাৰ পাছতো আজি পৰ্যন্ত চাৰিলেনযুক্ত পথৰ দুৱাৰমুখখন ঠিক কৰিব নোৱাৰাত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। ঐতিহাসিক নুমলীগড় তিনিআলিৰ কে'বাখনো বিদ্যালয়-মহাবিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ, সাধাৰণ ৰাইজ লগতে উজনি-নামনি যাতায়াত কৰা যানবাহনসমূহ। পথটোত সৃষ্টি হোৱা এই গাঁতৰ বাবেই দৈনিক তীব্ৰ যান-জঁটৰ সৃষ্টি হৈ আহিছে। তদুপৰি বহু সময়ত এই গাঁতসমূহৰ বাবেই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে । কিন্তু এইসমূহ দেখিও কুম্ভকৰ্ণ নিদ্ৰাত এনএইছ আই ডিচিএলৰ কৰ্তৃপক্ষ।

ইফালে, দৈনিক এই জৰাজীৰ্ণ পথটোৰে ৰাজ্যৰ মন্ত্ৰী-বিধায়ক, চৰকাৰী বিষয়া-কৰ্মচাৰী অহৰহভাৱে অহা- যোৱা কৰাৰ পাছতো মেৰামতিৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণত কাৰো সদিচ্ছা প্ৰকাশ কৰা নাই বুলি ৰাইজে অভিযোগ তুলিছে। নুমলীগড়ত পুখুৰী সদৃশ দ গাঁতৰ বাবে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছতো গা নলবলি বিভাগটোৰ।




# ভূমিস্খলন কিয় হয়



**বৰষুণৰ** দিনবোৰত গুৱাহাটী আৰু ইয়াৰ দাঁতি কাষৰীয়া পাহাৰীয়া অঞ্চলবোৰত ভূমিস্খলন হোৱাৰ বাতৰি সঘনাই ওলাই থাকে। তেনে ভূমিস্খলনৰ ফলত ঘৰ আদি ভঙাৰ লগতে মানুহৰ মৃত্যু পৰ্যন্তও ঘটে। অকল গুৱাহাটীয়েই নহয়, বৰঞ্চ বিশ্বৰ অন্যান্য পাহাৰীয়া ঠাইত এনে দুৰ্ঘটনা সঘনাই ঘটি থাকে। অবাধ গতিত পাহাৰৰ গছ-গছনি কাটি ঘৰ সাজিবলৈ মাটি মুকলি কৰাৰ লগতে পাহাৰৰ মাটিও কটাৰ ফলত ভূমিস্খলন হোৱা বুলি অনেক বিতৰ্কৰ সৃষ্টি হৈছে। কিন্তু আমি জানিব লাগিব ভূমিস্খলন হোৱাৰ কাৰণবোৰ।

মাধ্যাকৰ্ষণ শক্তিয়ে পৃথিৱীৰ বুকুত থকা সকলোবোৰ বস্তুকে অনবৰত ভূ-গৰ্ভলৈ টানি থাকে। পাহাৰীয়া অঞ্চলত এইদৰে টানি থকাৰ প্ৰভাৱ কিছু বেছি। কাৰণ পাহাৰৰ দাঁতিভাগৰ অধিকাংশ থিয় গৰা (Steep slope)। বৰষুণৰ পানী তেনে থিয় গৰাৰ মাটিত মিহলি হৈ মাটিখিনি নৰম কৰি পেলায়। লগতে পানীৰ প্ৰভাৱত মাটিৰ ওজনো বৃদ্ধি পায়। ফলত পাহাৰৰ গৰাত লাগি থকাটো কেতিয়াবা ভাৰী আৰু নৰম মাটিৰ বাবে অসম্ভৱ হৈ পৰে। মাটিত যেতিয়াই পানীৰ পৰিমাণ বৃদ্ধি পায়, তেতিয়া মাটি আৰু শিল মিশ্ৰিত এই পাহাৰৰ গৰা স্থিৰ হৈ থাকিব নোৱৰা হয় আৰু মাধ্যাকৰ্ষণ শক্তিৰ সন্মুখত হাৰ মানি তললৈ খহি পৰে। অৰ্থাৎ বৰষুণ বেছিকৈ হ'লেই ভূমিস্খলনৰ আশংকা বৃদ্ধি পায়।

কেতিয়াবা ভূমিকম্পৰ বাবেও ভূমিস্খলন হ'ব পাৰে। আচলতে ভূমিকম্প হ'লে পাহাৰৰ এঢলীয়া অংশত থকা মাটি আৰু শিলবোৰৰ খোপনি ঢিলা হৈ পৰিব পাৰে। সেই মাটি-শিলৰ মিশ্ৰণেই কম্পনৰ ফলত ভূমিস্খলনৰ ৰূপ লৈ তললৈ খহি আহিব পাৰে।


ভূমিস্খলনৰ এটা আধুনিক কাৰণ হ'ল মানৱ বা মানৱ-সৃষ্ট। ইয়াৰ কেতবোৰ কাৰণ আগতেই উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি আছে পাহাৰৰ বুকুত কয়লা, সোণ আদিৰ খনি কটা (Minning), অবিৰতভাৱে জংঘল কাটি থকা বা ভুল কৃষি পদ্ধতি (Cut and slash farming), বিনিময় স্থানৰ বাচ-বিচাৰ নকৰাকৈ বান্ধ (Dam) নিৰ্মাণ আদি। ভূমিস্খলন বা পাহাৰত বানপানী হোৱাটো আজিকালি অতি সাধাৰণ ঘটনা হৈ পৰিছে। এজোপা গছৰ শিপাই মাটিবোৰ খামোচ মাৰি ধৰি থাকে আৰু বৰষুণ, ভূমিকম্প বা অন্যান্য কাৰণৰ দ্বাৰা মাটি খহাত বাধা দিয়ে। কিন্তু আমি যদি গছ-গছনিবোৰেই কাটি জংঘল চাফা কৰি পেলাওঁ, তেন্তে সিবোৰৰ বাবে পাহাৰৰ মাটিক ধৰি ৰখা সম্ভৱ নহয়। ফলত বৰষুণ বা ভূমিকম্প হ'লেই ভূমিস্খলন নিশ্চিত। পাহাৰৰ বুকুত খনি কাটিলেও গছ-গছনি কটা হয় আৰু পাহাৰৰ মাটি কাটি গৰাবোৰ অধিক থিয় কৰি পেলায়। তেতিয়াও ভূমিস্খলনৰ আশংকা বৃদ্ধি পায়।

কিন্তু এই দুৰ্ঘটনা ৰোধ কৰিবলৈ আমি কি কৰা উচিত? আচলতে মানুহে আগৰে পৰাই অলপ ভাবি-চিন্তি কাম কৰিবলৈ শিকা হ'লে আৰু প্ৰকৃতিক বুজিবলৈ চেষ্টা কৰা হ'লে, এনে দুৰ্ঘটনাৰ পৰিমাণ বহুখিনি হ্ৰাস পোৱাৰ সম্ভাৱনা আছিল। প্ৰকৃতিগত কাৰণবোৰ মানুহে হয়তো নিয়ন্ত্ৰণ কৰিব নোৱাৰিব। কিন্তু মানৱ-সৃষ্ট কাৰণবোৰৰ পৰিমাণ হ্ৰাস কৰিলেও ভূমিস্খলনৰ দৰে দুৰ্ঘটনা বহুখিনি কমিব। ইয়াৰ বাবে সকলো মানুহেই সজাগ হ'ব লাগিব।

# গ'লু গ্ৰ'উজ এ নৌজ

## মূল-ৰুডয়াৰ্ড কিপলিঙৰ গল্প সংক্ষিপ্ত ৰূপ

অনুবাদ
গায়ত্ৰী দেৱী বৰঠাকুৰ



**বহু** দিনৰ আগতে হাতীবোৰৰ শুঁৰ নাছিল। আছিল একো-একোটা ভোটোকা নাকহে।

গ'লু নামৰ ভোটোকা নাকৰ হাতী পোৱালিটো প্ৰশ্নৰে ভৰা আছিল।

যাকে লগ পাই তাকে, যি-টি প্ৰশ্ন সুধি-সুধি আমনি কৰি থকাই তাৰ প্ৰধান কাম।

গ'লুৱে তাৰ ওখ খুৰীয়েক উট পক্ষীক সোধে, 'অ' খুৰী কোৱানা, তুমি আন চৰাইৰ দৰে কিয় উৰিব নোৱাৰা?'

ওখ খুৰাক জিৰাফলৈ ব্যতিব্যস্ত কৰা প্ৰশ্ন, 'খুৰা, তোমাৰ ছালখন কোনেনো ইমান ফুটফুটীয়া কৰিলে?'

সি তাৰ বৰ শকত-আবত খুৰাক জলহস্তীক সোধে, 'অ' খুৰা তোমাৰ চকুকেইটা কিয় ইমান ৰঙা? নোমল খুৰাক বান্দৰক সোধে, 'তৰমুজবোৰ খাবলৈ, তৰমুজৰ দৰেই বাৰু কিয় লাগে?'

তাৰ এই প্ৰশ্নৰ উত্তৰ এটাই— 'গ'লু ইমান দুষ্ট। ইমান টান প্ৰশ্নবোৰৰ উত্তৰ দিয়াটো বৰ কষ্ট।'

এদিন সি এটা মইনা চৰাই লগ পালে আৰু সুধিলে, 'তুমি বাৰু জানানে, ৰাতিৰ সাঁজত কি খায় ঘঁৰিয়ালে..?'

মইনাটোৱে ক'লে, 'লিমপ'প' নদীৰ পাৰলৈ গৈ, নিজে চাই নোলোৱাগে নো কেলৈ?

গ'লু ঘৰলৈ গ'ল। এশডাল কুঁহিয়াৰ, ৫০ ডৰ্জন কল আৰু ২৫টা তৰমুজ লৈ সি লিমপ'প' নদীৰ পাৰলৈ যাবলৈ সাজু হৈ পৰিয়ালৰ সদস্যসকলৰ পৰা বিদায় লৈ ক'লে, 'মই লিমপ'প' নদীৰ পাৰলৈ যাওঁ। আৰু ঘঁৰিয়ালেনো ৰাতিৰ সাঁজত কি খায় তাকে চাওঁ।'

ৰাস্তাত গ'লুৱে এডাল অজগৰক লগ পাই ঘঁৰিয়ালৰ বিষয়ে তাৰ প্ৰশ্নকেইটা সুধিছিল যদিও অজগৰ ডালৰ পৰা সি একো উত্তৰ পোৱা নাছিল। গ'লুৱে নম্ৰভাৱে অজগৰ ডালক গছৰ ডালত মেৰ লোৱাত সহায় কৰিলে আৰু অজগৰ ডালক বিদায় জনাই আগুৱাই গৈ থাকিল।

এসময়ত সি লগত নিয়া বস্তুবোৰ খাই লিমপ'প' নদীৰ পাৰ পালেগৈ আৰু এচটা কাঠৰ টুকুৰা দেখিলে। সেইটো আচলতে আছিল এটা ঘঁৰিয়ালহে। ঘঁৰিয়ালটোৱে গ'লুলৈ চাই চকুটিপ মাৰিলে। কোনো দিনে ঘঁৰিয়াল নেদেখা গ'লুৱে সুধিলে, 'আপুনি বাৰু কেতিয়াবা এটা হ'লেও ঘঁৰিয়াল দেখিছেনে?'

ঘঁৰিয়ালটোৱে আকৌ এটা চকুটিপ মাৰিলে আৰু ক'লে, 'অ' বোপা, তুমিনো তেনেবোৰ প্ৰশ্ন কিয় সোধা?'

'মই জানিবলৈ বিচাৰো...'

গ'লুৱে কৈ থাকোতেই ঘঁৰিয়ালে ক'লে, 'আহা মোৰ ওচৰলৈকে আহা, কাণে-কাণে কম কথাটো, শুনা।'

গ'লুৱে অলপ ভয় খালে যদিও লিমপ'প' নদীৰ পাৰত বহি ক'লে, 'তেন্তে আপুনিয়েই সেইজন যাক মই বিচাৰি আছো। কওঁকচোন কি খাই ভাল পায় আপুনি ৰাতিৰ সাঁজত।'

ঘঁৰিয়ালটোৱে ঘঁৰিয়ালৰ চকুপানী উলিয়াই ক'লে, 'কাষলৈ আহা কণমানিটো, কাণতে ফুচফুচাই কওঁ কথাটো।'

গ'লুৱে তাৰ মূৰটো ঘঁৰিয়ালৰ মুখৰ ওচৰলৈ নিয়াৰ লগে-লগেই ঘঁৰিয়ালটোৱে তাৰ নাকটো কামুৰি ধৰিলে আৰু ক'লে, 'শুনা আজি ৰাতিৰ সাঁজত, এটা হাতী পোৱালি সোমাব মোৰ পেটত।'

গ'লুৱে গম নোপোৱাকৈ পিছে-পিছে আহি থকা অজগৰ ডালে তাৰ চিঞৰ শুনি ক'লে, 'জোৰ প্ৰয়োগ কৰা... পাৰলৈ টানা নিজকে, নহ'লে ঘঁৰিয়ালে টানি নিব নদীলৈ।'

গ'লুৱে পাৰত বহি লৈ জোৰকৈ নিজকে টানি থাকিলে। অজগৰডালেও গ'লুৰ পেটত মেৰিয়াই লৈ তাক জোৰ দিয়াত সহায় কৰিলে। এই টনা-টনিত গ'লুৰ নাকটো পাঁচ ফুট দীঘল হৈ গ'ল। এটা পাকত সি ঘঁৰিয়ালটোৰ পৰা মুক্ত হ'ল।

গ'লুৱে তাৰ দীঘল নাকটো দুদিন দুদিন কলপাতেৰে মেৰিয়াই নদীত পেলাই থ'লে শুকাই আকৌ আগৰ দৰে হ'বলৈ। পিছে নাকটো ঠাণ্ডাহে হ'ল, ছুটী নহ'ল।

এটা মাখি আহি তেনেতে গ'লুৰ কান্ধত পৰিলেহি। গ'লুয়ে দীঘল নাকৰে ল'লে বপুৰাৰ প্ৰাণটি।

'সুবিধা নম্বৰ এক'..অজগৰে ফোচফোচাই ক'লে কথাটি।

গ'লু থিয় হ'ল আৰু এমুঠি ঘাঁহ শুঁৰেৰে মেৰিয়াই আনি মুখত সুমুৱালেহি।

'সুবিধা নম্বৰ দুই'— অজগৰৰ ফোচফোচনি। 'আজি বাৰু নহয় নে বৰ প্ৰখৰ বেলিটি?'


লগে লগে গ'লুৱে অলপ বোকা শুঁৰেৰ শুহি মূৰত ল'লে থাপি।

'সুবিধা নম্বৰ তিনি'— অজগৰৰ আনন্দৰ ফোচফোচনি। এইকেইটা কাম কৰিব পাৰিছা দীঘল শুঁৰডাল আছে ভাগ্য আজি তোমাৰ আছে বুলি..'

'ধন্যবাদ অজগৰ কাই, মই কেতিয়াও নাযাওঁ পাহৰি তোমাৰ এই সহায়।

এতিয়া যাওঁ আকৌ ঘৰলৈ ঘূৰি। সময়-সুবিধা মিলাই আমাৰ হ'ব সদায়েই দেখা-দেখি।'

# পৌৰাণিক বীৰভদ্ৰ মন্দিৰ



**অন্ধ্ৰ** প্ৰদেশৰ অনন্তপুৰ জিলাৰ এখন সৰু অথচ ঐতিহাসিক গাঁও লেপাক্ষী। এই গাঁৱতে আছে ষষ্ঠদশ শতিকাত নিৰ্মাণ কৰা বীৰভদ্ৰ মন্দিৰ। ইয়াক লেপাক্ষী মন্দিৰ নামেৰেও জনা যায়। এই মন্দিৰটোৰ এক ৰহস্য আছে। ইয়াৰ নিৰ্মাণশৈলীৰ ৰহস্য বিশ্বৰ কোনো ইঞ্জিনীয়াৰেই আজি পৰ্যন্ত ভেদ কৰিব পৰা নাই। ব্ৰিটেইনৰ এজন ইঞ্জিনীয়াৰে কে'বা বছৰ ধৰি মন্দিৰটোত নিৰ্মাণশৈলীৰ ৰহস্য ভেদৰ চেষ্টা চলাইছিল যদিও ব্যৰ্থ হয়। মন্দিৰৰ এই ৰহস্য নিহিত হৈ আছে মন্দিৰত থকা ৭২ টা স্তম্ভৰ মাজৰ এটা স্তম্ভত। এই স্তম্ভটোৱে মাটি স্পৰ্শ কৰি থকা নাই। মাটিৰ পৰা সামান্য ওপৰত উঠি আছে। দৰ্শনাৰ্থীয়ে সেই স্তম্ভৰ তলেৰে এখন কাপোৰ ইফালৰ পৰা ভৰাই আনফালে উলিয়াই দিয়ে। মন্দিৰলৈ যোৱা দৰ্শনাৰ্থীৰ বাবে এক নিয়মত পৰিণত হৈছে।

বীৰভদ্ৰ মন্দিৰৰ নিৰ্মাণ বিজয়নগৰ শৈলীত কৰা হৈছিল। ইয়াত দেৱী দেৱতা, নৰ্তকী, সংগীতজ্ঞ আদিৰ ছবি খোদিত কৰা আছে। বেৰসমূহত



বহুতো চিত্ৰ অংকন কৰা আছে। স্তম্ভ আৰু ছাদত মহাভাৰত আৰু ৰামায়ণৰ কাহিনী আঁকা আছে। মন্দিৰত ২৪X১৪ ফুট ডাঙৰ বীৰভদ্ৰত এখন দেৱাল চিত্ৰ (ৱাল পেইণ্টিং) আছে। মন্দিৰৰ ছাদত অংকন কৰা এইখনেই ভাৰতৰ সবাতোকৈ ডাঙৰ ৱাল পেইণ্টিং। পৌৰাণিক কাহিনী অনুসৰি বীৰভদ্ৰক ভগৱান শিৱই জন্ম দিছিল। মন্দিৰৰ সন্মুখত নন্দীৰ এটা বিশাল মূৰ্তি আছে। এই মূৰ্তিটো পাথৰেৰে নিৰ্মিত বিশ্বৰ সবাতোকৈ ডাঙৰ নন্দীমূৰ্তি।

দুই ভ্ৰাতৃ বীৰান্না আৰু বিৰুপন্নাই বীৰভদ্ৰ মন্দিৰ নিৰ্মাণ কৰাইছিল। তেওঁলোক আছিল বিজয়নগৰ সাম্ৰাজ্যৰ ৰজা অচ্যুতাৰ্যৰ অধীনস্থ সামন্ত ৰজা। উল্লেখ্য যে লেপাক্ষী গাঁৱৰ ৰামায়ণকালীন মহত্ত্ব আছে। কথিত আছে যে ৰাৱণে সীতাক হৰণ কৰি নিয়াৰ পথত সেই স্থানতে জটায়ু পক্ষীয়ে বাধা দিয়াত দুয়োৰে যুদ্ধ হৈছিল। ৰাৱণৰ অস্ত্ৰত আঘাতত আহত হৈ জটায়ু সেই স্থানতে পৰি ৰৈছিল। ভগৱান ৰামে আহি জটায়ুক সেই স্থানতে পৰি থকা দেখি মাটিৰ পৰা উঠিবলৈ কৈছিল। তেলগু ভাষাত 'লে পাক্ষী' শব্দৰ অৰ্থ হৈছে 'উঠা পক্ষী'।

# কৃত্ৰিম উপগ্ৰহৰ উপযোগিতা

**ছেটেলাইট** বা কৃত্ৰিম উপগ্ৰহৰ বিষয়ে জানানে? মানুহে নিৰ্মাণ কৰি মহাকাষলৈ প্ৰেৰণ কৰা উপগ্ৰহবোৰকে কৃত্ৰিম উপগ্ৰহ বা ছেটেলাইট বুলি কোৱা হয়। এনে কৃত্ৰিম উপগ্ৰহত অসংখ্য সূক্ষ্ম, মধ্যমীয়া আৰু বিশাল আকাৰৰ যন্ত্ৰ থাকে; যিবোৰ বৈজ্ঞানিকে আমাৰ মানৱজাতিৰ প্ৰয়োজন অনুসাৰে কেতবোৰ বিশেষ বিশেষ কামৰ বাবে সংযোজন কৰে। সেই যন্ত্ৰবোৰৰ বিশেষত্ব অনুযায়ী কৃত্ৰিম উপগ্ৰহবোৰক শ্ৰেণীভুক্ত কৰা হয়। যেনে, বতৰৰ আগজাননী দিয়াৰ বাবে আছে বতৰৰ কৃত্ৰিম উপগ্ৰহ; তাত সংযোগ কৰা যন্ত্ৰই পৃথিৱীৰ ওপৰ ভাগৰ লগতে মেঘৰ গতিবেগ আৰু দিশ, ঘূৰ্ণীবতাহৰ চাপ সৃষ্টি হোৱা ক্ষেত্ৰ আদি বায়ুমণ্ডলৰ বিভিন্ন প্ৰক্ৰিয়াৰ চিত্ৰ আমালৈ প্ৰেৰণ কৰি থাকে। ইয়াৰ উপৰি পৃথিৱীৰ পৰা সৃষ্টি হোৱা গৰমৰ মাত্ৰাও কৈ দিব পাৰে। অনবৰত প্ৰেৰণ কৰি থকা সংকেতবোৰৰ সহায়তে বতৰ বিজ্ঞানীসকলে বতৰৰ আগতীয়া অনুমান কৰিব পাৰে।



দূৰ সঞ্চাৰ সম্বন্ধীয় কৃত্ৰিম উপগ্ৰহে ৰেডিঅ' সংকেত গ্ৰহণ কৰাৰ লগতে সেইবোৰ বিতৰণ কৰে। টেলিফোন বা ম'বাইল ফোনত পতা কথা-বতৰাৰ উপৰি টেলিভিছনৰ বিভিন্ন অনুষ্ঠান সম্প্ৰচাৰো এই কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে আমালৈ আহে।

নেভিগেছনেল কৃত্ৰিম উপগ্ৰহে পাইলট আৰু নাবিকসকলক সঠিক দিশ প্ৰদান কৰে। আনহাতে, ছায়েণ্টিফিক ছেটেলাইটৰ জৰিয়তে আমি লাভ কৰো বিভিন্ন ধৰণৰ বৈজ্ঞানিক তথ্য, যেনে — পৃথিৱীৰ চুম্বকীয় ক্ষেত্ৰৰ বিকিৰণ, পৃথিৱীৰ বায়ুমণ্ডলৰ স্থিতি, অ'জন স্তৰৰ ক্ষতিগ্ৰস্ত অংশৰ বিষয়ে সংকেত আৰু চিত্ৰ।

# মাতৃৰ উপদেশ



বহুকালৰ পূৰ্বৰ কথা। এদিন এদল যাত্ৰীয়ে আৰবৰ মৰুভূমিৰ মাজেৰে গৈ আছিল। হঠাতে তেওঁলোকক ডকাইতৰ দল এটাই আগভেটি ধৰিলে। ডকাইতে প্ৰতিজন যাত্ৰীৰ তালাচী চলাই তেওঁলোকৰ ধন-সোণ আৰু অন্যান্য সামগ্ৰী লুণ্ঠন কৰিলে। কিন্তু সেই দলটোৰ মাজৰে এজন ১২ বছৰীয়া ল'ৰাৰ হাতত ডকাইতে একো নাপালে। ডকাইতৰ চৰ্দাৰে শিশুটিক প্ৰশ্ন কৰিলে, 'তোৰ হাতত যে একো নাই; তই অনাথ নেকি?' শিশুটিয়ে উত্তৰ দিলে, 'মই ৰুগীয়া বাইদেউক সেৱা কৰিবলৈ গৈ আছো। আহিবৰ পৰত মোৰ মাই পাঁচটা মুদ্ৰা মোৰ চোলাৰ ভিতৰত লুকুৱাই দি পঠাইছে। সেইকেইটা এতিয়াও মোৰ হাতত আছে।' শিশুটিৰ উত্তৰ শুনি আচৰিত হৈ ডকাইতৰ চৰ্দাৰে পুনৰ সুধিলে, 'তোৰ মাৰে মুদ্ৰাকেইটা চোলাত লুকুৱাই থৈছিল। সেই কথা কিয় আমাক ক'লি?' শিশুটিয়ে পুনৰ উত্তৰ দিলে, 'কাৰণ মায়েই মোক শিকাইছিল যে জীৱনত কেতিয়াও মিছা কথা ক'ব নালাগে। এতিয়া আপুনি সুধিলে যেতিয়া মই কেনেকৈ নাই বুলি মিছাকৈ ক'ম?' শিশুটিৰ সত্যনিষ্ঠাই ডকাইতৰ চৰ্দাৰৰ হৃদয় আৰু মন সলনি কৰিলে। যাত্ৰীৰ দলটোক সকলোবোৰ লুট কৰা সামগ্ৰী ওভতাই দি চৰ্দাৰে শিশুটিক ক'লে, 'আজিৰ পৰা ময়ো সত্যৰ পথত থকাৰ সংকল্প ল'লো। ভৱিষ্যতে কেতিয়াও ডকাইতি নকৰো।' সেইজন সত্যবাদী শিশুৱেই ডাঙৰ হৈ খলিফা আমিন নামেৰে বিশ্ব বিখ্যাত হৈছিল।




সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ছেইন্ট ফ্ৰান্সিছ ডি ছালেছ উঃ মাঃ বিদ্যালয়।।



শ্ৰুতিধাৰা শিৱাংগী, দশম শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয়, নগাঁও

# মহৎ লোকৰ বাণী



➩ ফল ধৰিলে গছজোপা হাউলি আহে, বৰষুণৰ দিনত মেঘ তললৈ নামি আহে, সম্পদৰ সময়ত সৎলোক নম্ৰ হৈ পৰে। পৰোপকাৰীৰ স্বভাৱেই তেনেকুৱা। — কবি তুলসীদাস।

➩ জ্ঞান হ'ল ভাল দিনৰ আভূষণ, বিপত্তিৰ সময়ত সহায়ক আৰু বৃদ্ধকালৰ সঞ্চিত ধন। — হিতোপদেশ।

➩ চিত্ৰকৰসকল প্ৰকৃতিপ্ৰেমী; সেয়ে তেওঁলোক যিদৰে প্ৰকৃতিৰ দাস, সেইদৰে গৰাকীও। — কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ।

➩ মানৱ যিমানেই জ্ঞানৰ মাজত সোমাই পৰে; সিমানেই তেওঁ কৰ্মৰ ৰঙত ৰঙীণ হৈ পৰে। — আচাৰ্য বিনোৱা ভাৱে।

➩ শ্ৰম কৰিলে দৰিদ্ৰতা নাথাকে, ধৰ্ম কৰিলে পাপ নাথাকে, মৌন হৈ থাকিলে কলহ নহয় আৰু জাগ্ৰত হৈ থাকিলে ভয় নালাগে। — চাণক্য।

➩ যিদৰে মলিন দৰ্পনত সূৰ্যৰ প্ৰতিবিম্ফ নপৰে, সেইদৰে মলিন অন্তৰত ঈশ্বৰৰ পোহৰৰ প্ৰতিবিম্ফ পৰিব নোৱাৰে। — ৰামকৃষ্ণ পৰমহংস।

# জানি থোৱা ভাল

➩ মধ্যপ্ৰদেশৰ ছাঁৱেৰ গাঁৱত থকা হনুমানৰ মন্দিৰটো উল্টা হনুমান নামেৰে প্ৰসিদ্ধ। কাৰণ এই মন্দিৰত স্থাপিত হনুমানৰ মূৰ্তিৰ মূৰ তলৰফালে আৰু পদযুগল ওপৰৰ ফালে আছে।

➩ মানৱ শৰীৰত যিমান মানৱ কোষ আছে, তাতকৈ প্ৰায় ১০ গুণ বেছি আছে জীৱাণু কোষ।

➩ বিশ্বত নেমুৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ নাম এক নম্বৰত।

➩ কম্বোডিয়াত থকা আংকোৰভাট মন্দিৰ হ'ল বিশ্বৰ সবাতোকৈ বৃহৎ মন্দিৰ।

➩ সঞ্জীৱনী হ'ল ৰামায়ণৰ যুগৰে পৰা ব্যৱহৃত হৈ অহা বনস্পতি; যাৰ ব্যৱহাৰ আজিও আয়ুৰ্বেদিক চিকিৎসাত কৰা হয়।

➩ বিশ্বৰ সবাতোকৈ দীঘল নীল নদীৰ উৎস হ'ল ভিক্টোৰিয়া সৰোবৰ।

➩ ৰামায়ণ কেৱল ভাৰততে নহয়; বৰঞ্চ থাইলেণ্ডতো পঢ়া হয়। থাইলেণ্ডত পঠিত ৰামায়ণৰ নাম হ'ল 'ৰামাকিন'।

➩ লুডু খেলৰ ব'ৰ্ডখনৰ লগতে থকা সাপ-জখলাৰ খেল নিশ্চয় তোমালোকেও ভালপোৱা! এইবিধ খেল ষষ্ঠদশ শতিকাত আৱিষ্কাৰ কৰিছিল ভাৰতৰে পণ্ডিত সাধু জ্ঞানদেৱে। তেওঁ এইবিধ খেলৰ নাম দিছিল মোক্ষপথ।

➩ জাপানত নৱবৰ্ষৰ স্বাগত কৰাৰ বিশেষ নিয়ম আছে। পহিলা জানুৱাৰীত মানুহে বৌদ্ধ মন্দিৰত ১০৮টা ঘণ্টা বজাই নৱবৰ্ষক আদৰণি জনায়।



➩ প্ৰাচীন ৰোমান কেলেণ্ডাৰত জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহ নাছিল। সেইকালত পহিলা মাৰ্চত নৱবৰ্ষ উৎযাপন কৰা হৈছিল।

➩ বীজগণিত, ত্ৰিকোণামিতি আৰু ক'লনৰ দৰে গণিতৰ ভিন ভিন বিভাগৰ জন্ম ভাৰততে হৈছিল।

➩ ভাৰতীয় ৰেল হ'ল কৰ্মচাৰীৰ সংখ্যাৰ ভিত্তিত বিশ্বৰ সবাতোকৈ বৃহৎ সংস্থা। ভাৰতীয় ৰেলত ১০ লাখৰ অধিক কৰ্মচাৰীয়ে চাকৰি কৰে।

➩ হলিউদৰ 'টাইটানিক' নামৰ চিনেমাখন নিৰ্মাণ কৰিবলৈ যিমান ধন খৰচ হৈছিল, সেই পৰিমাণ ১৯৩৩ত আটলাণ্টিক মহাসাগৰত ধ্বংস হৈ ডুব যোৱা আটলাণ্টিক জাহাজতকৈ বহু বেছি আছিল।



ধীমান কলিতা, দ্বিতীয় শ্ৰেণী, ছেইন্ট জনছ হায়াৰ ছেকেণ্ডাৰী স্কুল, বৰমা।



ভাস্কৰণ বৰা, দ্বিতীয় শ্ৰেণী, জুনিয়ৰ শিক্ষা পাব্লিক স্কুল, পাঞ্জাবাৰী।

# মোল্লা নাছিৰুদ্দিন

## হোজাৰ সাধু

**নাছিৰুদ্দিন** এদিন বাটেদি গৈ আছিল। এনেতে এজন ভিক্ষুকে তেওঁৰ ওচৰত হাত পাতি ভিক্ষা বিচাৰিলে। নাছিৰুদ্দিনে তাক সুধিলে ঃ 'তুমি মদ খোৱা?'

ঃ 'খাওঁ' ।

ঃ 'ধূমপান কৰা?'

ঃ 'কৰো'।

ঃ 'আৰু তোমাৰ চৰিত্ৰ?' ।

ঃ 'ভাল নহয়। সকলো ধৰণৰ বেয়া স্বভাৱেই মোৰ আছে— ভিক্ষাৰীজনী ক'লে।

নাছিৰুদ্দিনে ভিক্ষাৰীজনক এটা সোণৰ মোহৰ দিলে। এনে সময়তে আৰু এজন ভিক্ষাৰী আহি নাছিৰুদ্দিনৰ ওচৰত ভিক্ষা খুজিলে।

ঃ 'তুমি মদ খোৱা?'— নাছিৰুদ্দিনে সুধিলে।

ঃ নাখাওঁ'।—ভিক্ষাৰীয়ে উত্তৰ দিলে।

ঃ ধূমপান কৰানে ?'

ঃ 'নকৰো।'

ঃ 'আৰু তোমাৰ চৰিত্ৰ'?

ঃ 'খুব ভাল। মুঠতে সকলো ভাল গুণেই মোৰ আছে। '

নাছিৰুদ্দিনে ভিক্ষাৰীক তামৰ মুদ্ৰা এটা দিলে। তাকে দেখি ভিক্ষাৰীজনে আচৰিত হৈ সুধিলে।

ঃ এয়া আকৌ কেনে কথা? আপুনি জানি-শুনিও সেই দুশ্চিৰিত্ৰৰ ভিক্ষাৰীটোক এটা সোণৰ মোহৰ দিলে, কিন্তু মোৰ দৰে এজন ভাল মানুহক আপুনি কেৱল এটা তামৰ পইচাহে দিলে।'

উত্তৰত নাছিৰুদ্দিনে ক'লে ঃ 'তোমাতকৈ তাৰ অৰ্থৰ প্ৰয়োজন বহুত বেছি। সেই কাৰণে তাক সোণৰ মুদ্ৰা দিলো।

(১৯)

নাছিৰুদ্দিনে এদিন বজাৰৰ পৰা এসেৰ মাংস কিনি আনি তেওঁৰ ঘৈণীয়েকক দি ক'লে ঃ 'এইখিনি ভালদৰে ৰান্ধাচোন, বহুদিন হ'ল মাংস খোৱা নাই।'

ঘৈণীয়েকে মাংসখিনি ৰান্ধি লোভ সামৰিব নোৱাৰি গোটেইখিনি মাংস নিজেই খাই পেলালে। নাছিৰুদ্দিনে খাবলৈ বহি মাংস নেদেখি আচৰিত হৈ সুধিলে



ঃ 'হেৰা মাংস ক'ত?'

ঃ ঘৈণীয়েকে সেমেনা-সেমেনি কৰি ক'লে যে মাংসখিনি মেকুৰীয়ে খালে।

ঃ 'এসেৰ মাংসই খালেনে?'— নাছিৰুদ্দিনে আচৰিত হৈ সুধিলে।

ঃ 'হয়'।

নাছিৰুদ্দিনে তেতিয়া মেকুৰীটোক ধৰি আনি পাল্লাত উঠাই ক'লে ঃ ইয়াৰ ওজন পূৰা এসেৰ। এইটোৱেই যদি সেই মেকুৰীটো হয়, তেন্তে মাংসখিনি গ'ল ক'লৈ? আৰু এইটোৱেই যদি সেই মাংস হয়, তেন্তে মেকুৰীটো গ'ল ক'লৈ?

(২০)

নাছিৰুদ্দিনে এদিন তেওঁৰ পত্নীক ওচৰলৈ মাতি আনি ক'লেঃ 'চোৱা আল্লাই মানুহৰ মংগলৰ বাবে সকলো ব্যৱস্থা কৰি ৰাখিছে। '

ঃ এটা উদাহৰণ দিয়াচোন?'— ঘৈণীয়েকে ক'লে।

ঃ 'যেনে, উট চৰাইৰ ডেউকা নাই'

ঃ 'তাতেনো মানুহৰ কি মংগল হ'ল?'

ঃ 'তাকো নাজানানে? উট চৰাইৰ ডেউকা থকা হ'লে সি উৰি আহি মানুহৰ ঘৰৰ চালৰ ওপৰত বহিলহেঁতেন, তেতিয়া চালখনৰ কি অৱস্থা হ'লহেঁতেন এবাৰ ভাবাচোন।'— ব্যাখ্যা কৰি নাছিৰুদ্দিনে বুজাই দিলে। ক্ৰমশঃ

## বিল্যস্নন্দন চ'ৰা




# ইউৰোপত চান্তিৰ মাৰ্কেটিং

ইউৰোপ ঘূৰি ঘূৰি দিল্লীৰ বাদশ্বাহে বৰ্তমান শান্তিৰ বাৰ্তা বিলাই ফুৰিছে। মোটামুটি তেওঁ শান্তিদূত বনি গৈছে। যাকেই লগ পাইছে তাকেই তেওঁ কৈ ফুৰিছে— 'যুদ্ধ নহয়, মই চান্তি বিচাৰো!' ডাঙৰ ডাঙৰ লিডাৰবোৰক এড্ৰেছ কৰিও বাদশ্বাহে কৈছে— 'চান্তি লাগে বুজিছে। মই সদায় চান্তি বিচাৰো!'

ঃ আমিও বিচাৰো।
ঃ বিচাৰে যদি যুদ্ধবোৰ নৰখায় কিয়?
ঃ লাভ নাই। সেইবোৰ আমাৰ হাতত নাই।
ঃ মই কিন্তু যুদ্ধ নিবিচাৰো।
ঃ ভোটৰ টাইমততো আপুনি তামাম যুদ্ধ কৰে!
ঃ মুখেদিহে কৰো! বন্দুকেদি নকৰো নহয়।



ঃ আপোনালোকৰ তাততো দাংগা হৈয়ে থাকে।
ঃ সেইবোৰ দাংগা নহয়।
ঃ তেন্তে কি?
ঃ সেইবোৰ হোলী ৱাৰ! মানে ধৰ্মযুদ্ধ।
ঃ আপুনি আমাৰ পৰা কি বিচাৰিছে?
ঃ মই একো বিচৰা নাই!
ঃ তেন্তে ইউৰোপখন ঘূৰি ফুৰিছে কিয়?
ঃ মাৰ্কেটিং কৰিবলৈ।
ঃ আপুনি অৱশ্যে মাৰ্কেটিং কৰাত ভাল।
ঃ থেংকছ!
ঃ আপুনি আপোনাৰ ঘৰৰ ময়ূৰকেইটাক লৈও মাৰ্কেটিং কৰা দেখিছো।
ঃ থেংক ইউ।
ঃ আপুনি যে এক্সাৰচাইজ কৰে, তাকে লৈও মাৰ্কেটিং কৰে।
ঃ সুক্ৰিয়া।
ঃ আপুনি নদীত গা ধুবলৈ গ'লেও তাকে লৈ মাৰ্কেটিং কৰে।
ঃ মেনী মেনী থেংকছ।
ঃ আপুনি আপোনাৰ মাক লৈও মাৰ্কেটিং কৰে।
ঃ ধন্যবাদ।
ঃ আপুনি মিছা ক'লেও তাকে লৈ মাৰ্কেটিং কৰে।
ঃ থেংক ইউ।
ঃ এইবাৰ আপুনি কিহৰ মাৰ্কেটিং কৰিবলৈ আহিছে!
ঃ চান্তিৰ!
ঃ আপোনাৰ ষ্টকত আছে নেকি?
ঃ এতিয়াও ষ্টক কৰা নাই।
ঃ তেন্তে?
ঃ লাহে লাহে কৰিম, যদিহে আপোনালোকে লয়।
ঃ কিন্তু এটা কথা নহয়!
ঃ কি?
ঃ আপোনালোকৰ দেছত দেখোন অশান্তিয়ে অশান্তি! তেলৰ দাম বাঢ়িছে, তাকে লৈ অশান্তি!
ঃ আৰু কি শুনিছে?
ঃ খোৱা বস্তুৰ দাম বঢ়াক লৈ অশান্তি!
ঃ আৰু?
ঃ চাকৰি-বাকৰি যে নাই, তাকে লৈ অশান্তি!
ঃ সেইবোৰৰ লগত মই দিব খোজা চান্তিৰ কোনো সম্বন্ধ নাই নহয়।
ঃ তেন্তে আপোনাৰ চান্তি কি বস্তু?
ঃ মোৰ চান্তি মানে হ'ল চান টি! চান মানে হ'ল সূৰ্য। টি মানে চাহ। এইবিধ চাহ খালে গোটেই গাটো গৰম হৈ যাব। ইউৰোপৰ দৰে ঠাণ্ডা জাগাত খাই ভাল লাগিব। আমি চৰকাৰীভাৱে চান টি বনাই আছো।

কথাৰ সুৰ সলাই বাদশ্বাহে ক'লে, 'উপায় নাই। চন্দুক খালী। চাহ বেচিয়ে দুই-চাৰি পইচা গোটাব লাগিব বুজিছে!'

# বোমাত দুই ভৰি হেৰুওৱা ওকছানাক গ্ৰহণ কৰিলে ভিক্টৰে

# ইউক্ৰেইনত জীৱনৰ চালিকাশক্তিত পৰিণত হৈছে নিভাঁজ প্ৰেম

## ধ্বংসস্তূপৰ মাজত এতিয়াও 'ৰৌদ্ৰোজ্জ্বল'ক বিচাৰে ইৰিনাই




**নিউজ ব্যুৰ'**
**কিয়েভ, ৩ মে' ঃ** ৰাছিয়াৰ আক্ৰমণত ধ্বংসস্তূপত পৰিণত হৈছে ইউক্ৰেইনৰ বহু চহৰ। প্ৰিয়জন, ঘৰ-বাৰী হেৰুৱাই নিথৰুৱা হৈ পৰিছে অগণন জনতা। চৌদিশে কেৱল আৰ্তনাদ, হাহাকাৰ, ৰক্তক্ষৰণ, মৃতদেহৰ শাৰী। ইয়াৰ উপৰি আছে প্ৰতিমুহূৰ্ততে সৃষ্টি হোৱা মৃত্যুৰ আশংকা। এনে জটিল পৰিস্থিতিত এতিয়া নিভাঁজ প্ৰেমেই পৰিণত হৈছে ইউক্ৰেইনবাসীৰ জীৱনৰ চালিকাশক্তিত। বিগত দুটা মাহত যুদ্ধৰ ভয়াৱহ পৰিস্থিতিতো পোহৰলৈ আহিছে ইউক্ৰেইন বাসিন্দাৰ বহু প্ৰেমকাহিনী। সম্প্ৰতি পোহৰলৈ অহা দুটাকৈ প্ৰেম কাহিনীয়েই প্ৰেমাস্পদৰ লগতে ইউক্ৰেইনৰ সকলো নাগৰিককে যোগান ধৰিছে জটিল সন্ধিক্ষণতো জীৱনযুদ্ধৰ প্ৰেৰণা।

২০ বছৰৰ পূৰ্বে বুচা চহৰৰ এখন হাস্পতালত সাক্ষাৎ হৈছিল ইৰিনা আব্ৰাম'ভা আৰু অ'লেহৰ। উক্ত হাস্পতালতে কাম কৰা ইৰিনাই প্ৰথম সাক্ষাততে অ'লেহৰ প্ৰতি মুগ্ধ হৈছিল। কোনো কামত হাস্পতালখনত উপস্থিত হোৱা যুৱকজনৰ ওচৰলৈ নিজেই আগবাঢ়ি লৈ তেওঁ চিনাকি হৈছিল। তাৰ পাছত সঘন যোগাযোগ, তাৰ পাছত ঘনিষ্ঠতা আৰু প্ৰেম। পৰৱৰ্তী সময়ত বিবাহপাশত আবদ্ধ হৈ দুয়ো বুচাতে নিগাজিকৈ থাকিবলৈ লয়। ইৰিনাই অ'লেহক মাতিছিল 'ছানচাইন' (ৰৌদ্ৰোজ্জ্বল) বুলি। সেইদৰে অ'লেহে পত্নীক মৰমতে মাতিছিল 'কিটি' বুলি। অথচ মাত্ৰ এটা গুলিতে তেওঁলোকৰ ২০ বছৰীয়া প্ৰেমৰ অন্ত পৰে। সেই দিনটোৰ কথা মনত পৰিলে আজিও বুকু কঁপি উঠে ইৰিনাৰ।

পাঁচ মাৰ্চৰ পুৱা ৰুছ সেনাই তেওঁলোকৰ ঘৰৰ খিৰিকীৰে এটা গ্ৰেণেড মাৰি পঠিয়ায়। গ্ৰেণেড বিস্ফোৰণ ঘটি তেওঁলোকৰ ঘৰত জুই লাগে। ৰুছ সেনাই অ'লেহৰ মূৰত বন্দুক লগাই ঘৰৰ বাহিৰলৈ নিয়ে। স্বামীক ৰক্ষা কৰিবলৈ ইৰিনায়ো দৌৰি গৈছিল যদিও নোৱাৰিলে। বাহিৰলৈ গৈ তেওঁ দেখিলে তললৈ মূৰ কৰি অ'লেহ মাটিত পৰি আছে। কাণৰ পৰা ওলাই আছে তেজ। নিৰ্বাক হৈ পৰিছিল তেওঁ। পৰৱৰ্তী সময়ত ইৰিনাক বোমা নিৰোধক আশ্ৰয়স্থলীলৈ লৈ যোৱা হয়। তথাপি তেওঁ আহি উপস্থিত হয় ধ্বংসস্তূপত পৰিণত হোৱা নিজৰ বাসগৃহত। দীৰ্ঘক্ষণ ধৰি নিৰ্লিপ্তভাৱে নিজৰ ঘৰখনলৈ চাই থাকে। ধ্বংসস্তূপৰ মাজত ইৰিনাৰ সজল চকুৱে যেন ব'দৰ পোহৰৰ উপস্থিতিৰ সন্ধান কৰে। অ'লেহৰ স'তে কটোৱা নিবিড় সময়বোৰ স্মৃতিচাৰণ কৰে তেওঁ। সেই স্মৃতিয়ে ইৰিনাৰ মনত তৰংগৰ সৃষ্টি কৰে।

ৰাছিয়াৰ আক্ৰমণত ধ্বংসস্তূপত পৰিণত হৈছে ইউক্ৰেইনৰ বহু চহৰ। প্ৰিয়জন, ঘৰ-বাৰী হেৰুৱাই নিথৰুৱা হৈ পৰিছে অগণন জনতা। চৌদিশে কেৱল আৰ্তনাদ, হাহাকাৰ, ৰক্তক্ষৰণ, মৃতদেহৰ শাৰী। ইয়াৰ উপৰি আছে প্ৰতিমুহূৰ্ততে সৃষ্টি হোৱা মৃত্যুৰ আশংকা। এনে জটিল পৰিস্থিতিত এতিয়া নিভাঁজ প্ৰেমেই পৰিণত হৈছে ইউক্ৰেইনবাসীৰ জীৱনৰ চালিকাশক্তিত।



ইৰিনাই জনাইছে যে এজন ৰুছ কমাণ্ডাৰে তেওঁৰ বুকু লক্ষ্য কৰিও বন্দুক টানিছিল। 'গুলি কৰক, গুলি কৰক', এইবুলি চিৎকাৰ কৰিছিল ইৰিনাই। তিনিবাৰকৈ গুলি কৰিবলৈ উদ্যত হোৱা সত্বেও ৰুছ সেনাই তেওঁক এৰি গুচি যায়। সেই দিনা ৰুছ কমাণ্ডাৰজনে কিয় ট্ৰিগাৰ নিটিপিলে বুলি ইৰিনাৰ আজিও অনুশোচনা হয়। সেই ঘটনাৰ পাছত একাধিকবাৰ আত্মহত্যাৰ কথাও ভাবিছিল যদিও পাছত সেই চিন্তা ত্যাগ কৰে। ইৰিনাৰ মতে, আত্মহত্যা পাপ। পাপ কৰিলে তেওঁ স্বৰ্গলৈ যাব নোৱাৰিব। তেতিয়া স্বৰ্গত স্বামীৰ স'তে তেওঁৰ সাক্ষাৎ নহ'ব। এতিয়া স্বৰ্গতে প্ৰিয়জনৰ স'তে সাক্ষাতৰ আশাত দিন অতিবাহিত কৰিছে ইৰিনাই।

ইপিনে, ওছকানা আৰু ভিক্টৰৰ প্ৰেম কাহিনীয়েও সম্প্ৰতি ইউক্ৰেইনৰ জনতাক আশাৰ বাণী শুনাইছে। প্ৰেমিকৰ স'তে খোজকাঢ়ি গৈ আছিল ওকছানা। তেতিয়াই ৰুছ সেনাই পুতি থোৱা মাইনত ভৰি পৰাত বিস্ফোৰণ ঘটি তেওঁৰ দুয়োখন ভৰি ছিন্ন ভিন্ন হয়। বাঁও হাতখনো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ওকছানাৰ মৃত্যু হ'ব বুলিয়ে চিকিৎসকে আশংকা কৰিছিল। যদিও মৃত্যুক অংগুষ্ঠ প্ৰদৰ্শন কৰি সেই তৰুণীয়ে এতিয়া আৰম্ভ কৰিছে নতুন জীৱন। দুই ভৰি হেৰুৱাই চিৰ জীৱনৰ বাবে পংগুত্বক সাৱটি লোৱা ওকছানাক কিন্তু জীৱনৰ জটিল সময়তো এৰি নিদিলে তেওঁক নিজৰ প্ৰাণতকৈও ভালপোৱা প্ৰেমিক ভিক্টৰে। সম্প্ৰতি হাস্পতালতে নতুন জীৱনৰ সূচনা কৰিলে ওকছানাই।

উল্লেখ্য যে বিস্ফোৰণত ওকছানাৰ দুয়োখন ভৰিয়েই ছিঙি পৰে। বাঁও হাতৰ চাৰিটা আঙুলিও ছিঙি পৰে। সৌভাগ্যক্ৰমে সেই ঘটনাত কোনো আঘাত নোপোৱাকৈ ৰক্ষা পৰে ভিক্টৰে। সেই প্ৰেমিকেই ওকছানাক এনে অৱস্থাত এৰি যাবলৈ সন্মত নহ'ল, বৰঞ্চ হাস্পতালতে বিবাহ কৰালে ২৩ বছৰীয়া প্ৰেমিকাক। কইনাৰ সাজেৰে সজোৱা হৈছিল ওকছানাক। লিভৰ এখন হাস্পতালৰ কৰ্মীসকলক সাক্ষী ৰাখিয়ে বিবাহ সম্পন্ন কৰিলে ভিক্টৰ-ওকছানাই। তেওঁলোকে নাচিলেও। ওকছানাক কোলাত তুলি নাচিছিল ভিক্টৰে। আনন্দত উটি-ভাহি গৈছিল হাস্পতালৰ কোঠাটোত উপস্থিত থকা তেওঁলোকৰ আত্মীয় আৰু হাস্পতালৰ কৰ্মীসকল। ভিক্টৰৰ কোলাত উঠি পৰম আনন্দ-আৱেগত ক্ৰন্দনত ভাঙি পৰিছিল ওকছানা।

উল্লেখ্য যে লুহানস্কৰ সৰু চহৰ লাইচিচেনস্কৰ নিবাসী ওকছানা। চহৰখন সম্পূৰ্ণৰূপে ৰুছ সেনাই অধিকাৰ কৰিছিল। যোৱা ২৭ মাৰ্চত প্ৰেমিক ভিক্টৰৰ স'তে ঘৰৰ ওভতাৰ পথত মাইন বিস্ফোৰণত তেওঁ গুৰুতৰভাৱে আহত হয়। জটিল অস্ত্ৰোপচাৰৰ পাছত বিস্ফোৰণত ছিন্ন-ভিন্ন হোৱা ভৰি দুখন কাটি পেলাবলগীয়া হয়। সম্প্ৰতি অধিক উন্নত চিকিৎসাৰ বাবে ওকছানাই জাৰ্মানীলৈ যোৱাৰ প্ৰস্তুতি চলাইছে বুলি পৰিয়ালৰ সূত্ৰই জনাইছে।

# ক্ৰীড়াক্ষেত্ৰতো উজ্জ্বল তেজপুৰৰ আদৰ্শ মহিলা কৃষক-শিপিনী

## কৰ্মৰেই আনৰ বাবে প্ৰেৰণা যোগাইছে যামিনী কলিতাই



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩ মে' ঃ** সংসাৰ আৰু সামাজিক দায়িত্বৰ লগতে এগৰাকী প্ৰবীণ খেলুৱৈৰূপে গৌৰৱ কঢ়িয়াবলৈ সক্ষম হোৱা তেজপুৰৰ এগৰাকী মহিলাই সম্প্ৰতি নিজৰ কৰ্মৰে আনৰ বাবে প্ৰেৰণাৰ উৎস হৈ থিয় দিবলৈ সক্ষম হৈছে। লগতে তেওঁ অটুট ৰাখিছে আজিৰ গ্ৰাম্য জীৱনতো প্ৰায় এলাগী হৈ পৰা অসমীয়া নাৰীৰ পৰম্পৰা। সুদীৰ্ঘ সময় ধৰি কৃষিকৰ্মৰ লগতে মীন তথা হাঁহ, ছাগলী আদি পালনেৰে আত্মপ্ৰতিষ্ঠাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে এইগৰাকী মহিলাই। তেজপুৰ বামপৰ্বতীয়াৰ পহুমৰা চুবুৰীৰ যামিনী কলিতা এতিয়া এইক্ষেত্ৰৰ এক সুপৰিচিত নাম। লক্ষ্যণীয়ভাৱে সহজ-সৰল প্ৰকৃতিৰ এইগৰাকী গ্ৰাম্য মহিলা এগৰাকী সুদক্ষ শিপিনী। ঢেঁকীশালৰ পৰা তাঁতশাললৈকে নিভাঁজ অসমীয়া পৰম্পৰা বৰ্তমানেও তেওঁ নিজা বাসগৃহত অক্ষুণ্ণ ৰাখিছে।

উল্লেখ্য যে এইগৰাকী মহিলাৰ স্বামী দেশৰ বায়ুসেনাৰ এজন অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আৰু তেওঁৰো নাম যামিনী কলিতা। শিক্ষিত আৰু সু-সন্তানৰ মাতৃ কলিতাই ঘৰৰ সকলো দায়িত্ব পালন কৰাৰ লগতে প্ৰায় ২৫ বিঘা মাটিত বিগত দীঘলীয়া সময়ত নিজাববীয়াকৈ কৰি আহিছে কৃষিকাৰ্য। পৰ্বতীয়াৰ নিজা বাসগৃহৰ পৰা প্ৰায় আঠ কিলোমিটাৰ দূৰৰ ডেকাৰগাঁৱত থকা নিজা মাটিত তেওঁ খেতি কৰিবলৈ চাইকেল চলাই গৈ নিজে ভূঁই ৰোৱাৰ লগতে মাজে মাজে পাৱাৰটিলাৰো নিজেই চলায়। প্ৰথম অৱস্থাত মহিলাগৰাকীয়ে এইদৰে কৃষিকাৰ্য কৰিবলৈ সক্ষম হ'ব বুলি বহুতেই ভবা নাছিল। যদিও তেওঁৰ দৃঢ় স্থিতি আৰু কৰ্মোদ্যমে বহুতৰে ধাৰণা ভুল প্ৰতিপন্ন কৰিলে। উল্লেখ্য যে তেওঁ বিভিন্ন প্ৰজাতিৰ ধানৰ খেতি কৰাৰ লগতে আদা, হালধি, তিল আৰু জালুকৰ খেতিও কৰি আহিছে। 'কৰ্মই ধৰ্ম' বুলি ভবা কলিতাই প্ৰতিবছৰে বিজ্ঞানসন্মতভাৱে ক'লা চাউল, কলী জহা, বৰা, জহাবৰা, ৰঞ্জিৎ, বীণা ধান, বাহাদুৰ আৰু জলপনীয়াকে ধৰি বিভিন্ন ধৰণৰ ধান খেতি কৰে। নিজেই যদি বোকা গচকি নাপায়, তেনেহ'লে কিহৰ কৃষক মনোভাৱেৰে নিজেই আনসকল ৰোৱনী-দাৱনীৰ স'তে পথাৰত নমা এইগৰাকী মহিলা কৃষকে কয় যে তেওঁ গহপুৰৰ মাগনিৰ এক কৃষক পৰিয়ালৰ জীয়ৰী। গতিকে শৈশৱৰে পৰাই তেওঁৰ কৃষিৰ প্ৰতি আছে বিশেষ ধাউতি। গতিকে পথাৰত নামিবলৈ তেওঁ কেতিয়াও এলাহ বা লাজ নকৰে, বৰঞ্চ পথাৰে তেওঁক আকৰ্ষণহে কৰে। লক্ষ্যণীয়ভাৱে ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ ভাড়াত লৈ কৃষিপথাৰ চহোৱা এইগৰাকী ব্যতিক্ৰমী মহিলাই আনকি ট্ৰেক্টৰ চলাবলৈও শিকিছে। অৱশ্যে শেহতীয়াকৈ তেওঁ ধান কটাৰ বাবে এটা ধানকটা যন্ত্ৰ ক্ৰয় কৰে। ইয়াৰ পাছতে তেওঁ নিজেই সেই যন্ত্ৰৰে ধান কাটিবলৈ সক্ষম হয়। আজিকালি পথাৰত কাম কৰা মানুহ পোৱাটো বৰ সহজ নহয়। সেয়ে যিমান পাৰি সকলো ক্ষেত্ৰতেই আত্মনিৰ্ভৰশীল হোৱা আৱশ্যক বুলি কয় তেওঁ। উল্লেখ্য যে ধান খেতিৰ লগতে অন্যান্য খেতিত প্ৰয়োজন হোৱা সাৰ তেওঁ নিজেই জৈৱিক পদ্ধতিৰে ঘৰতেই প্ৰস্তুত কৰে। কলিতাই এইক্ষেত্ৰত বিশেষ গুৰুত্ব দি কয়, 'কেৱল ফচল উৎপাদনেই এতিয়া মূল কথা নহয়, এই ফচল কিমান স্বাস্থ্যসন্মত সেইটো সম্প্ৰতি অতি গুৰুত্বপূৰ্ণ বিষয়।' মহিলাগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি, তেওঁ প্ৰতি বছৰে ৬০-৭০ হেজাৰ টকাৰ বৰা চাউল বিক্ৰী কৰিবলৈ সক্ষম হৈছে। তদুপৰি মহিলা কৃষকগৰাকীয়ে যথেষ্ট পৰিমাণৰ ৰঞ্জিৎ ধানো বছৰী বিক্ৰী কৰিবলৈ সক্ষম হয়। অৱশ্যে তেওঁ কয় যে পথাৰত কৃষি কৰিবলৈ সন্মুখীন হোৱা সমস্যাসমূহৰ ভিতৰত পানীৰ সমস্যা এক গুৰুতৰ সমস্যা। সেই সমস্যা সমাধান হ'লেই তেওঁ আৰু অধিক পৰিসৰত খেতি কৰাৰ পৰিকল্পনা কৰিছে।

মন কৰিবলগীয়া যে মহিলা কৃষকগৰাকীৰ এনে প্ৰচেষ্টাক সদায়েই উৎসাহ আৰু সহযোগিতা আগবঢ়াই আহিছে তেওঁৰ স্বামী তথা সন্তানে। তাঁত বোৱাত পাকৈত মহিলাগৰাকীয়ে বিহুত গামোচা ক্ৰয় কৰি পোৱা নাই। তেওঁ চাদৰ-মেখেলাৰ উপৰি চোলাৰ বাবেও প্ৰয়োজনীয় কাপোৰ বৈ লয়। উল্লেখ্য যে চিলাই কামতো পাৰ্গত এইগৰাকী কৃষক তথা শিপিনীয়ে এগৰাকী ফেশ্বন ডিজাইনাৰৰূপেও প্ৰতিভাৰ পৰিচয় দিছে। তদুপৰি ৰাজনৈতিক ক্ষেত্ৰখনতো সক্ৰিয়তা প্ৰদৰ্শন কৰা কলিতাই স্থানীয় পঞ্চায়ত প্ৰতিনিধিৰূপেও নিৰ্বাচিত হ'বলৈ সক্ষম হৈছে। নিজা অঞ্চলৰ উন্নয়নৰ বাবে সদা ব্যস্ত মহিলাগৰাকীয়ে কয়, 'মই পৰিশ্ৰমৰ সপক্ষে আৰু সেয়ে দুৰ্নীতি-অন্যায়ক অতি বেয়া পাওঁ।' কলিতাক যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ তেজপুৰ কৃষি বিজ্ঞান কেন্দ্ৰই ২০২০ত 'চাৰ্টিফিকেট অৱ এক্সিলেন্স'ৰ স্বীকৃতি প্ৰদান কৰাৰ পূৰ্বে তেজপুৰ কৃষি বিজ্ঞান কেন্দ্ৰই ২০১৮, ২০২০ আৰু ২০২১ত ধাৰাবাহিকভাৱে তিনিবাৰকৈ কৃষি কৰ্মৰ বাবে স্বীকৃতি প্ৰদান কৰিছিল। কেৱল সিমানেই নহয়, মহিলা কৃষকৰূপে ৰাজ্যখনৰ ভিতৰতে কলিতাই 'অটল এৱাৰ্ড ২০২১' লাভ কৰিবলৈ সক্ষম হৈছিল। জিলা তথা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত এগৰাকী আদৰ্শ মহিলা কৃষকৰূপে সন্মান অৰ্জন কৰা এইগৰাকী মহিলাই ২০২০ত ওড়িছাৰ ভুৱনেশ্বৰত কৃষি প্ৰশিক্ষণ গ্ৰহণ কৰাৰ লগতে লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰ আৰু শোণিতপুৰ জিলা কৃষি বিভাগতো প্ৰশিক্ষণ গ্ৰহণ কৰাৰ বিষয়ে প্ৰকাশ কৰে। ২০২১ত শোণিতপুৰ জিলা প্ৰশাসনেও কৃষি কৰ্মৰ বাবে তেওঁক চৰকাৰীভাৱে সম্বৰ্ধনা জনাইছিল। উল্লেখ্য যে এগৰাকী প্ৰবীণ এথলীট কলিতাই দৌৰৰ একাধিক শাখাত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ লোৱাৰ লগতে পদকো অৰ্জন কৰিবলৈ সক্ষম হৈছে। কৃষি, সামাজিক আৰু ঘৰুৱা দায়িত্বৰ লগতে প্ৰবীণ ক্ৰীড়া ক্ষেত্ৰখনৰে বৰ্তমানেও সক্ৰিয়ভাৱে জড়িত হৈ থকা মহিলাগৰাকীয়ে প্ৰতিটো পল ব্যস্ততাৰে অতিবাহিত কৰে। তেওঁ বোৱা তথা ডিজাইন কৰা কাপোৰৰ লগতে প্ৰস্তুত কৰা বিভিন্ন থলুৱা খাদ্য বিক্ৰী কৰিবলৈও সক্ষম হৈছে।

# হাজোৰ শ্ৰীশ্ৰী ধাৰেশ্বৰ দেৱালয়ত চোৰৰ তাণ্ডৱ

## শিৱৰ বিগ্ৰহ লণ্ডভণ্ড কৰি লুটি নিলে সোণ-ৰূপ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৩ মে' ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত শিলগুৰী হাতীমূৰা পাহাৰত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী ধাৰেশ্বৰ দেৱালয়ত যোৱা নিশা চোৰে তাণ্ডৱ চলায়। মন্দিৰ মূল শিৱৰ বিগ্ৰহ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে দুৰ্বৃত্তই সোণ-ৰূপৰ আ-অলংকাৰ লুট কৰি নিয়ে। এই ঘটনাই আজি সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

মন্দিৰ কৰ্তৃপক্ষই জনোৱা মতে, আজি পুৱা মন্দিৰৰ আঠপৰীয়া দুজনে মন্দিৰ চাফ-চিকুণ কৰিবলৈ আহি দেৱালয়ৰ মুখ্য দ্বাৰ খোলা অৱস্থাত প্ৰত্যক্ষ কৰে। লগে লগে তেওঁলোকে ওচৰ চুবুৰীয়াক অৱগত কৰাত দেৱালয়ত বহু লোকৰ সমাগম হয়। পাছত স্থানীয় লোকৰ উপস্থিতিত দেৱালয়ৰ আঠপৰীয়া দুজনে দেৱালয়ৰ গহ্বৰত প্ৰৱেশ কৰি শিৱৰ মূল বিগ্ৰহ লণ্ডভণ্ড কৰা অৱস্থাত প্ৰত্যক্ষ কৰাৰ লগতে আসনৰ ভিতৰত থকা সোণ-ৰূপৰ আ-অলংকাৰ লুট কৰি নিয়াটো জানিব পাৰে। অৱশ্যে দেৱালয়ৰ প্ৰণামী বাকচৰ তলা অক্ষত অৱস্থাত থকা বুলি দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক সঞ্জীৱ কলিতাই জনাইছে। ইফালে, ঘটনাৰ খবৰ পোৱাৰ লগে লগে শুৱালকুছি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দেৱালয় পৰিদৰ্শন কৰাৰ লগতে তদন্ত আৰম্ভ কৰে। আজি দুপৰীয়া দেৱালয় পৰিচালনা সমিতিয়ে ঘটনা সন্দৰ্ভত শুৱালকুছি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। আনহাতে, ঘটনাস্থলীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধৰণ সম্পাদক পংকজ কলিতাৰ লগতে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এটি প্ৰতিনিধি দল উপস্থিত হৈ ঘটনাৰ বুজ লৈ এই ঘটনা অঞ্চলটোৰ কাৰণে অশনি সংকেত বুলি কৰে। লগতে অতি শীঘ্ৰেই চোৰক আটক কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী কৰে আছুৰ প্ৰতিনিধি দলটোৱে।

# ভোগদৈত সন্ধানহীন দুই শিশু

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৩ মে'ঃ** মৰিয়নিৰ কঠালগুৰি চাহ বাগিচাৰ দুই শিশু ভোগদৈ নৈত কালিৰ পৰা সন্ধানহীন হৈ আছে। উল্লেখ্য যে কঠালগুৰি চাহ বাগিচাৰ আলুভেটিৰ বিকী কৰ্মকাৰৰ কণমানি পুত্ৰ প্ৰভাস কৰ্মকাৰ (সাত) আৰু বাবু খান (ছয়) নামৰ আন এটি কণমানিয়ে কালি পুৱা ঘৰৰ ওচৰতে খেলি আছিল। কিন্তু বহু দেৰিলৈকে দুয়ো ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ আৰম্ভ কৰে যদিও দুয়োৰে কোনো সন্ধান নোলাল। পাছত কাযেদি বৈ যোৱা ভোগদৈ নৈৰ পাৰত দুয়োটি কণমানিৰ কাপোৰ উদ্ধাৰ হোৱাত হুৱাদুৱা লাগে। দুয়ো ভোগদৈ নৈত নামি গা ধুবলৈ যোৱাৰ পাছত সন্ধানহীন হোৱা বুলি সন্দেহ কৰা হৈছে। আজি এছডিআৰএফৰ এটা দল ঘটনাস্থলীলৈ আহি অনুসন্ধান আৰম্ভ কৰিছে যদিও বাতৰি লিখাৰ পৰলৈকে কোনো শুংসূত্ৰ লাভ কৰা নাই। প্ৰতিকূল বতৰৰ বাবে আজি অভিযান চলোৱাত অসুবিধা হয়। ইফালে, প্ৰৱল বৰষুণৰ ফলত ভোগদৈ নৈতো জলস্তৰ পূৰ্বতকৈ বৃদ্ধি পাইছে।

## পাঁচখন কাঁহী লৈ চাৰি মিনিট ১৫ ছেকেণ্ড নাচি অন্তৰ্ভুক্ত হ'ল 'ৱৰ্ল্ড ৱাইড ৰেকৰ্ড'ত



# বিহু নৃত্যৰে বিশ্ব অভিলেখ গঢ়িলে প্ৰণামী বৰবৰাই

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ৩ মে' ঃ** অসমীয়াৰ বাপতি সাহোন হেঁপাহৰ বিহুটিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সমান্তৰালকৈ নতুন বিশ্ব অভিলেখ স্থাপন কৰিলে যোৰহাটৰ এগৰাকী মহিলাই। হাতত পাঁচখন কাঁহী লৈ সুন্দৰভাৱে বিহু নাচি তেওঁ অন্তৰ্ভুক্ত হ'ল 'ৱৰ্ল্ড ৱাইড ৰেকৰ্ড'ত। ইয়াৰ পূৰ্বে তেওঁ এইদৰে বিহু নাচি ভাৰতীয় অভিলেখ প্ৰতিষ্ঠা কৰিছিল। সমগ্ৰ যোৰহাট জিলালৈ গৌৰৱ কঢ়িয়াই অনা এই প্ৰতিভাৱান মহিলাগৰাকী হৈছে বালিগাঁও কোৰোকাতলিৰ নৱ চক্ৰৱৰ্তী আৰু ৰাণু চক্ৰৱৰ্তীৰ কন্যা তথা পৰাগ বৰবৰা শৰ্মাৰ পত্নী প্ৰণামী বৰবৰা। যোৱা ১৯ মাৰ্চত প্ৰণামীক 'ৱৰ্ল্ড ৱাইড ৰেকৰ্ড'ৰ তৰফৰ পৰা স্বীকৃতি প্ৰদান কৰে। প্ৰণামীৰ এই বিশেষ কৃতিত্বত অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰিছে।

উল্লেখ্য যে প্ৰণামী শৈশৱৰ পৰাই সংস্কৃতিক ক্ষেত্ৰখনৰ স'তে জড়িত। ১৯৮৯ত পাঁচ বছৰ বয়সৰ পৰাই বিহু নাচিবলৈ আৰম্ভ কৰা প্ৰণামীয়ে নৱজাত মইনা পাৰিজাতৰ মইনাৰূপে বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। ১৯৮৪ৰ ন আগষ্টত যোৰহাট বালিগাঁৱৰ কোৰোকাতলি গাঁৱৰ আৰ্থিকভাৱে টনকীয়াল নোহোৱা পৰিয়ালত জন্ম লোৱা বাবেই হয়তো তেওঁ সেই সময়খিনিত ডাঙৰ মঞ্চলৈ যাব পৰা নাছিল। তথাপি সৰু মঞ্চসমূহত ভালদৰে নৃত্য পৰিৱেশন কৰি বহু পুৰস্কাৰ বুটলিছিল। তেওঁ তৰুণ দও (ৰজামৈদাম) আৰু অশোক বৰদলৈৰ ওচৰত নৃত্যৰ শিক্ষা লৈছিল। সুৰ ভাৰতী সংগীত কলা কেন্দ্ৰৰ পৰা তেওঁ নৃত্যশ্ৰী পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ২০০৩ত মেট্ৰিক পৰীক্ষা দিয়াৰ পাছতে প্ৰণামী বিবাহপাশত আবদ্ধ হয়। অৱশ্যে কোৰোকাতলিৰ জীয়ৰীয়ে নপমুৱাৰ বোৱাৰী হোৱা সত্বেও সংস্কৃতিৰ জগতখনৰ পৰা আঁতৰি যাবলগীয়া নহ'ল। শাহুয়েক আৰু স্বামীৰ লগতে পৰিয়ালৰ সকলোৰে সহযোগত বিহু নাচ, সৃষ্টিশীল নৃত্য, নাট্যাভিনয় আদি সকলোতে তেওঁ অগ্ৰসৰ হৈছিল। প্ৰণামীয়ে কে'বাবাৰো মঞ্চত বিহুনাচ প্ৰদৰ্শন কৰি খিতাপ অৰ্জন কৰিছে। যোৰহাটৰ চুকে-কোণে নাচ পৰিৱেশন কৰাৰ লগতে তেওঁ নৃত্যৰ বিচাৰকৰূপেও ৰাইজৰ আমন্ত্ৰণ লাভ কৰিছিল। সম্প্ৰতি তেওঁ নৱৰূপ মইনা পাৰিজাতৰ পৰিচালকৰূপে আছে। প্ৰণামীয়ে জনায় যে সংসাৰ বঢ়াৰ লগে লগে মাজতে কেইটামান বছৰ অলপ ঘৰখনত মন দিবলগীয়া হৈছিল। সম্প্ৰতি তেওঁ দুই সন্তানৰ মাতৃ। পুত্ৰই কলেজত আৰু কন্যাই প্ৰাথমিক স্কুলত পঢ়ি আছে। ঘৰুৱা ব্যস্ততাৰ মাজতো অৱশ্যে প্ৰণামীয়ে নৃত্যচৰ্চা অব্যাহত ৰখাৰ সমান্তৰালকৈ ঘৰতে 'নৃত্যলক্ষ্মী একাডেমী' নামেৰে এখন নৃত্যৰ বিদ্যালয় খুলি অঞ্চলটোৰ নৃত্য আগ্ৰহী ছাত্ৰ-ছাত্ৰীক নৃত্য প্ৰশিক্ষণ দি আছে। নিজৰ সাফল্য সন্দৰ্ভত প্ৰণামীয়ে কয়, 'বিহু নাচি মই ম'বাইলত নিজে ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমত আপলোড কৰিছিলো। জাগীৰোড জুবিন্‌ছ ফেন্‌ছ ক্লাব, পোহৰ লাইভ এইট, প্ৰতিবিম্ব, কে'বাটাও ইউটিউব চেনেলৰ যোগেদি মোৰ পাঁচখন কাঁহী লৈ নচা বিহু নাচ প্ৰচাৰ হৈছিল। তাৰ পাছতে অসমৰ সকলো ঠাইৰ পৰা সুন্দৰভাৱে মতামত দিলে, ৰাইজে মৰম দিলে। ইয়াৰ পাছতে 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড্‌ছ'ৰ পৰা যোগাযোগ কৰিলে আৰু ২০২১ৰ আঠ ডিচেম্বৰত পাঁচখন কাঁহীৰ স'তে এক মিনিট ৩০ ছেকেণ্ড বিহু নাচি 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ড্‌ছ'ত নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হ'লো।' প্ৰণামীয়ে লগতে জনায় যে উক্ত বিহু নাচ ৱেবছাইডত পাই 'ৱৰ্ল্ড ৱাইড ৰেকৰ্ড'ৰ পৰা যোগাযোগ কৰে। তাৰ পাছতে তেওঁ ২০২২ৰ ১৯ মাৰ্চত চাৰি মিনিট ১৫ ছেকেণ্ড পাঁচখন কাঁহীৰ স'তে বিহু নাচ প্ৰদৰ্শন কৰি প্ৰণামীয়ে 'ৱৰ্ল্ড ৱাইড ৰেকৰ্ড'ত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়।




এম. এম. টেব (ফোৰ্ট)
আৰু
ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola
Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.
Contact No- 70021-60730, 7002316720


অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com